# Assam
# Legislative Assembly
# Debates

## OFFICIAL REPORT

FIRST SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## JUNE SESSION

**No. 4**

The 15th June, 1996

Price Rs. 25.00

# CONTENTS

## JUNE SESSION

**No. 15**

Dated, the 15th June, 1996


1. Voting on vote on accounts ........ 1
2. Introduction, Consideration and Passing of Appropriation Bill ........ 6
3. Announcement from the Chair ........ 31
4. Debate on Governor's Address ........ 36
5. Resolution ........ 69
6. Adjournment ........ 73

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Saturday, the 15th June, 1996

The House met at 9. A.M. of the Clock in the Assembly Chamber at Dispur with Shri Ganesh Katum, Speaker in the

## VOTING ON VOTE ON ACCOUNTS

**Mr. Speaker** :- Now, voting on vote on Accounts for 1996-97 is to be moved by Hon'ble Chief Minister.

* **Shri Prafulla Kumar Mahanta** (Chief Minister) : In pursuance of Article 206 of the Constitution of India, the Assam Legislative Assembly is being requested to vote five months supply for the months of August to December, 1996 as shown in the attached schedule, pending consideration and passing of the demand for the fully year, broadly the provisions represent the estimated requirements of gross expenditure during the months of August to December, 1996.

* **Dr. Ardhendu Kumar Dey** : Sir there is a point of order. In the practice and procedure of Parliament of Kaul and Shakdher on 608 says — Normally the vote on account is taken for two months only. But during an election year or when it is anticipated that the main demands and the appropriation bill will take longer than two months to be passed by the House the vote on account may be for a period exceeding two months and may extend 3 to 4 months but here it is find that the same is for more than 5 months. It is violation

* Speech not corrected

of Rules, Let there should be another sitting on the months of October. সেই কাৰণে ৪ মাহৰ পাচ কৰক, পাঁচ মাহৰ কাৰণে নেলাগে।

* **Shri Bharat ch. Narah** : Sir, Under Article 206 of the Consittuion of India it is clearly mentioned that it exceed for 3 to 4 months but no 5 months.

* **Shri Hitendra Nath Goswami** : Rules cannot overwrite the provisions of the constitution. Notwithstanding anything in the foregoing provisions of the chapter, the Legislative Assembly of a State of a State shall have power (A) to make any grant in advance in respect of estimate expenditure for part of any financial year pending the completing of the procedure prescribed in Article 203 for the voting of such grant and the passing of the law in accordance with the provision of the Article 204 in relation to that expenditure; (B) to make a grant for meeting an unexpected demand upon the resource of the State when on account of the magnitude or the indefinite character of the service the demand cannot be stated with the details ordinarily given in an annual financial year.

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০৬ত এ, বি চিত লিখা থাকিলহেঁতেন ৫ মাহৰ কাৰণে ল'ব পাৰি তেতিয়াহ'লে ল'ব পাৰিলোহেঁতেন। কিন্তু ইয়াত এই কথাটো 'চাইলেঞ্চ' আছে যিটো আমি ফলো কৰিব লাগিব। ভোট অন একাউন্টচ্ আনিব লাগিলে ২ মাহৰ কাৰণে বাজেট উত্থাপন কৰিব পাৰি। ২০৬ যিহেতুকে চাইলেঞ্চ আছে 'ক'ল এণ্ড চাকধাৰ' ফলো কৰিব লাগিব।

**Mr. Speaker** : I have hear the submissions of both the sides. Article 206 also does not stipulate time limit for vote on Accounts.

---

* Speech not corrected

Our rules are also silent on it. I discussed the matter with the Hon'ble Chief Minister he has told me that the plan allocation has also not been discuss and finalised. In view of the above, I. over rule the point of order.

* শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু আমি প্লেনিং কমিশ্যনৰ লগত আলোচনা কৰাৰ কাৰণে সময় ল'ব লগা হৈছে সেই কাৰণে আমি সদ্যহতে ভোট অন্য একাউন্টচ্ ৫ মাহৰ কাৰণে ল'ব লগা গৈছে। প্লেনিং কমিশ্যনৰ লগত আলোচনা হোৱাৰ পিছত এই সম্পৰ্কে ব্যৱস্থা ল'ম। সদনত আৰ্টিক'ল ১০৫ মতে এই সম্পৰ্কত কোনো কথা নাই। যিহেতু সংবিধান সকলোৰে উৰ্দ্ধত, এই সংবিধান অনুসৰি সদনত ভোট অন একাউন্টচ পাচ মাহৰ কাৰণে উত্থাপন কৰা হৈছে। বিৰোধী পক্ষ ২-১ এজন সদস্যই কমেণ্ট দিছে যে সংবিধানত কোনো লিমিট ধৰি দিয়া নাই, এমাহ বা ২৫ দিনৰ কাৰণেও ভোট অন একাউন্টচ্ আনিব পাৰি কিন্তু যিহেতু প্লেনিং কমিশ্যনৰ লগত আলোচনা হোৱা নাই, সেই কাৰণে ভোট অন একাডন্টচ্ ৫ মাহৰ কাৰণে উত্থাপন কৰা হৈছে আৰু মাননীয় সদস্যসকলক অনুমোদন জনাবলৈ অনুৰোধ জনাইছো।

* **Shri Holiram Terang** : We want to have discussion on it.

* **Shri Hemen Das** : Here the practice is, at the introduction stage discussion can be held. But it is seldom done here because the discussions are done at the last stage. Here consideration can be held on 2 (C).

Mr. Speaker : It the Hon'ble member desire as per procedure that can be discussed.

* শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, ভোট অন একাউন্টচ্ৰ ওপৰত আলোচনাৰ প্ৰসংগত মই দুটামান গুৰুত্বপূৰ্ণ কথা ক'ব বিচাৰিছো, সেইটো হৈছে এই শিতানত নং ২৭ত — অসমৰ ৰাজধানী নিৰ্মাণৰ কথা। প্ৰতি বছৰেই বাজেট আহে আৰু

* Speech not corrected

অসমৰ স্থানী ৰাজধানী নিৰ্মাণৰ কথাটো নিস্পত্তি নোহোৱাকৈ ৰৈ যায়। শ্বিলঙৰ পৰা ৰাজধানী ভৈয়ামলৈ নমাই অনা আজি বহুদিনেই হ'ল কিন্তু আজিলৈকে আমাৰ এখন স্থায়ী ৰাজধানী নিৰ্মাণ হৈ নুঠিল। অথচ ৰাজধানী নিৰ্মাণ কমিটী এটা আমাৰ আছে। সদনত এই বিষয় বহুবাৰ আলোচনা হৈছে কিন্তু আজিলৈকে এই বিষয়টো হৈ নুঠিল। বৰ্তমান য'ত আমাৰ বিধান সভা চলি আছে, য'ত আমাৰ মাননীয় অধ্যক্ষকে ধৰি মুখ্যমন্ত্ৰী আৰু সচিব আছে এই কাৰ্য্যালয়টো এটা টি-ওৱেৰ হাউচ আছিল, এটা গুদাম ঘৰ। আজি য'ত বহি আমি দেশ তথা সমগ্ৰ ৰাজ্যখনৰ জনসাধাৰণৰ কল্যাণৰ বাবে আলোচনা বিলোচনা কৰো তাৰেই অৱস্থা এনে ধৰণৰ, গৰমত এই গুদাম ঘৰটোত ক্ষন্তেক সময়ো বহি থাকিব নোৱাৰি। প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই তেতিয়া ততাতয়াকৈ ৰাজধানীখন ভৈয়ামলৈ নমাই আনিছিল কিন্তু আজি ইমান বছৰ পাৰ হ'ল আমি এখন স্থানী ৰাজধানী নিৰ্মাণ কৰি উলিয়াব নোৱাৰিলো ফলত অতি কষ্টৰে কাম কৰিব লগীয়া হৈছো। ইতিমধ্যে কেবা ঠাইতো স্থায়ী ৰাজধানীৰ কাৰণে ঠাই নিৰ্বাচন কৰি কলিয়াবৰ, চন্দ্ৰপুৰ ইত্যাদি ঠাইত আধাৰশিলাও স্থাপন কৰা হ'ল কিন্তু ৰাজধানী নিৰ্মাণৰ কোনো ব্যৱস্থা নহ'ল। ইয়াৰ আগতেও বিধান সভা সচিবালয়ৰ নিচেই কাষতে থকা মুকলি ঠাইখিনিত বিধান সভা সচিবালয়ৰ স্থায়ী সচিবালয়ৰ ভৱন নিৰ্মাণৰ কাৰণে প্ৰাক্তন অধ্যক্ষ জীৱকান্ত গগৈ ডাঙৰীয়াই আধাৰশিলা স্থাপন কৰিছিল আৰু তাত বৰ ডাঙৰ ফাংশ্যনো হৈছিল কিন্তু স্থায়ী ভৱন হৈ নুঠিল। ঠিক সেইদৰে স্থায়ী ৰাজধানীও নিৰ্মাণ নহ'ল। অথচ আজি যিটো গুদাম ঘৰত সোমাব নোৱাৰি, গৰমত ইমান কষ্ট হয় তাতে বহি অসমৰ ৰাইজৰ ভাগ্য নিয়ন্ত্ৰণ কৰা হৈছে আৰু এইখিনি কামকে যদি আমি কৰি উলিয়াব নোৱাৰো তেতিয়াহলে ৰাইজৰ কাম কেনেকৈ কৰিম। গতিকেই ৰাজ্যখনৰ সৰ্ব্বাংগীন উন্নতিৰ কাৰণে আমাৰ এখন স্থায়ী ৰাজধানী অতি সোনকালে নিৰ্মাণ কৰি উলিয়াব লাগে আৰু ইয়াৰ কাৰণে আমি ঠাই বিচাৰি হাবাথুৰি খাই ফুৰাৰ প্ৰয়োজন নাই, গুৱাহাটীতে এই স্থায়ী ৰাজধানী নিৰ্মাণৰ ব্যৱস্থা অতি সোনকালে হাতত ল'ব লাগে। এই বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰিব বুলি আশা কৰিলো।

মাননীয় অধ্যক্ষ ঃ ৰাজ্যপালৰ ভাষণৰ ওপৰত এই বিষয়ে আলোচনা কৰা হলে ভাল আছিল, কিন্তু ভোট অন একাউন্টচ্ৰ ক্ষেত্ৰত স্পেছিফিক বিষয়টোৰ ওপৰতহে আলোচনা কৰিব পাৰি।

* শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ ভোট অন একাউণ্টৰ এটা আৰ্টিক'লত ইয়াৰ এটা প্ৰভিজন থকাৰ কাৰণেহে এই বিষয়ে উত্থাপন কৰা হৈছে।

* **Dr. Zoii Nath Sarma (Minister, Revenue) :** Sir, our Rule 152 says, "the debate on the supplementary grants shall be continued to the items constituitng the same and no discussion may be raised on the original grants nor policy underlying them save in so far as it may be necessary to explain or illustrate the particular items under discussion." So Grants shall not be discussed now.

* শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ মাননীয় সদস্য গৰাকীক ধন্যবাদ জনাইছো, এই বিষয়টো সৰু-সুৰা আলোচনা নহয়, এইটো এটা পলিচিমেটাৰ, ইয়াত এডমিনিষ্ট্ৰেটিভ পলিচিৰ কথা আছে।

**Mr. Speaker :** Now, I put the motion before the House, The motion is that, "In pursuance of Article 206 of the constitution of India, the Assam Legislative Assembly is being requested to vote five months Supply for the months of August to December, 1996 as shown in the attached schedule pending consideration and passing of the Demand for the full year. Broadly, the provisions represent the estimated requirements of gross expenditure during the months of August to December, 1996".

* Speech not corrected

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The motion is passed.

Now item No. 2(a) Chief Minister is to move.

**Shri Prafulla Kumar Mahanta,** (Chief Minister) : Hon'ble Speaker Sir, I beg leave to introduce "The Assam Appropriation (second vote on Account) bill, 1996."

**Mr. Speaker :** Is it the pleasure of the House to grant leave to introduce the Bill?

(leave is granted)

There is a message from the Governor of Assam.

**ORDER**

Raj Bhawan
Gauhati

Under the provision of Article 207(i) of the constitution of India, I Loknath Misra, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Appropriation (second vote on account) bill 1996."

Sd/ Laknath Misra
Governor of Assam

Now, Hon'ble Chief Minister to introduce the bill.

**Shri Prafulla Kumar Mahanta** (Chief Minister) : I beg to introduce "The Assam Appropriation (second vote on Account) bill. 1996.

The Secretary (Assam Legislative Assembly) : The Bill introduce is "The Assam Appropriation (second vote on Account) bill. 1996.

**Mr. Speaker** : Item No. 2 (b). There is a message from the Governor of Assam.

Under the provision of Article 207 (3) of the Constitution of India, I Loknath Misra, Governor of Assam, recommend that the Assam Appropriation (second vote of Account) bill, 1996 be taken into consideration by the Assam Legislative Assembly.

Now, Hon'ble Chief Minister to move.

* **Shri Prafulla Kumar Mahanta** (Chief Minister) : Hon'ble Speaker, Sir, I beg to move that "The Assam Appropriation (Second vote on Account) bill, 1996 be taken into condideration.

* **Shri Holiram Terang** : We do not have much to say on Vote on Account but in this consideration stage, I would like to point out a few things to the Hon'ble Chief Minister who is in-charge of Finance. Sir, this august House the last House has passed, unanimously adopted or passed mou between the Government of Assam and Movement Organisation of the Hills and also a constitutional amendment has been made amending the six schedule by which some financial powers have also been delegated to the Councils of North Cachar Hills and Karbi Anglong. Sir, in the budget there is a separate

---

* Speech not corrected

section called the Scheduled Areas and also separate bedgets are made for Karbi Anglong and North Cachar Hills. In the previous bedget there is a head called the common outlay that means under that head the Government of Assam can spend the amount for both the districts i.e. Karbi Anglong and N. C. Hills. I do no know whether the government has the intention of really bifurcating this way. If the common outlay remains then even if the Government of Assam would like to delegate the executive powers to both the councils still then this financial problem will remain. Therefore, I would like to request the Chief Minister to sort out this anomaly therwise there will be constitutional and legal problem also. This is what I would like to suggest.

**শ্ৰীহেমেন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিনিয়োজন বিল সম্পৰ্কে দুটামান কথা ক'বলৈ বিচাৰিছো। প্ৰথম কথা হৈছে ৰাজ্যপাল মহোদয়ৰ ভাষণত এটা কথা পৰিষ্কাৰ ভাৱে কোৱা হৈছে অৰ্থনীতিৰ লগত খাপ খোৱাকৈ আমি চলিব শিকিব লগা হৈছে। যি টকা খৰচ কৰাৰ কাৰণে চৰকাৰে অনুমোদন জনায় সেই টকা কেইটা খৰচ কৰোতে আমি খুউব ভাবি-চিন্তি হিচাপ-নিকাচ কৰি চলো, প্ৰয়োজনীয় বস্তু কিনো, কিন্তু অপ্ৰয়োজনীয় বস্তু কিনোনে? ধৰক আপুনি নিজৰ টকাৰে ঘৰত ঘৰত ভাল চেয়াৰ কিনি লৈছে, দ্বিতীয় মাহৰ দৰমহা পাই আকৌ তাতকৈ এখন ভাল চেয়াৰ কিনিবনে? অৰ্থনৈতিক অৱস্থা যদি বেয়া হয় তেতিয়া কিছুমান খৰচ কমাব লাগিব। যিবিলাক খৰচ নকৰিলে চলে সেইবিলাক খৰচৰ পৰা আঁতৰি থাকিব লাগিব। যদি অতীতত চৰকাৰে খৰচ কৰোতে কিবা ভুল কৰিছিল তাক যদি আঙুলিয়াই দিয়া হয় তেতিয়া চৰকাৰে সাৱধানতা অৱলম্বন কৰা উচিত বুলি মই ভাবো।

অধ্যক্ষ মহোদয়, যোৱা দুটা বছৰ অসমৰ মানুহ খুব নিৰ্য্যাতিত হৈছিল। মই নিৰ্বাচিত হোৱাৰ পিছত দুজন ল'ৰাই আহি ক'লে আপুনি যাওকগৈ।

আজি অসমৰ মানুহে ডাবুল গুটিৰ পাক চক্ৰত পৰিছে। গতিকে মই চৰকাৰক অনুৰোধ কৰিছো এই ডাবুল গুটিৰ পাকচক্ৰৰ পৰা অসমক ৰক্ষা কৰক। আজি গণেশগুৰি চাৰিআলিত ভাল কিতাপৰ দোকান এখন পাবলৈ নাই, আমি ইয়াত সকলোৰে থাকোঁ, মন্ত্ৰী বিধায়ক আদি কৰি বহুতো থাকো। কিন্তু এখন ভাল কিতাপ দোকান নাপায়। তাৰ বাবে যাব লাগে পাণ বজাৰত। কিন্তু অধ্যক্ষ মহোদয়, ইয়াত মদৰ দোকান যথেষ্ঠ পোৱা যায়। মোৰ সমষ্টি বৰপেটা সৰু ঠাই, তাত পাঁচখন মদৰ দোকান হৈছে। এই দুষ্কৃতিকাৰীৰ পৰা যাতে ৰক্ষা পোৱা যায় তাৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৬ চনৰ বিনিয়োজন বিলৰ অধীনত আমাৰ মাননীয় বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী মহোদয়ে যি দাবী উত্থাপন কৰিছে সেই সম্পৰ্কত মই কেইটামান পৰামৰ্শ দিব বিচাৰিছো। ইতিমধ্যে আমাৰ ৰাজ্যপালৰ ভাষণত উত্থাপন কৰা হৈছে যে অসমৰ বিত্তীয় সমস্যা অতি জটিল। এই জটিল বিত্তীয় পৰিস্থিতিৰ সন্ধিক্ষণত আমাৰ চৰকাৰৰ কিছু কৰিবলগীয়া আছে। আমাৰ বিত্তীয় শৃংখলাতো যাতে কটকটীয়াকৈ ধৰি ৰাখিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে আৰু লগতে আমাৰ চৰকাৰৰ ঘৰলৈ যিবিলাক কৰ আহে তাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগে। আমি দেখিছোঁ যে আমাৰ ধেমাজি জিলাখনে প্ৰতি ১০ লাখ টকা কৰ দিব লাগে। কিন্তু মই জানিব পৰা মতে যোৱা মাহত মাত্ৰ ডেৰ লাখ টকাহে কৰ পঠিয়াইছে। কি কাৰণত ১০ লাখ টকাৰ পৰিবৰ্তে ডেৰলাখ পঠিয়াইছে সেইটো চাব লাগে। মই জনা মতে বিভাগীয় বিষয়াৰ হেমাহিৰ কাৰণে এইটো হৈছে। তেওঁলোকে কৰ আদায় ভালদৰে নকৰা বুলি জানিব পাৰিছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বিষয়ে গুৰুত্বপূৰ্ণভাবে চাব লাগে আৰু নিৰ্দেশ দিব লাগে যাতে ১০ লাখ টকা সম্পূৰ্ণভাৱে আদায় কৰিব পাৰে। লগতে অন্যান্য জিলা বিলাকতো কৰ সংগ্ৰহ যাতে ঠিক মতে কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। ইতিমধ্যে আমাৰ মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই মদৰ দোকানৰ সংক্ৰান্ত কৈয়েই গৈছে। গোটেই ৩৩৪ খন পাৰ্মিট দিয়া হ'ল। এই দোকানবিলাকৰ পৰা ৭০ কৌটি ৰাজহ আহে আৰু মদাহীৰ সংখ্যা বাঢ়িছে। এই কথাটো প্ৰয়াত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল। ধেমাজিৰ নিচিনা চহৰতো মদাহীৰ সংখ্যা বৃদ্ধি হৈছে আৰু ইয়াতো

কেইবাখনো মদৰ দোকান আছে। যিখন ঠাইত বানপানীৰ উপৰিও অন্যান্য সমস্যা সমূহ আছে, য'ত খাবলৈ ভাত নাই তাত এইবিলাক কৰাতো ভাল হোৱা নাই।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ইয়াত প্ৰয়াত মাননীয় মুখ্যমন্ত্ৰীয়ে মদাহীৰ সংখ্যাত বঢ়া বুলি কোৱা কথাটো যদি প্ৰচিডিঙত দেখুৱাব পাৰে তেতিয়াহ'লে ভাল পাম। যি কথা কোৱা নাই সেই কথাটো ক'ব নেলাগে।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো সেই সময়ৰ কংগ্ৰেছ সদস্য মহেন্দ্ৰ বৰাৰ আছিল। এই কথাটো বাতৰি ককাততো প্ৰকাশ পাইছিল। এই কথাটোত মই চেলেঞ্জ কৰিছো। এই বিলাক কাৰণতেই আৰু মদৰ দোকান বেছি হোৱাৰ কাৰণেই স্বামী-স্ত্ৰীৰ মাজত মাৰপিট হৈছে, চুৰি ডকাইটি হৈছে, ঘৰ-সংসাৰ নষ্ট হৈছে। সমাজত বিশৃংখলতাৰ সৃষ্টি হৈছে আৰু বিশেষকৈ যুৱ সমাজ ধ্বংস হৈ গৈছে। হাৰিয়ানাৰ মুখ্যমন্ত্ৰী বংশীলাল ডাঙৰীয়াই মদৰ প্ৰচলন বন্ধ কৰাৰ ব্যৱস্থা লৈছে। অসমতো আমাৰ চৰকাৰে এই মদৰ প্ৰচলন বন্ধ কৰাৰ বাবে কিবা ব্যৱস্থা ল'ব নোৱাৰে তেতিয়া হ'লে আমাৰ যিবিলাক ডেকা ল'ৰা বা যুৱক আছে তেওঁলোকৰ যথেষ্ট ক্ষতি হ'ব আৰু ভৱিষ্যতেও ই সমাজৰ কাৰণে ক্ষতিকাৰক হৈ উঠিব। এই সমস্যাবিলাক সমাধান কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয় ডাঙৰীয়া, এইখিনিতে মই আমাৰ আগৰ চৰকাৰৰ দিনত যিখন হেলিকেপ্টাৰ কিনা হৈছিল সেই সম্পৰ্কে কব বিচাৰিছো। আজি বাতৰি কাকতত প্ৰকাশ পোৱা মতে হেলিকেপ্টাৰখন ভালুকৰ সাঙী হোৱা বুলি গম পাইছো। হেলিকেপ্টাৰখন কি পৰ্য্যায়ত আছে আৰু তাৰ কাৰণে কিমান টকা খৰচ কৰা হ'ল তাৰ বিচাৰ হ'ব লাগে। হেলিকেপ্টাৰৰ কাৰণে ১৬ কৌটিৰো অধিক টকা খৰচ কৰা হৈছে বুলি জানিব পৰা গৈছে। ইয়াৰ উপৰিও পাৰ্টচ্ বেয়া হ'লে বাহিৰৰ পৰা পাৰ্টচ্ আনিব লাগিব। গতিকে এই হেলিকেপ্টাৰখন আমাৰ চৰকাৰে বিক্ৰী কৰাৰ ব্যৱস্থা কৰিব লাগে। মই বিশেষকৈ এই কেইটা বিষয়ৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰীৰ ওচৰত দাবী জনাইছো। আমাৰ যাতে বিত্তীয় পৰিস্থিতি ভাল হয়, বিত্তীয় শৃংখলা যাতে ভালধৰণে ৰাখিব পৰা যায় তাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

* Speech not corrected

* **শ্ৰী ভৃগু কুমাৰ ফুকন ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত ইতিমধ্যে যোৱা চৰকাৰৰ দিনত হোৱা বিত্তীয় খেলি মেলিৰ বিষয়ে উত্থাপন কৰা হৈছে। এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখি যোৱা চৰকাৰৰ দিনত প্লেনিঙৰ টকা নন প্লেনত যেনেদৰে খৰচ কৰা হ'ল সেইটো যাতে আমাৰ চৰকাৰৰ দিনত নহয় তাৰ প্ৰতি দৃষ্টি ৰখাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো।

* **শ্বেখ আব্দুল হামিদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ১৯৯৬ চনৰ যিখন লেখানুদান আনিছে তাক মই সমৰ্থন কৰিছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অহা পাঁচ মাহৰ কাৰণে দুই হাজাৰ চাৰিশ চল্লিশ কৌটি পোন্ধৰ লাখ দুই হাজাৰ টকাৰ যি লেখানুদান আনিছে তাক আজি সদনে অনুমোদন জনাব। চাৰ, ইয়াত বহুখিনি আইটেমৰ কথা কোৱা হৈছে যদিও এটা আইটেম নোপোৱাৰ কাৰণে ক'বলগীয়া হৈছে। ৰাজ্যপালৰ ভাষণত অসমৰ চৰ অঞ্চলত উন্নয়ন কৰা হ'ব বুলি কোৱা হৈছে। আমাৰ চৰ উন্নয়ন কৰ্তৃপক্ষ যিটো আছে মই জনা মতে চৰকাৰে তাৰ কাৰণে এক কৌটি ১০ লাখ টকা ধাৰ্য্য কৰিছে। এই চৰ অঞ্চলবিলাকত গোটেই অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে প্ৰায় ৩০ লাখ মানুহ বসবাস কৰি আছে। চৰ উন্নয়ন কৰ্তৃপক্ষৰ পাঁচটা চাৰ্ভিচ চেণ্টাৰ আছে আৰু ইয়াৰ মেইনটেনেন্সৰ খৰচেই হয় প্ৰায় যাঠি সত্তৰ লাখ টকা।

মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে শুনিলে আচৰিত হ'ব যে চৰ অঞ্চলত বসবাস কৰা প্ৰায় ২০ লাখ মানুহ আছে? সেই লোকসকলক চৰকাৰৰ আঁচনিমতে ঠেলা, ৰিক্সা আৰু কেইটামান ছাগলী দিবৰ কাৰণে আগৰ চৰকাৰক অনুৰোধ কৰা হৈছিল। এতিয়াও মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো অন্তঃত নতুন চৰকাৰে এই সুবিধাখিনি দিব বুলি আমি আশা ৰাখিছো। মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ ভিতৰুৱা অঞ্চলত সোমাব নোৱৰা অৱস্থা। ৰাস্তা-ঘাট নাই। বাৰিষা যাব নোৱাৰি। সেই কাৰণে টকাখিনি সোনকালে মোকলাই দি ৰাস্তা-ঘাটবিলাক কৰি দিয়ে। মই যেতিয়া সমষ্টিলৈ যাম তেতিয়া ৰাইজে মোক ধৰিব ৰাইজে ক'ব আপোনালোকে এদিন বা দুদিনহে আমাৰ ইয়ালৈ আহিব কিন্তু আমি সদায়ে এনেদৰে অহা-যোৱা কৰি থাকিব লাগিব। গতিকে

* Speech not corrected

যাতায়তৰ সুবিধাৰ কাৰণে যিখন পিচ বোৰ্ড কমিটী আছে সেই বোৰ্ডক অনুৰোধ জনাবৰ কাৰণে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

* **শ্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, ভোট অন একাউণ্টচ্‌ত চকু ফুৰাওতে তাত হেড, বাই হেডত টকা আবণ্টন ধৰা দেখা গ'ল। কিন্তু দুখ লাগে বি, এ, চিৰ কাৰণে কোনো টকা ধৰা দেখা নগ'ল। গতিকে অধ্যক্ষ মহোদয়, আগেয়ে যি ধৰণে টকা আবণ্টন দিয়া হৈছিল তেনেকৈ এতিয়াও ধন আবণ্টন দিয়াৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো। ধন আবণ্টন নকৰিলে বি, এ, চিৰ এৰেঞ্জমেণ্ট নুই কৰিম। বি এ চিৰ এৰেঞ্জমেণ্ট কনট্ৰোল অসম চৰকাৰে কৰিব নে বি এ চি এডমিনিট্ৰেটিভে কৰিব। সেই কাৰণে মই দুখেৰে অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। ইৰিগেশ্যনৰ কাৰণেও ধন আবণ্টন কৰা দেখা গৈছে। কিন্তু আমাৰ বি, এ, চি এলেকাটো দুখ লগা কথা। পূৰ্ব চৰকাৰৰ দিনত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছিল যদিও আমাৰ ৰাইজে খেতি-পথাৰত খেতি কৰিবৰ কাৰণে পানী নাপালে। আগৰ চৰকাৰে ইৰিগেশ্যনৰ হেডত টকাৰ আবণ্টন ধৰি বি, এ, চিৰ কাৰণে টকা আদায় নকৰি বেলেগ বেলেগ ঠাইত টকা খৰচ কৰিছে। ট্ৰাইবেল লোকসকলে খেতিৰ ওপৰত নিৰ্ভৰ কৰে কিন্তু খেতি কৰিবৰ কাৰণে পানী নাপায়। গতিকে ট্ৰাইবেল মানুহখিনিক খেতি-বাতি কৰিবৰ কাৰণে পানী যোগান ধৰিবৰ কাৰণে অনুৰোধ কৰিছো। এইখিনিকে কৈ মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ** ঃৰাজ্যপালৰ ভাষণৰ ওপৰত চমুকৈ বক্তব্য দাঙি ধৰিলে ভাল হয়।

* **শ্ৰী মুনীন মহন্ত** ঃ মাননীয় অধ্যক্ষ মহোদয়, ভোট অন একাউণ্টচ্‌ত বিভিন্ন শিতানত যিবিলাক ধন ধাৰ্য্য কৰা হৈছে তাৰে দুটামান কথা মই কব বিচাৰিছো। ২৬ নং গ্ৰাণ্ট মঞ্জুৰী শিক্ষা বিভাগত ধন মঞ্জুৰী দিয়া হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ জৰিয়তে আবেদন জনাইছো যে শিক্ষা বিভাগৰ এম, ই আৰু এম, ই মাদ্ৰাছা বিদ্যালয়সমূহৰ কিছু ক্ষেত্ৰত ৬ আৰু ৭ নং বাদে প্ৰভিন্সিয়েলাইজৰ শিক্ষকৰ ক্ষেত্ৰত কিছু চান কাঢ়ি ৰখা হৈছিল। সেই শিক্ষকসকলৰ সমস্যা সমাধান কৰিবৰ কাৰণে

* Speech not corrected

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। লগতে ট্ৰাইবেল স্কুলসমূহত প্ৰভিন্সিয়েলাইজ কৰিবৰ কাৰণে প্ৰতিশ্ৰুতি দিয়া আছে ধনৰ অভাৱৰ কাৰণে কৰিব পৰা নাই। অতি সোনকালে ইয়াৰ ব্যৱস্থা ল'ব বুলি মই আশা ৰাখিছো। গ্ৰাণ্ট নং ৬৪ যি সকল লোকে মাষ্টাৰ ৰোলত কাম কৰি আছে তেওঁলোকে পাব লগীয়া নিম্নতম মজুৰীখিনিও পোৱা নাই। বহুত ডিভিজনত এৰিয়াৰ হৈ থকা ধন মুকলি কৰি দিয়া নাই। সেইখিনি কৰি দিব বুলি মই আশা ৰাখিছো। বান নিয়ন্ত্ৰণৰ বিষয়ে কব বিচাৰিছো, বান নিয়ন্ত্ৰণ বিভাগত যি ধন আবণ্টন হৈছে সেই ধনেৰে বানপীড়িত অঞ্চল বিলাকত কাম কৰাৰ ব্যৱস্থা কৰিব লাগে। মৌৰা চৰ, মদাখাইটী আদি অঞ্চলত ব্যৱস্থা লব লাগে। মৰিগাও টাউন অঞ্চলৰ কাৰণে ধন আবণ্টন দি সহায় কৰিবৰ কাৰণে মই অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ ঃ ৰাজ্যপালৰ ভাৰষণৰ ওপৰতহে আলোচনা চলিব লাগে।

* শ্ৰী মুনীন মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাইজৰ সেৱা কৰা হোমগাৰ্ডবিলাকৰ দৈনিক মজুৰী অতি নিম্ন যদিও সেইখিনিও তেওঁলোকে সময়মতে নাপায়। তেওঁলোকৰ দৰ্ম্মহাখিনি নিয়মিতৰূপে পাবৰ কাৰণে মহোয়ৰ দৃষ্টি আকৰ্ষণ কৰি মই বিনিয়োজন বিলখন সমৰ্থন জনাই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো।

* **Shri Debanand Konwar** : Mr. Speaker Sir, the Vote on Account has already been passed and money will be spent accordingly. I would like to make a few points in the interest of the State.

Sir, Hon'ble Chief Minister is also the finance Minister of the State and he is himself taking up the heavy burden and responsibility of financial crunch. Now the Finance Minister of the State will have to laid down the priority of the expenditure. I will humbly suggest that top priority may kindly be given for relief and rehabilitation fit strike people of Assam viz.

* Speech not corrected

Kokrajhar and Bongaigain Districts and also Merapani and the border area of Golaghat District.

Secondly, I suggest to the Hon'ble Chief Minister and Finance Minister to release the rural development fund because rural development is the only development which is taking place in an appreciable manner in the State. Sir, if the development process in the rural areas comes to a halt it will be a total stagnation. Therefore, I will suggest that with vigilant care the money should be reasonably released, so that development process is not brought to a halt.

Thirdly, I am at with the Hon'ble Member Shri Phukan who said that a lot of financial anomalies are committed, Sir, for this diversion of plan fund to non-plan development department/head, there has been a total stagnation in the economy of the State. Sir, plan development departments are rich sons of the Government. There are stagnation, dificulties and financial crunch in non-plan development department and to tied over the situation, diversion of plan fund to non plan fund is not the answer. The answer will be that the state Govt. must take measures for mobilisation of state's own resources.

Fourthly, I request Hon'ble Chief Minister and Finance Minister to take up the matter with the Central Government for obtaining special grant with respect to the expense to be included for tackling the insurgency expenses. Although it is a fact that the law and order is the responsibility of

* Speech not corrected

the State Government and the State Government will have to take the burden, financial burden for maintaining the law and order situation, but insurgency is not just ordinary law and order situation and to tackle the difficult situation, particularly in Assam where various extremist organisations are functioning. In order to tackle these organisations, Finance Commission of the Government of India be suitably recommended for special grant to be given to the State at the earliest. If I remember they have recommended special grant to be given to Punjab, I am not sure whether they have recommended any such special grant to the Government of Assam. This matter may be taken up with the Government of India. Because we had a discussion on this with the then Deputy Chairman of the planning commission and he was also agreeable on the situation. The expenditure of the ordinary law and order is the responsibility of the State. No doubt insurgency is also creating bigger expenses, because insurgency are to be tackled with at various level and call for various level and call for various expenditure, which State Government cannot foresee. So the Government of India must share, and I am sure they are agreeable to share the problem of insurgency and problem of tackling these extremist forces in Punjab, Assam and other North Eastern States.

With these few words I request the present Government to take up the matter with the Government of India for obtaining due share from the Government of India.

---

* Speech not corrected

* **শ্ৰী গৌতম ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বেছি কথা নকওঁ ৰোৰেল ডেভেলপমেণ্টৰ ওপৰত দুটা কথা কব বিচাৰিছো। আমাৰ গ্ৰামোন্নয়নৰ নানা আঁচনিত যিখিনি টকা কেন্দ্ৰৰ পৰা আহে সেই টকাখিনি সঠিকভাবে খৰচ কৰি কামবিলাক কৰাৰ বাবে ব্যৱস্থা কৰিব লাগে। প্ৰথম কিস্তিৰ টকাখিনি সময়মতে খৰচ কৰিব নোৱাৰিলে দ্বিতীয় কিস্তিৰ টকাখিনি আপোনালোকে নাপাব। আগৰ যিসকল বিষয়া কৰ্মচাৰীয়ে দুৰ্নীতি কৰিছে, তেওঁলোকক শাস্তি দিয়ক। তাত আমাৰ কবলগীয়া নাই। কিন্তু কামখিনি সোনকালে কৰিব লাগে। মোৰ মতে কথা কম' কাম বেছি হ'ব লাগে। আমাৰ কিছুমান সদস্যই ডাঙৰ কথা কৈ বাতৰি কাকতত প্ৰকাশ কৰে কিন্তু কামত একো নাই। মই এনে প্ৰচাৰ ভাল নাপাও মোক কামহে লাগে। আমাৰ নতুন মুখ্যমন্ত্ৰীক দিল্লীত ভাল পায় গতিকে তেখেতে নিশ্চয় কেন্দ্ৰৰ পৰা টকা আনিব পাৰিব। আমিও দিল্লীলৈ গৈ প্ৰধানমন্ত্ৰীক লগ ধৰি টকা অনাৰ ব্যৱস্থা কৰিছিলো। আমাৰ লগত ডাঙৰ ডাঙৰ আই এ এচ বিষয়া সকলো আছিল। আমাৰ ই, এ, এচ ব্লকৰ বাবে যি এক কোটিকৈ টকা দিয়ে সেই টকাখিনি আনি সোনকালে কামবিলাক কৰি পেলাবলৈ আমাৰ মুখ্যমন্ত্ৰী তথা বন্ধু মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। মোৰ বক্তব্যৰ সামৰণি আগতে আৰু এটা কথা কব খুজিছো, আমি কেন্দ্ৰীয় চৰকাৰক ১০০ টা ই, এ, এচ, ব্লকৰ বাবে লিখিছিলো কিন্তু আমাক ৭২ টাহে দিলে। বাকী থকা ব্লকখিনিও অনাৰ বাবে আমাৰ মুখ্যমন্ত্ৰীয়ে ব্যৱস্থা কৰিব লাগে।

* **শ্ৰী ডেৰহাগ্ৰা মুছাহাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুআষাৰমান কথা কব বিচাৰিছো। আমাৰ বি, এ, চিৰ কাৰণে ইয়াত কোনো প্ৰভিজন নাই। আমাৰ বি, এ, চি এলেকাত যি গোষ্ঠীগত সংঘৰ্ষ হ'ল তাত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ প্ৰতি আমাৰ বি, এ, চিৰ এটা দায়িত্ব আছে। গতিকে এই বিষয়ত এটা ব্যৱস্থা লবৰ বাবে আবেদন জনাইছো। তাৰোপৰি আমাৰ ৰাইজৰ কাৰণে জলসিঞ্চন ব্যৱস্থাত বেছি গুৰুত্ব দিব লাগে। ভাল খেতিয়কসকলৰ অৱস্থা ভাল হব। ইয়াতে এটা কথা কব খুজিছো। মোৰ সমষ্টিত ভূটান চৰকাৰক খাজনা দিওঁ পানী পোৱা নাই। অসম চৰকাৰে ভূটান চৰকাৰৰ লগত আলোচনা নকৰাৰ বাবেই পানী দিয়া নাই। তাৰ ফলত মোৰ সমষ্টিত

* Speech not corrected

পানী যোগানক লৈ ভুটীয়াসকলৰ লগত মাৰপিট হৈছে। এই বিষয়ত আমাৰ চৰকাৰে ব্যৱস্থা লব লাগে। আগৰ চৰকাৰক আমি অনুৰোধ কৰিছিলো কিন্তু তেওঁলোকে একো ব্যৱস্থা নললে। আমাৰ ইয়াৰ শতকৰা ৯০ ভাগেই কৃষক। খেতিৰ বাহিৰে আমাৰ খেতিয়কসকলৰ জীৱিকা নিৰ্বাহৰ বেলেগ কোনো ব্যৱস্থা নাই। তাৰোপৰি আমাৰ খেতিয়কসকলৰ নিজৰ নামত পট্টাৰ মাটি নাই গতিকে তেওঁলোকে বেংকৰ ঋণ আদি লোৱাৰো সুবিধা নাই। তাৰোপৰি খেতিয়কসকলৰ নামত মাটি নোহোৱাৰ বাবে আমাৰ চৰকাৰে বহুখিনি ৰাজহো হেৰুৱাব লগা হৈছে। গতিকে এইবিলাক বিষয়ত চকু দিবৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **শ্ৰী পৃথিবী মাঝি** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিনিয়োজন বিলৰ সম্পৰ্কত দুটামান কথা দাঙি ধৰিব বিচাৰিছো। অনুসূচীত জাতি আৰু জনজাতিৰ কল্যাণৰ কাৰণে যিটো টকা দিয়া হৈছে ই অতি কম। টি আৰু এক্স-টি ওৱেলফেয়াৰৰ কাৰণে অতি নগণ্য টকা দিয়া হয়। ইয়াকে পূৰ্ণাংগ সঞ্চালকালয় কৰিবৰ কাৰণে ব্যৱস্থাৰ কথা কোৱা হৈছে এইটো পূৰ্ণাংগ সঞ্চালকালয় কৰি টি আৰু এক্স টিগাৰ্ডেন ওৱেলফেয়াৰ আৰু অবিচিৰ কাৰণে পৃথকভাৱে শিতানত ধৰিব লাগে। ইয়াত মাত্ৰ ৫০-৬০ লাখ টকা এলটমেণ্ট হয়। কালি শ্ৰী তাতীয়ে কৈছে শ্ৰম বিভাগটোক অৱহেলা কৰা হয়। এই বিভাগটোৰ টকাৰ এলটমেণ্ট দি অধিক কাৰ্য্যক্ষম কৰি তুলিবৰ বাবে পৰামৰ্শ আগবঢ়ালো। শ্ৰম বিভাগ আৰু অবিচি ডিৰেক্টৰেটৰ টকা ধৰিব লাগে। চাহ জনগোষ্ঠীৰ কল্যাণৰ কাৰণে নিজৰ কণ্ট্ৰিবিউচনত গঢ়ি উঠা টি এমপ্লয়িজ ওৱেলফেয়াৰ বোৰ্ড নামে এটা সংগঠন আছে। কিন্তু এই সংগঠনটোৱে মালিক পক্ষৰ পৰা সময়মতে অংশটো নাপায়। ফলত ওৱেলফেয়াৰ চেণ্টাৰবিলাকৰ কাম কৰাত অসুবিধা হয়। এই চেণ্টাৰবিলাকৰ কৰ্মচাৰীসকলে দৰ্ম্মহা পোৱা নাই আৰু চেণ্টাৰবিলাকৰ কাম-কাজ হোৱা নাই। এই কথাখিনি মই বিত্তীয়মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিলো।

* **শ্ৰীমহেন্দ্ৰমোহন ৰায়** চৌধুৰী ঃ অধ্যক্ষ মহোদয়, মই বিত্ত অধিনিয়মৰ সম্পৰ্কত এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো। শ্ৰীমতী প্ৰমিলা ব্ৰহ্মাই কৈছে যে বি, এ, চি এলেকাৰ বাবে টকা ধৰা নাই। এই বিষয়ত টকা ধৰিব লাগে যাতে পিচপৰা জনজাতি

* Speech not corrected

অঞ্চলটোৰ উন্নতিৰ ক্ষেত্ৰত আগবাঢ়িব পাৰে। ৬৪ নং পথ আৰু দলং শিতানত অলপ কৰ বিচাৰিছো। বিগত সময়চোৱাত দলং কৰা নহ'ল। সৌভাগ্যক্ৰমে গড়কাপ্তানী মন্ত্ৰী আমাৰ মংগলদৈৰ আছিল। নিম্নমানৰ কাঠেৰে দলংবিলাক কৰাৰ কাৰণে ছয় মাহত শেষ হৈ গ'ল। এতিয়া ঠিকাদাৰসকলে লাখ লাখ কোটি কোটি টকা পাব। এতিয়া যি ৫০ কোটি টকা ধৰিছে সেইখিনি পূৰণা বিল দিওঁতে শেষ হ'ব। গতিকে আগৰ বিলবিলাক নিদি নুতন কাম কৰিব লাগে যাতে গাড়ী চলাচল কৰিব পাৰে। এইখিনি কৈ বিলখনৰ প্ৰতি সমৰ্থন জনালো।

* **মোস্তাফা শ্বহীদুল ইচলাম ঃ** অধ্যক্ষ মহোদয়, পুলিচ বিভাগটো অতি গুৰুত্বপূৰ্ণ। ইয়াত আইন-শৃংখলাৰ কথা জড়িত আছে। মংগলদৈ, বাইহাটাত বোমা বিস্ফোৰণ হৈছে। শিক্ষাৰ পিচতে বেচি টকা ধৰা এই পুলিচ বিভাগটো অকামিলা বিভাগ। ইনটেলীজেন্সী, চোৰাংচোৱা বিভাগ যোগাযোগ ৰাখিব লাগে। এই বিভাগৰ ওপৰকে মানুহৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা নিৰ্ভৰ কৰিছে। আমাৰ মূৰ দাঙি উঠা সমস্যা সমাধানৰ বাবে এই বিভাগৰ কাৰ্য্যক্ষম হ'ব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** এইখিনি কথা ৰাজ্যপালৰ ভাষণৰ বিতৰ্কত কব।

* **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, আমি প্লেনত টকাটো ধৰিব পৰা নাই আৰু সেয়ে হ'লে কাম কৰিব নোৱাৰিম। মই বিৰোধী দলৰ সদস্যসকলক কৈছো প্লেনৰ টকাটো নহা বাবে পূৰ্ণাংগ বাজেট দিব পৰা নাই। সেই কাৰণে মই বিত্তমন্ত্ৰীক অনুৰোধ কৰিছো প্ৰধানমন্ত্ৰীৰ লগত আলোচনা কৰি প্লেন এলকেচন কৰিব লাগে যাতে কামবিলাক কৰিব পৰা যায়। আমাৰ প্ৰাকৃতিক দুৰ্য্যোগৰ সময় আহি পৰিছে। আমি দুমাহ বাট চাব পাৰো। বাৰিষা যোৱাৰ পিচত যাতে কাম কৰাৰ ব্যৱস্থা হয়। আমাৰ ৰাজহ সংগ্ৰহ কৰা বিভাগবিলাক শুই থাকে। এইটো কথা বিত্তমন্ত্ৰীয়েও স্বীকাৰ কৰিছিল। আমি ৰাজহ কেনেকৈ বেচি সংগ্ৰহ কৰিব পাৰো তাৰহে প্ৰতিযোগিতা হ'ব লাগে। আৰু সেই কাৰণে এই ক্ষেত্ৰত ভাল পাইছো যে আমাৰ চৰকাৰে ব্যৱস্থা লৈছে। ইয়াত যাতে টকা পইচা কম খৰচ হয়। অধ্যক্ষ মহোদয়, আমি আগৰ চৰকাৰৰ তুলনাত ইকোনোমিক হ'বলৈ চেষ্টা কৰা ভাল। আমি এটা এক্সজাম্পল তৈয়াৰ

---

* Speech not corrected

কৰিবলৈ যত্নপৰ হ'ব লাগে যাতে আগৰ চৰকাৰৰ তুলনাত কম খৰচ কৰিব পাৰো। প্ৰডাকটিভ যিবিলাক কাম আছে তাত বেচি গুৰুত্ব দিব লাগে। সেই কাৰণে মই মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। এই ক্ষেত্ৰত বিভিন্ন মাননীয় সদস্যই সমৰ্থন দিব বুলি আশা ৰাখি বিলখন পাচ কৰিবলৈ অনুৰোধ কৰিলো।

✻ **শ্ৰীবৃন্দাবন গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ বিত্তমন্ত্ৰী মহোদয়ৰ ওচৰত কেতবোৰ কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো। শিক্ষা বিভাগৰ কেতবোৰ আঁচনিৰ বাবে ওৰ্ব্ল্ড বেংক বা কেন্দ্ৰীয় চৰকাৰৰ পৰা যিবিলাক টকা আহে সেইবিলাক সঠিকভাবে ব্যৱহাৰ হৈছে নে নাই সেইটোত দৃষ্টি ৰাখিব লাগে। টেকনিকেল এডুকেচনৰ বাবে ১৯৮৯/৯০ চনত ৩৪ কোটি টকা বিশ্ব বেংকৰ পৰা অনা হৈছিল। তাৰে সঠিক কাম হৈছে নে নাই, বাকী পাবলগীয়া টকাটো আহিল নে নাই? এই সকলোবোৰ চাবলৈ অনুৰোধ জনালো। এই ৩৪ কোটি টকা বিশ্ব বেংকৰ পৰা আনি টেকনিকেল এডুকেশ্যন নে ৪০ হাজাৰ শিক্ষকক কেৱল দৰমহা দিয়াত খৰচ কৰিলে, এই সকলোবিলাক আমাৰ ৰাজ্য চৰকাৰে চাব লাগে। অপাৰেচন ব্লেক বোৰ্ডৰ ক্ষেত্ৰত আমি বহুতো অভিযোগ পাইছো। এনে ক্ষেত্ৰত ৰাজ্যখনৰ বহুতো ক্ষতি হৈছে। এই বিষয় কেইটা নিৰ্দিষ্টভাৱে চাবলৈ আপোনাৰ ওচৰত অনুৰোধ জনালো।

✻ **শ্ৰীচিলভিউছ কন্দপান** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন সদস্যসকলে ভিন ভিন মতামত দাঙি ধৰিছে। মই এটা কথাই কব খুজিছো যে এম, এল, এ এৰিয়া ডেভেলাপমেণ্টৰ বাবে যিটো ফাণ্ড আছে সেইটো সময় মতে ৰিলিজ নহয়। কেতিয়াবা কোনো এৰিয়াত সেইটো নাযায়। সেই ফাণ্ডটোৰ পৰিমাণ আছিল পাচ লাখ। তেতিয়া বিৰোধী দলৰ মাননীয় সদস্যসকলে বৰ্তমান শাসনত থকা সদস্যসকলে কৰা অনুৰোধ মৰ্ম্মে প্ৰয়াত মুখ্যমন্ত্ৰী ডাঙৰীয়াই পাচ লাখৰ ঠাইত এই ফাণ্ডটো ১০ লাখ কৰিছিল। এতিয়া সেই ফাণ্ডটো ১০ লাখ বঢ়াই ২০ লাখ কৰিবলৈ অনুৰোধ কৰিলো।

✻ **আব্দুল মুক্তাদিৰ চৌধুৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কবলৈ বিচাৰিছো যে মাইন'ৰিটি ওৱেলফেয়াৰ ডেভেলাপমণ্টেৰ কাৰণে কোনো টকা ধৰা হোৱা নাই। মাইন'ৰিটি ডেভেলাপমেণ্ট ফাণ্ডৰ বাবে ২ কোটি ১০ লাখ টকা চৰকাৰে লব লাগে

---

✻ Speech not corrected

আৰু ইয়াত ৰাজ্য চৰকাৰে আণ্ডাৰটেকিং দিব লাগে। নতুন চৰকাৰে এইটো নকৰিলে বদনাম হ'ব। কিন্তু চৰকাৰে মন কৰা নাই। মাইনৰিটিৰ ডেভেলাপমেণ্টৰ কাৰণে মুখ্যমন্ত্ৰীয়ে কি চিন্তা কৰিছে। এই শিতানৰ টকা বেংকত পৰি ইণ্টাৰেষ্ট বঢ়াই আছে। এক পইচাও খৰচ হোৱা নাই। মুখ্যমন্ত্ৰীয়ে এইটো অলপ চাব।

* **শ্ৰীহেমন্ত কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যিক লটাৰী শিতানত এক কোটি ৮ লাখ টকা ধৰা হৈছিল। এই ক্ষেত্ৰত মোৰ দৃষ্টিভংগী ব্যক্ত কৰিব বিচাৰিছো। পৰৱৰ্ত্তী বাজেটত এই শিতানৰ টকাটো আন বিভাগত দিবলৈ অনুৰোধ কৰিলো। এই শিতানটো সম্পূৰ্ণ এবোলিচ কৰিবলৈ অনুৰোধ কৰিলো। এই ৰাজ্যিক লটাৰীয়েও ৰাইজৰ মাজতত অপসংস্কাৰ বঢ়াইছে। স্কুলত পঢ়া কণমানি ল'ৰাইও পকেটত লটাৰী টিকট লৈহে স্কুললৈ যায়। ইয়াৰ সম্পূৰ্ণ বন্ধ কৰিবলৈ মই মুখ্যমন্ত্ৰীৰ ওচৰত অনুৰোধ জনাম।

* **শ্ৰীমোহিনী বসুমতাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত বি, এ, চি এৰিয়াত কোনো বাজেট উল্লেখ কৰা নাই। আন্দোলনৰ সময়ত যিবিলাক ক্ষয়ক্ষতি হ'ল, ঘৰ দুৱাৰ ভাঙি, মানুহ পংগু হ'ল, মানুহ মৃত্যুমুখত পৰিল তেওঁলোকৰ ৰিলিফৰ বাবদ কোনো টকাৰ উল্লেখ নাই। গতিকে মই আশা ৰাখিছো মুখ্যমন্ত্ৰীয়ে এই বিষয়ত লক্ষ্য ৰাখিব।

* **শ্ৰীদেৱকান্ত ৰামচিয়াৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰথম কথা হ'ল জনজাতীয় এলেকাসমূহ উন্নয়নমূলক কামৰ বাবে যিবিলাক অফিচাৰক দায়িত্ব দিয়া হৈছে তেওঁলোকে সঠিকভাবে দায়িত্ব পালন কৰা নাই। ১০ জুন তাৰিখে ওদালগুৰিত এখন মিটিং হৈছিল তাত এ, টি, ডি, এৰ পৰা কেইটামান টোপোলা আহিল তাত মাত্ৰ কেইটামান জ্যামিতি বক্স, কাঠ পেঞ্চিল আছিল। এইখিনিয়েই হৈছে ২৫ হাজাৰ টকাৰ বস্তু। এয়েই হৈছে আধুনিক যুগত বিজ্ঞানৰ এক্সাপেৰিমেণ্টৰ বস্তু। অৰ্থাৎ সামগ্ৰী । যোৱাবাৰ শিক্ষামন্ত্ৰীয়ে ডেৰ কোটি টকাৰ সামগ্ৰী যোগা ধৰিছিল। পিছত শুনিবলৈ পাইছো সেই টকাটো বিশেষ পাৰ্টিৰ সদস্যক ইলেকচন খেলিবলৈ দিছে। আগৰ শিক্ষামন্ত্ৰী ইয়াত উপস্থিত আছে।

* **শ্ৰীশৰৎ বৰকটকী** ঃ ইয়াত প্ৰাক্তন শিক্ষামন্ত্ৰী নাই।

* Speech not corrected

* শ্ৰীদেৱকান্ত ৰামচিয়াৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব বিচাৰিছো যে আমাৰ চিকিৎসা ব্যৱস্থা অলপ উন্নতি কৰিব লাগে। সেই কাৰণে মই স্বাস্থ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে, ঔষধ কিনা ব্যৱস্থাটো চৰকাৰে নিজাববীয়াকৈ কৰিব লাগে। ঠিকাদাৰৰ জৰিয়তে ঔষধ কিনিলে ঔষধৰ মানদণ্ড বেয়া হয় আৰু টকাৰো অপপ্ৰয়োগ হয়। গতিকে এই কথাবিলাকত বিভাগীয় মন্ত্ৰীসকলে গুৰুত্ব দিব লাগে।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, ভোট অন একাউণ্টচ্ উৎথাপন কৰোতে মই আৰম্ভণীতে কৈ গৈছো যে আমি কিয় ভোট অন একাউণ্টচ্ উৎথাপন কৰিব লগা হ'ল। মাননীয় সদস্য শ্ৰী টেৰাং ডাঙৰীয়াই এটা কথা কৈছে যে এই ক্ষেত্ৰত আগৰ চৰকাৰৰ লগত বুজাবুজি আছে। এই সম্পৰ্কত আমি পুনৰ আলোচনা কৰিব বিচাৰো যে এই বিষয়টো কেনে ধৰণে ইম্প্লিমেণ্ট হৈছে বা হোৱা নাই। এইটো কমন আউট লে হিচাবে ইয়াত কোনো নতুন স্কীম লোৱা হোৱা নাই আৰু ভোট অন একাউণ্টচ্‌ৰ জৰিয়তে পুৰণি স্কীমবোৰ কন্‌টিনিউ কৰিব বিচৰা হৈছে। শ্ৰীমতী প্ৰমিলাৰাণী ব্ৰহ্মকে আৰম্ভ কৰি কেইবা গৰাকীও মাননীয় সদস্যই কৈছে যে বি, এ, চিৰ ক্ষেত্ৰত কোনো কথা কোৱা হোৱা নাই। ইয়াত আন হেড অৱ একাউণ্ট সলনি কৰা নাই আৰু সেইমতে পি, ডব্লিও, ডি শিক্ষা আদি বিভাগত বি, এ, চি এৰিয়াত টকা খৰচ কৰাৰ কাৰণে উল্লেখ কৰা হৈছে। গতিকে তেখেতসকলে ভাবিব নালাগে যে বি, এ, চিৰ কাৰণে টকা ধৰা হোৱা নাই।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, কেইবা গৰাকীও মাননীয় সদস্যই আলোচনাত অংশ গ্ৰহণ কৰি যথেষ্ট পৰামৰ্শ আগবঢ়াইছে। আসাম ষ্টেট লটাৰী সম্পৰ্কতো কিছু কথা উল্লেখ কৰিছে। লটাৰী এতিয়া চলি থকা নাই। এই সম্পৰ্কত বিভাগীয় কেচ কিছুমান চলি আছে। কিন্তু তাৰ কাৰণে বাৰ্ষিক ব্যয়, কৰ্ম্মচাৰীৰ দৰমহা আদিৰ কথা থাকিব। এগৰাকী মাননীয় সদস্যই এটা কথা উত্থাপন কৰিছে যে পঞ্জাৱত হিংসাত্মক কাৰ্য্যকলাপত ক্ষতিগ্ৰস্ত হোৱা লোকসকলক কেন্দ্ৰীয় চৰকাৰে যিধৰণে ক্ষতিপূৰণ বা পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিছে আমাৰ ৰাজ্যখনৰ কাৰণেও কেন্দ্ৰীয় চৰকাৰ পৰা তেনে সাহায্য অনাৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত বিত্তমন্ত্ৰীজন আমাৰ ইয়াৰ

* Speech not corrected

পৰা হোৱা সত্ত্বেও পঞ্জাবৰ ক্ষেত্ৰত সাহায্য আগবঢ়ালে কিন্তু আমাৰ ক্ষেত্ৰত নকৰিলে। এইবাৰ আমি এনে সাহার্য্যৰ কাৰণে ৩২৬ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়াইছো। গতিকে আমি এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ লগত পুনৰ টেকআপ কৰিছো যাতে অসমৰ ক্ষেত্ৰতো একেই ব্যৱস্থা লোৱা হয়। কোকৰাঝাৰ আৰু বঙাইগাওঁ জিলাত অলপতে হোৱা গোষ্ঠীগত সংঘৰ্ষৰ বলি হোৱা লোকসকলৰ সাহায্য আৰু পুনৰ সংস্থাপনৰ ক্ষেত্ৰত সকলো প্ৰকাৰৰ ব্যৱস্থা হাতত লোৱা হৈছে আৰু তাৰ কাৰণে আমি ইতিমধ্যে ৩০ কোটি টকা মঞ্জুৰীৰ বাবে সদনত উত্থাপন কৰিছো। ঠিক তেনেকৈ মাননীয় সদস্যসকলে আগবঢ়োৱা পৰামৰ্শ অনুযায়ী আমাৰ চৰকাৰে ৰুৰেল ডেভেলাপমেণ্ট ক্ষেত্ৰত অগ্ৰাধিকাৰ দিব আৰু মাইনৰিটি ডেভেলাপমেণ্ট ক্ষেত্ৰত মাননীয় সদস্য শ্ৰী হামিদ ডাঙৰীয়াই যিটো কথা কৈছে সেই ক্ষেত্ৰত মই কওঁ যে মাইনৰিটি ডেভেলাপমেণ্টৰ ক্ষেত্ৰত আমি গ্ৰেণ্ট নং ৫০ত টকা ধৰিছো। আমি আগতেই কৈছো যে ভোট অন একাউণ্টচ্ কিয় আনিব লগা হৈছে। আমাৰ ৰেভিনিউ মবিলাইজেচনৰ ক্ষেত্ৰত বহুতো কথা চাবলগীয়া আছে। কোনো ক্ষেত্ৰত টেক্স লগাব লগা হ'লেও আমাৰ যথেষ্ট লিমিটেচন আছে। সেই কাৰণে আমাৰ চৰকাৰৰ তৰফৰ পৰা সাধাৰাণ মানুহৰ ওপৰত হেঁচা নপৰাকৈ এডিচনেল ৰিচোৰ্চ মবিলাইজেচন কেনেকৈ কৰিব পৰা যায় আৰু বৰ্ত্তমানে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত থকা ধাৰ যাতে মাফ কৰিব পৰা যায় তাৰ কাৰণে আমি চেষ্টা কৰি আছো। চাহ জনজাতি লোকসকলৰ উন্নতিৰ কাৰণেও আমি ব্যৱস্থা হাতত লৈছো। গতিকে মই আশা ৰাখিছো আজিৰ এই ভোট অন একাউণ্টচ্ত মাননীয় সদস্যসকলে অনুমোদন জনাব।

**Mr. Speaker** : Now I put the motion before the House.

The motion is that - The Assam Appropriation (second vote on Account ) Bill, 1996 be taken into consideration.

Those who are in favour, say 'AYES'

Those who are against, say, 'NOES'

"AYES" have it, "AYES" have it, "AYES" have it.

The motion is passed.

Now item No. 2 (c). I now put the clauses 2,3 and schedule to the Bill before the House for approval. The question is that-Clauses 2,3 and schedule to the bill do stand part of the bill.

Those who are in favour, say, 'AYES'

Those who are against, say, 'NOES'

'AYES' have it, 'AYES' have it, 'AYES have it,

Clause I Enacting Clause 1, Enacting Formula and Short Title of the bill before the House for approval. The question is that — the Clause-1, Enacting Formula and Short Title do stand part of the Bill.

Those who are in favour, say, 'AYES'

Those who are against, say, 'NOES'

'AYES' have it, 'AYES' have it, 'AYES have it,

Clause-1, Enacting Formula and Short Title do stand part of the Bill.

Now item No. 2 (d). Hon'ble Chief Minister to move.

**Shri Prafulla Kumar Mahanta** (Chief Minister) : Sir, I beg to move the "The Assam Appropriation (Second vote on Account) Bill, 1996" be passed.

**Mr. Speaker :** I now put the motion before the House - The motion is that - The Assam Appropriation (Second vote on Account) Bill, 1996 be passed.

Now item No. 3 (a).

There is a message from the Governor of Assam,

Raj Bhavan,
Guwahati,
Dt. June 11, 1996.

**ORDER**

Under the provision of Article 207 (3) of the Constitution of India, I Loknath Misra, Governor of Assam, recommend that "The Assam Contigency Fund (First Amendment) Bill 1996" be taken into consideration by the Assam Legislative Assembly.

Sd/-
Loknath Misra,
Governor of Assam

Now Hon'ble Chief Minister to move.

**Shri Prafulla Kumar Mahanta** (Chief Minister) : Sir, I beg to move that "The Assam Contingency Fund (First Amendment) Bill, 1996" be taken into consideration.

**Mr. Speaker :** I now put the motion before the House. The motion is that -- "The Assam Contingency Fund (First Amendment) bill, 1996 be taken into consideration."

Those who are in favour say. 'AYE'S

Those who are against, say, NOE'S.

AYES have it, 'AYE'S have it, 'AYES' harit.

The motion is passed.

Now item No. 3(b). There is an amendment in Clause 2 of the Bill in the name of Hon'ble Member Sri Bharat Chandra Narah to move his amendment and to speak on it.

*** Shri Bharat Chandra Narah** : Sir, in Clause 2 of the bill, the proposed proviso to section 3 of the Principal Act, the words "a further sum of forty crores of rupees" occuring in the 3rd line shall be subtituted by the words" a further sum of sixty crores of rupees."

**Mr. speaker** : With the leave of the House the amendment is withdrawn.

I now put the amendment before the House,. The question is that -- "In Clause 2 of the bill, the proposed proposed proviso to section 3 of the Principal Act, the words "a further sum of forty crores of rupees" a further sum of sixty crores of rupees."

Those who are in favour, say, 'AYE'S

Those who are against, say 'NOE'S

'NOE'S have it 'NOE'S have it 'NOE'S have it.

The amendment is lost.

Clause 2 do form part of the bill.

There is no amendment in Clause 3 of the Bill.

I put Clause 3 of the bill before the House for approval. The question is that Clause 3 do stand part of the bill.

Those who are in the favour, say, 'AYE'S

Those who are against, say, 'NOE'S

'AYE'S have it,; AYE'S have it, 'AYE'S have it.

Clause 3 do form part of the Bill.

Now I put Clause I, Preamble, Enacting formula and short title of the bill before the House for approval. The question is that — Clausel, Preamble, Enacting formula a short title do stand part of the bill.

Those who are in favour, say 'AYE'S,

Those who are against, say, 'NOE'S,

'AYE'S have it, 'AYE'S have it, 'AYE'S have it.

Clause I, Preabmle, Enacting Formula and short title do form part of the Bill.

Now item 3(c). Hon'ble Chief Minister to move —

**Shri Prafulla Kumar Mahanta** (Chief Minister) : Sir, I beg to move that "The Assam Contingency Fund (Fisrt Amendment) bill, 1996" be passed.

**Mr. Speaker** : I now put the motion before the House. The motion is that the Assam Contingency Fund (First Amendment) Bill. 1996 be passed.

Those who are in favour, say, 'AYE'S

Those who are against, say, 'NOE'S

'AYE'S have it, 'AYE'S have it, 'AYE'S have it.

The motion is passed. The Bill is passed.

Now item No. 4

There is a message from the Governor of Assam.

Raj Bhawan
Guwahati,
dated, June, 11 1996.

**ORDER**

"Under the provision of Article 207 (i) of the Constitution of India I Shri Loknath Misra, Governor of Assam, recommend that the Assam Contingency Fund (second Amendment) Bill, 1996 be taken into consideration by the Assam Legislative Assembly.

Sd/
(Loknath Misra)
Governor of Assam

Now, Hon'ble Chief Minister to move :-

**Shri Prafull Kumar Mahanta** (Chief Minister) : Sir, I beg to move that the Assam Contingency Fund (second Amendment) Bill, 1996 be taken into consideration.

**Mr. Speaker** : I now put the motion before the House.

The motion is that. The Assam contingency fund (Second Amendment) Bill 1996 be taken into consideration.

Those are in favour, say, AYES

Those are in against, say, NOES

'AYES have it'

'AYES have it'

'AYES have it'

The motion is passed.

Now, item no 4(b)

There is an amendment in Clause 2 of the bill in the name of Hon'ble member, Shri Bharat Chandra Narah.

I now call upon the Hon'ble member, Shri Bharat Chandra Narah to move his amendment and to speak on it.

* **Shri Bharat Chandra Narah** : Sir, I beg to move the in Clause 2 of the bill, the proposed proviso to section 3 of the Principal Act, the words' a further sum of thirty crores of rupees' occuring in the 2nd line shall be substituted by the word's a further sum of fifty crores of rupees.

মই সংশোধনী অনাৰ কিছুমান নিৰ্দিষ্ট কাৰণ আছে। আমাৰ বিধান সভা বহিছে যোৱা ১২ তাৰিখৰ পৰা। সাংবিধানকভাবে ৰাজ্যপালে অভিনন্দন আনিব পাৰে। কিন্তু বিধান সভা বহাৰ ৫ দিনৰ আগতে কোকৰাঝাৰ আৰু বঙাইগাৱত হোৱা অশান্তিৰ কাৰণে ৩০ কোটি টকাৰ অৰডিনান্স আনিছে। এই ৫ দিন বিধান সভা বহালৈকে ৰৰ পাৰিলেহেঁতেন। কিন্তু তাকে নকৰি বিধানসভাৰ বহাৰ ৫ দিনৰ আগতে অৰডিনান্স আনিলে।

দ্বিতীয়তে মই কব বিচাৰিছো যে ৰাজ্যপালৰ ভাষণত কোকৰাঝাৰ আৰু গোসাইগাৱত যি অশান্তি হৈ গ'ল সেই সম্পৰ্কত একো উল্লেখ কৰা নাই। এই সম্পৰ্কত ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত বহলাই কব পাৰিলেহেঁতেন। কিমান লোক মৰিল, কিমান লোক আঘাতপ্ৰাপ্ত হ'ল, কিমান লোকে নিজৰ ঘৰবাৰী এৰি আশ্ৰয় শিবিৰত আশ্ৰয় লৈছিল সেই সকলো কথা বহলাই উল্লেখ কৰিব পাৰিলেহেঁতেন। আজি কিমান লোক অনাহাৰত মৰিছে সেই কথা কোনেও কব নোৱাৰে। আমি বাতৰি কাকতৰ

* Speech not corrected

যোগেদি জানিবলৈ পাইছো যে মানুহবিলাকে প্ৰাণৰ ভয়ত পশ্চিমবংগৰ কোচবিহাৰলৈ পলাই গৈছিল। কোচবিহাৰলৈ পলাই যোৱা লোকসকলৰ কাৰণে চৰকাৰে কি কৰিলে? সেইবিলাক বিষয়ে ৰাজ্যপালৰ ভাষণত একো উল্লেখ নাই। তাৰোপৰি আমি বাতৰি কাকতৰ যোগেদি জানিবলৈ পাইছিলো যে বহুত বিলাক মানুহ ভূটানলৈকো পলাই গৈছিল। সেইবিলাক মানুহৰ অৱস্থা বৰ্ণনা কৰিব নোৱাৰি। গাভৰু ছোৱালীয়ে এখনীয়া কাপোৰেৰে লাজ নিবাৰণ কৰিছে। তাত মানুহৰ খোৱাৰ ব্যৱস্থা নাই, চিকিৎসাৰ ব্যৱস্থা নাই, এই ৩০ কোটি টকাৰে কি কৰিলে, ক'ত কিমান কিমান খৰচ কৰিলে? তাৰোপৰি এই দুৰ্গত লোকসকলৰ কাৰণে উপাযুক্ত সকলক সাহাৰ্য্য পঠাবলৈ কোৱা হৈছিল। কোন কোন উপাযুক্তৰ পৰা কিমান কিমান সাহাৰ্য্য পালে সেই সকলোবিলাক কথা মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। আশ্ৰয় শিবিৰত থকা লোকসকলৰ কাৰণে কি কি সামগ্ৰী দিয়া হ'ল এই ৩০ কোটি টকাৰে খাদ্যৰ কাৰণে কিমান দিলে কাপোৰৰ কাৰণে কিমান দিলে, চিকিৎসাৰ বাবে কিমান দিলে সেই সকলো কথা আমাক জানিবলৈ দিব লাগে।

যোৱা নিৰ্বাচনৰ পিচতে লক্ষীমপুৰ জিলাত বিশেষকৈ ঢকুৱাখানা অঞ্চলত বৰষুণৰ পানীৰ কাৰণে বানপানী হৈ পথাৰ তল নিয়ালে। আমি আগৰে পৰা পাই আহিছো যে নদীৰ পানীৰেহে বানপানী হয়, কিন্তু এইবাৰ বৰষুণৰ পানীৰ ফলতো বানপানী হ'ল। ১৫ দিন একেৰাহে বৰষুণ হোৱাৰ ফলত পথাৰৰ আহুধান পানীত তল গৈ সকলো মৰিল। এই লোকসকলৰ কাৰণে চৰকাৰৰ ফালৰ পৰা একো কৰা নহ'ল। এই লোকসকলৰ কাৰণে জৰুৰীকালিনভাবে ব্যৱস্থা লৈ কঠিয়া আদি দিয়াৰ ব্যৱস্থা হ'ব লাগিছিল সেই বিলাক লোৱা নহ'ল। মই মুখ্যমন্ত্ৰী আৰু ৰাজহ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিলো বৰষুণৰ পানীৰ ফলত ক্ষতিগ্ৰস্ত হোৱা লোকসকলক সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিব লাগে। কনটিনজেন্সি ফাণ্ডত যিখিনি টকা আৰু বঢ়াই ধৰিব লাগিছিল। কৰবাত জুই লাগিলে, কৰবাত প্ৰাকৃতিক দুৰ্য্যোগ হ'লে সেইবিলাকৰো সাহায্য দিব লাগিব। সিদিনা গণেশগুৰিত জুই লাগিল। সেইসকলক সাহায্য ক'ৰপৰা দিব? আৰু প্ৰায় ৰিলিফ এণ্ড ৰিহেবিলিটেইচন বিভাগত টকা নাই নাই বুলি কয়। জেগাই জেগাই জুই লগা, ধুমুহাত ক্ষতিগ্ৰস্ত হোৱা লোকসকলে টকা বিচাৰি আহিলে বিভাগে টকা নেপায়। ৰিলিফ এণ্ড ৰহেবিলিটেইচন বিভাগত টকা নাই।

অধ্যক্ষ মহোদয়, আজি ৰিলিফ এণ্ড ৰিহেবিলিটেইচন বিভাগৰ যিটো ৰুলচ আছে, সেইটো এমেণ্ড কৰিব লাগে। জুই লাগিলে কৰবাত ধুমুহা হলে ৰিলিফ এণ্ড ৰিহেবিলিটেচন বিভাগত আণ্ডাৰ চেক্রেটৰীয়ে আৰু কমিচনাৰে ৰিপোট বিচাৰে যে তেওঁলোকৰ ইনকম টেক্স কিমান, চেল টেক্স কিমান। সেই হিচাপে দিবলৈ দিশপুৰলৈ ১০ হেজাৰ টকা পোৱাৰ কাৰণে মাহেকত ১০ বাৰ আহিব লাগে। ডি, চি'ৰ ৰিপোর্ট, চিভিল এচ, অ'ৰ পৰা ৰিপোর্ট আহে মানে ৬ মাহ মান কেতিয়াবা এবছৰো পাৰ হৈ যায়। পিচত সেই টকা পালেও কোনো কামত নাহে বা মূল্যও নোহোৱা হয়। সেই কাৰণে মই ৰুলচটো ইজি কৰিব লাগে বুলি মন্তব্য আগবঢ়াইছো। কৰবাত ধুমুহা, কৰবাত জুই লাগিলে বিভাগলৈ টকা বিচাৰি আহিলে কয় যে আমি ডি চি'ৰ পৰা এচ, ডি, অ'ৰ পৰা ৰিপোর্ট পোৱা নাই, ৰিপোর্ট আহিলেহে টকা দিয়া হ'ব। এইটো যাতে ৰুলচ এমেণ্ড কৰিব পৰা অর্থাৎ ডি, অ' সকলে যাতে লগে লগে টকা দিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে। ইয়াত যি ৩০ কোটি টকা আনিছে সেইটো এই বিভাগৰ কাৰণে নিচেই নগণ্য। বোধহয় সেই টকা ইতিমধ্যে খৰচ হৈ গৈছে। ৰাজ্যপালৰ ভাষণত গোসাইগাওঁ, বঙাইগাঁৱত কিমান টকা খৰচ হৈছে তাৰ বাবে কিমান টকা উলিয়াইছে সেইটো উল্লেখ আছে কিন্তু মেৰাপানীৰ সম্পর্কে ইয়াত একো নাই। কিমান টকা মেৰাপানীৰ বাবে খৰচ কৰিছে।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী** ঃ ৩০ কোটি টকাই অৱশ্যে একো নহয়। আমাক ৫০ কোটি মান লাগে। আপোনাৰ কথাটো আমাৰ দৃষ্টিগোচৰ হৈছে আৰু ৰাজ্যপালৰ ভাষণত স্পষ্টকৈ কৈছে যে কোকৰাঝাৰ আৰু বঙাইগাঁও জিলাত গোষ্ঠীগত সংঘর্ষত নিহত হোৱা প্রতিটো পৰিয়াললৈ এক লাখ টকা এককালীন সাহার্য্য হিচাপে দিবলৈ ব্যৱস্থা লোৱা হৈছে। অৱশ্যে মেৰাপানীৰ সম্পর্কত চাইলেণ্ট আছে। আহত সকলক প্রত্যেকৰে বাবে এহেজাৰৰ পৰা তিনি হেজাৰলৈকে এককালীন সাহার্য্য দিবলৈ স্থিৰ কৰা হৈছে। তদুপৰি পীড়িত গৃহহীন লোকসকলৰ বাবে চৰকাৰে তেওঁলোকৰ ক্ষয়-ক্ষতিলৈ লক্ষ্য ৰাখি ১০ হেজাৰ টকালৈকে আৰ্থিক সাহার্য্য আগবঢ়োৱাৰ সিদ্ধান্ত লৈছে।

---

* Speech not corrected

* ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ মাননীয় অধ্যক্ষ মহোদয়, গোস্বামী ডাঙৰীয়াৰ অৰ্ডিন্সেৰ ক্ষেত্ৰত Sir, in Practice and Proceduce of Parliament of Kaul and Shakder at page 523 it says that "The ordinance making power of the head of executive in India can be traced to the Indian Councils Act of 1861, which empowered the Governor General, in cases of emergency, আমাৰ ভৰত নৰহ ডাঙৰীয়াই ৰাইটলি পইণ্ট আউট কৰিছে।

* **Shri Hitendra Nath Goswami** : I think there is an extra ordinary situation of Assam and Govt. has rightly done it.

* শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্যসকলে নিশ্চয় জানে যে ২১৩ ৰুল অনুসৰি চৰকাৰে বৰ্তমান ব্যৱস্থা লোৱাৰ সুবিধা আছে। অন্যহাতে কৰবাত জুই লাগিলে, ঘৰ জ্বলিলে তাক নুমুৱাবৰ কাৰণে মানুহে সহায় কৰিব লাগে। য'ৰে পৰা পাৰে কুৱা, পুখুৰী, নাদ, নৈ বিলৰ পৰা পানী তুলি জুই নুমুওৱাৰ চেষ্টা কৰিব লাগে। যোৱা ৭ জুন তাৰিখে এই অৰ্ডিনেন্স জাৰি কৰা হৈছে। মেৰাপানীৰ ক্ষেত্ৰতো সহায় কৰা হৈছে। এই গোষ্ঠীগত সংঘৰ্ষত যি ধৰণে সহায় কৰা হৈছে সব কথাই সকলো সময়তে চৰকাৰৰ ফালৰ পৰা ক'ব নোৱাৰি। কিন্তু কিছুমান কথা ক'ব পাৰি। কিয়নো কিছুমান ঠাইত নিজৰ ঘৰলৈ ঘুৰি যোৱাৰ অৱস্থা হ'লেও ঘুৰি যাবলৈ ইচ্ছা নকৰে। তেনে কিছুমান লোকে চৰকাৰৰ পৰা সা-সুবিধা পাবলৈ ৰখি থাকে। মাননীয় সদস্য ভৰত নৰহ ডাঙৰীয়াই তাৰ উত্তৰত কৈছে। বানপানীৰ ক্ষেত্ৰতেই হওঁক বা নেচাৰেল কেলামেটিজৰ ক্ষেত্ৰতেই হওঁক তাৰ কাৰণে ৪৮ কোটি টকা ফাণ্ড আছে। ইয়াত আজি যথেষ্ট আলোচনা-বিলোচনা হৈছে তাৰ মই সকলো মাননীয় সদস্যকে ধন্যবাদ জনায় এই অৰডিনেন্স উঠাই লোৱাৰ বাবে অনুৰোধ জনালো।

**Mr. Speaker :** Mr. Narah, will you withdraw your amendment?

**Mr. Bharat Ch. Narah :** I have withdrawn.

* Speech not corrected

**Mr. Speaker :** It is the pleasure of the House to grant leave to withdraw the amendment. With the leave of the House the amendment is withdrawn, in Clause 2. There is no amendment in Clause 3. I now put the amendment before the House. The question is that" "In Clause 2 of the Bill the proposed proviso to section 3 of the Principal Act, the words "a further sum of thirty crores of rupees" occuring in the 3rd line shall be substituted by the words" a further sum of fifty crores of rupees. Clause 2 do form part of the bill. There is no amendment in Clause 3 of the Bill. I now put Clause 3 of the Bill before the House. The question is that - Clause 3 do stand part of the Bill.

Those in favour, say, 'AYES'S, those who are against, say, 'NOE's.

'AYE's have it.
'AYE's have it.
'AYE's have it.

Clause 3 part of the Bill is passed. I now put clause I, Preamble, Enacting Formula and short title of the bill before the House for approval.

The question is that - Clause I, Preamble, Enacting Formula and Short Title do stand part of the Bill.

Those who are in favour, Say, 'AYE's -
Those who are against, Say, - 'NOE's
'AYE's have it.
'AYE's have it.
'AYE's have it.

Clause 1, Preamble Enacting Formula, do form part of the Bill.

**Mr. Speaker :** Now Item No. 4(c) Hon'ble Chief Minister to move

**Shri Prafulla Kr. Mahanta** (Chief Minister) : Sir, I beg to move that "The Assam Contingency Fund (Fisrt Amendment) bill, 1996" be passed.

**Mr. Speaker.** : I now put the Motion before the House. The Motion is that the Assam Contigency Fund ( Second Amendment) Bill, 1996, be passed.

Those who are in favour, say, 'AYES's, -

Those who are against, say, 'NOE's.

Ayes have it, Ayes have it, Ayes have it

The Motion is passed and the Bill is passed.

## LAYING OF REPORT

Now Item No. 5. Hon'ble Minister, Forest, Shri Nagen Sarma to lay.

* **Shri Nagen Sarma,** (Minister) : Sir, I beg to lay the Report of the Comptroller and Auditor General of India for the year ended 31st march, 1995 (civil), Appropriation Accounts, 1994-95 and Finance Accounts, 1994-1995 relating to Government of Assam.

## ANNOUNCEMENT FROM THE CHAIR

**Mr. Speaker** : Before I go item No. 6 there is an announcement. I am to inform the House that Sheikh Abdul Hamid and Shri Abdur Rouf belonging to the United Minority Front by a written request intimated that they have extended unconditional and full support to the Assam Gana Parishad lead by Shri Prafulla Kumar Mahanta.

I have to announce the result of the election to the Committee on Public Accounts. The number to be elected, the following Members have been declared elected unanimously to the Committee on Public Accounts.

1. Shri Holi Ram Terang.
2. Shri Hitendra Nath Goswami.
3. Shri Mohan Das
4. Shri Binod Gowala
5. Smti. Renupoma Rajkhowa.
6. Shri Bhupen Roy.
7. Shri Bhrigu Kumar Phukan.
8. Shri Dilip Kumar Saikia.
9. Shri Mustafa Shahidul Islam.
10. Shri Abdul Muqtadir Choudhury.
11. Shri Gautam Roy.
12. Shri Kali Ranjan Deb.
13. Shri Derhagra Mochahary.

And, in pursuance of Sub-rule (1) of the 198 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I appoint Shri Holi Ram Terang as the Chairman of the said committee.

The newly constituted committee will function with effect from 15th 1996 for a term not exceeding thirty months.

I have to announce the result of the election to the Committee Estimates the number of candidate being equal to the Members to be elected, the following members have been declared elected unanimously to the Committee o. Estimates :

1. Shri Maidul Islam Bora.
2. Shri Jogadish Bhuyan.
3. Shri Prafulla Goswami
4. Shri Atul Kumar Sarma
5. Shri Hemanta Kalita.
6. Shri Brindaban Goswami.
7. Shri Alauddin Sarkar.
8. Shri Wazed Ali Choudhury.
9. Shri Abu Saleh Nijamuddin
10. Smt Amiya Gogoi.
11. Shri Jagat Singh Engti
12. Shri Seikh Abdul Hamid
13. Shri Sukhendu Sekhar Dutta.

And, in pursuance of Sub-rule (1) 198 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I appoint Shri Maidul Islam Bora as the Chairman of the said Committee.

The newly elected committee will function with effect from 15th June, 1996 for a term not exceeding thirty months.

I have to announce the result of election to the Committe of Public Undertakings, the number of candidates being equal to the number of members to be elected, the following members have been declare elected unanimously to the Committee on Public Undertakings.

1. Shri Hitendra Nath Goswami
2. Shri Padma Hazarika
3. Shri Sirajul Haque Choudhury
4. Shri Atul Bora
5. Shri Khalilur Rahman Choudhury
6. Shri Prabin Hazarika
7. Shri Aminul Islam
8. Shri Joy Chandra Nagbangshi
9. Dr. Nazrul Islam
10. Shri Sukur Ali
11. Shri Chandra Kanta Terang
12. Shri Munin Mahanta
13. Shri Nizamuddin Khan.

And in pursuance of Sub-rule (1) of Rule 198 of Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I appoint Shri Hitendra Nath Goswami as the Chairman of the said Committee.

The newly constitued committee will function for a term not exeeding thirty month with effect from 15th June, 1996.

I have to announce the result of the election to the Committee on the Welfare of Scheduled Castes and Scheduled Tribes. The number of candidates being equal to the number of Members to be elected, the following members have been declared elected unanimously to the Committee on the Welfare of Scheduled Castes and Schedule Tribes :

1. Shri Dilip Kumar Saikia
2. Shri Gahin Chandra Das
3. Shri Rabin Banikya
4. Shri Banendra Kumar Mochahary.
5. Shri Jyoti Prasad Das
6. Shri Hiren Kumar Das
7. Shri Karuna Dutta
8. Shri Bharat Chandra Narah
9. Shri Girindra Mallik
10. Smti Pramila Rani Brahma
11. Smti Jagmohan Basumatary
12. Shri Andrias Hajoary

And, in pursuance of Sub-rule (1) of Rule 198 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I appoint Shri Dilip Kumar Saikia as the Chairman of the said Committee.

The newly elected Committee will function with effect from 15th June, 1996 for a term not exceeding thirty months.

I have to announce the result of election to the Committee on Welafre of Other Backward Classes and More Other Backward Classes, Assam Legislative Assembly. The number of candidates being equal to the number of Members to be elected the following Members have been declared elected unanimously to the Committe on Welfare of Other Backward Classes and More Other Backward Classes

1. Shri Mahendra Mohan Raichoudhury
2. Shri Jyotish Das.
3. Shri Anowar Hussain Laskar
4. Shri Ali Akbar Miah
5. Shri Prasanta Kumar Baruah
6. Shri Pradan Bauah
7. Shri Prabin Gogoi
8. Smti. Pranati Phukan
9. Shri Bhimananda Tanti
10. Shri Rameswar Dhanowar
11. Dr. Kalyan Kumar Gogoi
12. Shri Atul Bora
13. Shri Binod Gowala

And in persuance of Sub-rule 198 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I appoint Shri Mahendra Raichoudhury as the Chairman of the said Committee.

The newly constituted Committee will function for a term not exceeding thirty months with effect from 15th June, 1996.

## DEBATE ON GOVERNOR'S ADDRESS

Now item No 6. Debate on Governor's Address. Shri Dilip Kumar Saikia, Please speak.

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আৰু মাননীয় সদস্যসকল। মাননীয় সদস্য শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত

---

* Speech not corrected

যিটো ধন্যবাদসূচক প্ৰস্তাৱ দাঙি ধৰিছে তাৰ সমৰ্থনত কেইটামান বিষয় সদনৰ মজিয়াত আপোনাৰ জৰিয়তে উত্থাপন কৰিব বিচাৰিছো। আমাৰ ৰাইজ বিগত, পাঁচ বছৰ কাৰাৰুদ্ধ অৱস্থাত আছিল। যোৱা সময়ছোৱাত কংগ্ৰেছ দলৰ চৰকাৰ আছিল। এইবাৰ অসমৰ জনগণে কংগ্ৰেছ আই দলৰ বিৰুদ্ধে ৰায় দি পাঁচ দলীয় মিত্ৰগোষ্ঠী, অসম গণ পৰিষদ, চি পি এম, এ-এচ-ডি-চি, চি-পি-আই, আৰু ইউ-পি-পি এই পাঁচদলীয় গোটক অসমৰ ৰাইজে নিৰ্বাচন কৰি চৰকাৰ গঠন কৰিবলৈ সুবিধা দিয়াৰ বাবে মই অসমৰ ভোটদাতা ৰাইজক অসম বিধানসভাৰ পৰা ধন্যবাদ জনাইছো। আমাৰ অসম চৰকাৰখনৰ মূল দায়িত্বসমূহ ৰাজ্যপাল মহোদয়ৰ ভাষণত ইতিমধ্যে প্ৰকাশ পাইছে। অসমৰ জনসাৰাণৰ জীৱন আৰু সা-সম্পত্তিৰ নিৰাপত্তা দিয়া প্ৰথম আৰু প্ৰধান কৰ্ত্তব্য আৰু আমাৰ অসম গণ পৰিষদ চৰকাৰে অসমৰ জনসাৰাণৰ সা-সম্পত্তি আৰু জীৱনৰ নিৰাপত্তা দিম বুলি প্ৰতিশ্ৰুতিবদ্ধ হৈছিল। কিন্তু আমি আজি দেখিবলৈ পাইছো যে আমাৰ চৰকাৰখনৰ বিৰুদ্ধে কিছুমান কুচক্ৰান্তকাৰীয়ে আইন-শৃংখলাৰ অৱনতি কৰিবৰ কাৰণে বিভিন্ন প্ৰকাৰে চেষ্টা চলাই আছে। সেই কুচক্ৰান্তকাৰী সকলৰ বিৰুদ্ধে আমাৰ চৰকাৰ নিশ্চয় কঠোৰ হাতেৰে ব্যৱস্থা ল'ব লাগিব কিয়নো আইন-শংখলাৰ ক্ষেত্ৰত বিগত চৰকাৰৰ দিনত ভাতৰ চৰুত বোমা ফুটিছিল। ১৯৯২ চনৰ ২১ নবেম্বৰ তাৰিখে পুৰণা বিধায়ক আবাস চৌহদৰ ভিতৰত বোমা বিস্ফোৰণ হ'ল। কেইজনমান নিৰাপত্তাৰক্ষী বিষয়া নিধন হ'ল, পল্টন বজাৰত বোমা বিস্ফোৰণ হ'ল, গণেশগুৰিত বোমা বিস্ফোৰণ হ'ল আৰু আমাৰ সন্মানীয় মাননীয় সদস্য বড়ো বিধায়কসকলক এই সংক্ৰান্ত ধৰি লৈ গ'ল। মই ভাবো এইটো ৰাজনৈতিকভাবে গ্ৰেপ্তাৰ কৰা হৈছিল। ইয়াৰ তদন্ত বৰ্ত্তমান কি পৰ্য্যায়ত আছে, সেইটো প্ৰকৃততে বড়ো বিধায়কসকল জড়িত হয় নে নহয় তাৰ প্ৰতিবেদন এতিয়াও প্ৰকাশ নহ'ল। ৰাজনৈতিক স্বাৰ্থতেই সেই সময়ৰ কংগ্ৰেছ আই চৰকাৰে সন্মানিত বিধায়কক জেল হাজোতলৈ প্ৰেৰণ কৰিছিল। সেই সময়ত অসমৰ পুলিচ বাহিনীকো ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰা হ'ল। আজিৰ দৈনিক অসম বাতৰি কাকতত প্ৰথম পৃষ্ঠাতে এই খবৰ ওলাইছে। নগাঁৱৰ বাতৰি পৰিবেশকে লিখিছে যে অসীম ৰয় এতিয়াও সক্ৰিয় হৈ আছে। টেলিফোনত তেওঁক খবৰবিলাক দুজন শীৰ্ষস্থানীয় পুলিচ বিষয়াই যোগাই আছে। আজি চৰকাৰে তদন্ত কৰিব লাগে এই দুজন বিষয়াই

জনগণবিৰোধী বিষয়া অসীম ৰয়ৰ লগত যোগাযোগ কৰি আছে। প্ৰথমতে চৰকাৰ প্ৰয়োজন হ'ব ঘৰ বিভীষণবিলাক চিনাক্ত কৰা। এই ঘৰ বিভীষণবিলাক চিনাক্ত কৰিব নোৱাৰিলে আমাৰ চৰকাৰ যি উদ্দেশ্য লৈ ইয়ালৈ আহিছে সেই উদ্দেশ্য কেতিয়াও বাস্তৱত পৰিণত নহ'ব। যোৱা কালি মংগলদৈ পাচলি বজাৰত আৰু বাইহাটা চাৰিআলিত বোমা বিস্ফোৰণ হৈছে। তিনিজন মানুহৰ মৃত্যু হৈছে আৰু ৩২ জন আহত হৈছে। বাইহাটা চাৰিআলিত ১১ জন আহত হৈছে। কিন্তু মই জানিবলৈ পাইছো বোমা বিস্ফোৰণৰ এঘণ্টা পিচত পুলিচ বাহিনী গৈছিল আৰক্ষী চকীৰ নিচেই কাষতে ঘটা ঘটনাস্থলীলৈ। স্থানীয় কেইজনমান লোক গৈছিল সদৰ এচ-ডি-অ'ৰ ওচৰত আৰু তেতিয়া তেওঁ কল্ড ড্ৰিংক খাই আছিল। ঘটনাৰ ওপৰত ব্যৱস্থা লোৱাৰ কথা কোৱাত স্থানীয় লোক কেইজনক কৈছিল তেওঁলোকে কবলৈ কি অধিকাৰ আছে। পুলিচ ইমান নিষ্ক্ৰীয় যে এঘণ্টা পিচতহে পুলিচ যাব পাৰিছিল। সদৰ এচ-ডি-অ'ই কিয় ব্যৱস্থা লোৱা নাছিল তাৰ এটা তদন্ত চৰকাৰে কৰিব লাগে আৰু যদি দোষী সাব্যস্ত হয় তেতিয়াহ'লে শাস্তিৰ ব্যৱস্থা কৰিব লাগে। দোষী পুলিচ বিষয়াই হওক বা অসামৰিক বিষয়াই হওক আমি কাকো ক্ষমা কৰা উচিত নহ'ব। উপাধ্যক্ষ মহোদয়, চৰকাৰে যিবিলাক দায়িত্ব লৈ আছে সেইবিলাক পালন কৰিবলৈ হ'লে অসমৰ পুলিচ বাহিনী, অসামৰিক বিষয়া-কৰ্ম্মচাৰী সকলোৰে ক্ষেত্ৰত চৰকাৰীভাবে ব্যৱস্থা ল'বলৈ যাওঁতে বিৰোধী দলৰ মাননীয় সদস্য সকলৰো সহযোগিতা পাব লাগিব। তেতিয়াহে এইবিলাক সমস্যা সমাধান কৰিব পৰা হ'ব। বিভিন্ন সময়ত কংগ্ৰেছ আই কৈছে যে আলফাক হেনো অসম গণ পৰিষদে জন্ম দিলে। কিন্তু কথা হ'ল আলফাৰ জন্ম হৈছিল ১৯৭৯ চনত আৰু অসম গণ পৰিষদৰ জন্ম হৈছিল ২৪ অক্টোবৰত, গোলাঘাটত ১৯৮৪ চনত। এতিয়া বিয়া নোহোৱাকৈয়ে ল'ৰা জন্ম দিয়ে নেকি? বিয়া নোহোৱাকৈ ল'ৰাৰ জন্ম কেনেকৈ হয়।

(ভইচ ঃ হয়।)

সেইটো হ'বলৈ হ'লে বেলেগ। অৰ্থাৎ অবৈধ হ'ব। অসম গণ পৰিষদে অবৈধভাৱে কাকো জন্ম দিয়া নাছিল। যদি দিছিল অসম গণ পৰিষদৰ বিধায়কসকলক তিহঁত জেললৈ পঠাব লাগিছিল। যদি প্ৰমাণ পাইছিল। কিন্তু আজি কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী

কল্পনাথ ৰায় তিহাৰ জেলত আছে। কিয় জেলত থাকিবলগীয়া হ'ল? মহাৰাষ্ট্ৰৰ বোমা বিস্ফোৰণৰ লগত জড়িত ডাউড ইব্ৰাহিমক কেন্দ্ৰীয় মন্ত্ৰী কল্পনাথ ৰায়ে থাকিবলৈ সুবিধা কৰি দিছিল। আশ্ৰয় দিছিল। আমাৰ ইয়াত অসমত সেই সময়ত ভাতৃঘাতী সংঘৰ্ষ হৈছিল বাবৰি মছজিদ ভাঙি দিয়া ঘটনাকে কেন্দ্ৰ কৰি। সেই সাম্প্ৰদায়িক সংঘৰ্ষৰ কাৰণে তদন্ত কৰিবলৈ কমিটী গঠন কৰা হৈছিল। কিন্তু সেই কমিটীয়ে প্ৰতিবেদন দাখিল কৰা নাই। সেই কমিটীৰ তদন্তৰ প্ৰতিবেদন দাখিল কৰা নাই। সেই কমিটীৰ তদন্তৰ প্ৰতিবেদন বিধানসভাৰ মজিয়াত দাখিল কৰিবলৈ উপাধ্যক্ষ ডাঙৰীয়া মই আপোনাৰ জৰিয়তে অসম চৰকাৰক অনুৰোধ জনাইছো। কিয়নো সেই সময়ৰ বহুতো বিধায়ক, মন্ত্ৰী সেই ঘটনাৰ লগত জড়িত আছিল বুলি বিভিন্ন বাতৰি কাকতত প্ৰকাশ পাইছিল। দিল্লীত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক হত্যা কৰাৰ সময়ত বহুত শিখ মানুহত হত্যা কৰা হ'ল। সেই শিখ হত্যাৰ নেতৃত্ব দিছিল এইচ-কে-এল ভগতে। তেওঁ সাম্প্ৰদায়িক উচটনি দিয়াৰ কাৰণে তেনেকুৱা অৱস্থা হৈছিল। গতিকে আশা কৰিছো আমাৰ ইয়াতো দত্ত কমিশ্বনৰ প্ৰতিবেদন বিধান সভাত দাখিল কৰিব লাগে। ইয়াৰ লগতে যিমানবিলাক সাম্প্ৰদায়িক ঘটনাৰ ওপৰত কমিশ্বন আদি গৈছে সেই আটাইবিলাক প্ৰতিবেদনেই বিধানসভাৰ মজিয়াত দাখিল কৰিবলৈ উপাধ্যক্ষ ডাঙৰীয়াৰ জৰিয়তে মই অনুৰোধ জনাইছো।

যি কি নহওক আজি বিশেষকৈ অসমৰ যিটো আন্তঃৰাজ্যিক সীমা অসম-অৰুণাচল, অসম-নগালেণ্ড, অসম-মেঘালয়, অসম-মিজোৰাম এই আন্তঃৰাজ্যিক সীমা বিবাদ ততালিকে নিস্পত্তি কৰিবলৈ অসম চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত ব্যৱস্থা ল'ব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ আন্ত ৰাজ্যিক সীমা অসম অৰুণাচল, অসম, নগালেণ্ড, অসম মেঘালয়, অসম মিজোৰামৰ সীমা বিবদ নিষ্পত্তি কৰিবলৈ অসম চৰকাৰ আগবাঢ়ি আহিব লাগিব। অলপ দিন আগতে মেৰাপানীত সংঘৰ্ষ হৈছে। ধেমাজী জিলাৰ জিয়াঢল ৰিজাৰ্ভ ফৰেষ্ট শান্তিপুৰ অঞ্চলত সীমা বিবাদ হৈছে। অসমৰ কমেও ২৫০০ শ বিঘা মাটিত অৰুণাচলৰ মানুহে খেতি কৰিছিল। উপাধ্যক্ষ মহোদয়, যোৱা ১৬ মে' তাৰিখে ১৮ জনীয়া দুষ্কৃতিকাৰীৰ দল এটাই

অসমৰ মানুহক খেদি আহোতে অসম পুলিচে কৰায়ত্ত কৰিবলৈ বাধ্য হ'ল। গাওঁবুঢ়া সহিতে তিনি জন ব্যক্তিক জেল-হাজোতলৈ প্ৰেৰণ কৰিবলগীয়া হ'ল। এইবিলাক ক্ষেত্ৰত অসম চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমি দেখিছো যে নগালেণ্ড চৰকাৰে সীমান্ত অঞ্চলত ঘৰ বনাইছে, খোৱা পানীৰ ব্যৱস্থা কৰিছে, ৰাস্তা-ঘাট বনাই, স্বাস্থ্য কেন্দ্ৰ খুলিছে। কিন্তু সেই সময়ত অসম চৰকাৰৰ বিষয়া সকল শুই আছিল। কোনো কাম কৰা নাছিল। তেনেকৈ অসম, অৰুণাচল-মেঘালয়, আৰু মিজোৰামেও কৰিছে। মই উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে অসম চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো অসম মেঘালয় অসম অৰুণাচল, অসম নগালেণ্ড সীমাত থকা মাটিবিলাক জৰিপ কৰি লগে লগে ৰিজাৰ্ভ কৰি মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু তাত উন্নয়মুলক আঁচনি লোৱাৰ কাৰণে মিত্ৰ দলৰ চৰকাৰক মই অনুৰোধ জনাইছো। যোৱা ২৭ মে' তাৰিখে অৰুণাচলৰ শান্তিপুৰ অঞ্চললৈ মই নিজে গৈছিলো। প্ৰশাসনীয় বিষয়াসকলক লগত লৈ নিজে প্ৰত্যক্ষ কৰিছিলো। উপাধ্যক্ষ মহোদয়ে তোলা এইখন ফটো চাওক (ফটোখন দেখুৱাই) ইয়াত এডাল গছ আছে। তাৰ লগে লগে আৰু এখন ফটো চাওক। এইটো পিলাৰ। এই পিলাৰটো বৃদিছৰ দিনতে পুতিছিল। অসমৰ সীমাত তাত 'নেফা' বুলি লিখা আছিল। তলত লিখা আছিল লক্ষীমপুৰ। ৯ জুন তাৰিখে আমি তালৈ গৈছিলো। সেই পিলাৰটোত লিখা আখৰবিলাক ভাঙি চুড়মাৰ কৰি দিয়া হ'ল। এই ক্ষেত্ৰত অসম চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। অসমৰ মাটি এচিকতাও আমি অৰুণাচলক এৰি দিব নোৱাৰো। অৰুণাচলৰ কৰ আৰু আবকাৰী বিভাগৰ মন্ত্ৰীয়ে মোলৈ এখন তাৰবাৰ্তা পঠিয়াইছিল। সেইখনৰ ইনফো কৰিছিল মুখ্য সচিবলৈ? অসমৰ মুখ্য সচিবে এইখন পাইছে নে নাই বা কি ব্যৱস্থা ললে মই নাজানো। চিঠিখনত লিখিছে –ইংৰাজীত এইটো লেণ্ড দিচপুটেড্ এৰিয়া নহয়। ল এণ্ড অৰ্ডাৰৰ কথা, মাটিৰ কথা। এই কাৰণে নহয় যে এই মাটি অসমৰ। কিন্তু অৰুণাচলৰ মন্ত্ৰীয়ে লিখিছে-

To : SHRI DILIP KUMAR SAIKIA, Hon. MLA, Dhemaji

INFO : Chief Secretary, AP/Chief Secretary, Assam

From : Hon'ble Minister Tax and Excise, AP, Camp-Lekhabali

Understood that you have visited recently land dispute area of KNK between KNK Adi and neighbouring village of Assam especially Kochari/Nepali and indigenous Assamese. The said cultivation field had actually been cultivated by Adi people since from inception and there is agreement between Adi people and plain which duly signed by administration of both States i, e. by Shri B. N. Ghosh, SDC, Dhemaji, Assam and Shri Tagom Darang CAC Lekhabali, Arunachal including other officers and public of both parties on 18/ 7/84. It is also learnt that Shri Naba Bora, OC, PS. Dhemaji and 13th AP BN deployed at No. 3. Shantipur Assam are distributing the Adi land to plain people and order them to cultivate stop. Hence request to direct SP/DC Dhemaji to stop such activity till the administrable settlement is being done (stop) For Chief Secretary Arunachal Pradesh only (stop) Request to take immediate action with countarpart Assam." এইখন মেচেজ পঠাইছে ১/৬/৯৬ ইং তাৰিখে। মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ মাটি অসমৰ কথা। অৰুণাচলৰ চৰকাৰে হস্তক্ষেপ কৰিব এইটো কেতিয়াও সহ্য কৰা নহ'ব। চাবলৈ গ'লে অসমত বহুতো ভূমিহীন মানুহ আছে। আচৰিত কথা নোহোৱা নোপোজা কথা অৰুণাচলে কৰিছে। অসমৰ মাটিত আধিয়া কৰিছে। অসমৰ মাটি, অসমৰ মানুহ, অসমৰ হাল, গৰু, অসমৰ কঠিয়া আনকি অসমৰ এচাৰিও। চাৰি বিঘাত খেতি কৰিলে তিনি বিঘাৰ খেতি অৰুণাচলে লৈ যায়। অসমৰ মাটিত অৰুণাচল চৰকাৰে বন বিভাগৰ ৰাস্তা বনাইছে। কিন্তু অসমৰ বন বিভাগৰ বিষয়া কৰ্মচাৰীসকলে একো নাজানে। এইটো আচৰিত কথা। বন বিভাগৰ বিষয়াসকলে কৈছে যে আমি প্ৰতিবাদ কৰিছিলো। তেওঁলোকে মানি লৈছে। অৰুণাচলৰ আণ্ডাৰগ্ৰাউণ্ড সংগঠন এটাই কৈছে তেওঁলোকে অসম চৰকাৰক নটিচ জাৰি কৰিছে। অসম চৰকাৰক এ পি বি এন ১৩ কমেণ্ডেণ্টক কৰিছে —

**"NOTICE"**

**TO THE GOVERNMENT OF ASSAM**

APBN 13

The real fight will be starting on Wednesday night.

So, I request you unfortunately left this place.

APBN Go Back

Assam Government go back underground party of A.P.
Thanks."

এতিয়া আমাৰ চৰকাৰে হাত সাৰটি বহি থাকিলে নেকি। আমি লে ম্যান নহয়। উপাধ্যক্ষ মহোদয়, ধেমাজি অঞ্চলত বহুতো ভুমিহীন খেতিয় আছে। আমি তেওঁলোকৰ মাজত ভগাই দিব পাৰো। মই ৰাতিপুৱা খবৰ কৰিছিলো ধেমাজি চিয়াং জিলাৰ চি চি, এচ ডি চিয়ে মাটি ভাগ কৰিব পাৰে নেকি। মাটি বিতৰণ কৰিবলৈ হলে ৰাজনৈতিকভাৱে চি এম চি এচ লেভেলত হ'ব কিন্তু এচ ডি চিয়ে এগ্ৰিমেণ্ট কৰিব নোৱাৰে। মাটি বিতৰণৰ এগ্ৰিমেণ্ট কৰা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, অসম অৰুণাচল সীমান্ত অঞ্চলত প্ৰায় ২৫ শ বিঘা খালি মাটি আছে। সেই মাটি বিলাকত কোনো ধৰণৰ গছ-গছনি নাই। গতিকে মই উপাধ্যক্ষ মহোদয়ক অনুৰোধ কৰিছো যাতে এই মাটিবিলাক কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি ডি-ৰিজাৰ্ভ কৰিব লাগে। যিবিলাক দুখীয়া মানুহ আছে জৰিপ কৰি সেই মাটিবিলাক পট্টন দিব লাগে। লগে লগে ৰাস্তা-পদুলি, বিজুলী-বাতি, খোৱা পানী আৰু যাতায়াতৰ সুবিধা কৰিব লাগে। তাৰ উপৰিও স্বাস্থ্য কেন্দ্ৰ আৰু পুলিচ আউট পষ্ট পতাৰ ব্যৱস্থা কৰিব লাগে। অসম চৰকাৰে যদি ব্যৱস্থা গ্ৰহণ কৰে দৈয়াং ফৰেষ্ট ৰিজাৰ্ভ, গহপুৰ ফৰেষ্ট ৰিজাৰ্ভৰ পৰা জোনাই মোককচাঙলৈকে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি দুখীয়া মানুহক পট্টন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু স্থায়ী সমাধান কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, বানপানীৰ যি ভয়াবহ ৰূপ সেই কথা মাননীয় সদস্য শ্রী ভৰত নৰহ ডাঙৰীয়াই উল্লেখ কৰিছে। ধেমাজি জিলাত যোৱা ৯ তাৰিখে পেহিয়তী মথাউৰি লেফ বেংকৰ ২০০ মিটাৰৰ ১৫০ মিটাৰ ভাঙি উটোৱাই লৈ যায়। কোলা টিয়াৰ ১২০ মিটাৰ ভাঙি লৈ গল। তাত অৱস্থা বৰ বেয়া। ধাৰাষাৰ বৰষুণৰ ফলত বহুত খেতি নষ্ট হ'ল। মাননীয় অধ্যক্ষ মহোদয় সেই কাৰণে মই আশা ৰাখিছো বিশেষকৈ যিসকল খেতিয়কৰ খেতি-বাতি নষ্ট হ'ল তেওঁলোকক পুনৰ খেতি কৰিবৰ বাবে কঠিয়া যোগান দৰিব লাগে। নহলে ধেমাজি আৰু জোনাইৰ অৱস্থা বৰ বেয়া হ'ব। জোনাই ১৫০ মিটাৰ মঠাউৰি ভাঙিছে। গতিকে আমাৰ চৰকাৰে বিভাগীয় বিষয়া সকলক নিৰ্দেশ দি এই সমস্যাবিলাকৰ সমাধানৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, মেলেৰীয়াত বহুত মানুহৰ মৃত্যু হৈছে। ধেমাজিত ১০ জনৰ মৃত্যু হৈছে। আমাৰ চৰকাৰৰ এই ক্ষেত্ৰত তৎকালে ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু তেতিয়াহে আমাৰ ৰাইজৰ উপকাৰ হ'ব বুলি ভাবিছো। কাৰণ মই জনাত বিষয়াসকলৰ হেমাহিৰ কাৰণে এইবোৰ হোৱা নাই। ধেমাজিত বিষয়াসকলে দিনত একো ক'ব নোৱাৰে। টেলিফোন কৰিলে কয় ইয়াৰ পৰা ঔষধ পঠাইছো কিন্তু তাত ঔষধ দিলে নে ডি ডি টি দিলে খবৰেই নাই। গতিকে এনেকুৱা বিষয়াক কঠোৰ হাতেৰে দমন কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ বিষয়ে ধেমাজি জিলাৰ কথা ক'বলৈ বিচাৰিছো। ধেমাজি জিলাৰ শিক্ষকৰ পোষ্ট আছিল ৪০ টা। কিন্তু তাত নিযুক্তি দিয়া হ'ল ৭৩২। এতিয়া দৰমহা নাই কিছুমানৰ চাকৰি নাই। সেই সময়ত তাৰ মন্ত্ৰীজনে অফিচাৰক মাতি লৈ যায় ডি আই আৰু ডি ইওক কয় 'তই হৰিণা মই বাঘ', চহী কৰ যদি কৰ, নকৰিলে মই তোক খাম — এনে ধৰণেৰে তেতিয়াৰ নিযুক্তি হৈছিল। কিন্তু এতিয়া মন্ত্ৰী পলাই থাকিলবলগীয়া হৈছে। এজন মেম্বাৰে তেতিয়া চাকৰী দিওতে ভাল মাটি হলে এক বিঘা বেয়া মাটি হলে দুই বিঘা আৰু তাতকৈ বেয়া হলে তিনি বিঘালৈকে লৈছিল। ব্লক কংগ্ৰেছৰ প্ৰদীপ বৰা আৰু ৰাজেন দলে এই বিলাক কামত জড়িত আছিল। বাতৰি কাকতত ওলাইছে আপোনালোকে

পাইছে, যোৱা ১২ মে তাৰিখে পাজেন দলেক হাতুৰীৰে মাৰি মূৰ ফালিছে। আমাৰ চৰকাৰে এইবিলাক চৰ বুলি আশা ৰাখিলো। যাতে চাকৰিৰ নামত এপইচাও খাব নোৱাৰে। আমাৰ মাননীয় ৰাজ্যপালৰ ভাৱণতো এইটো উল্লেখ আছে। আমাৰ চৰকাৰৰ দিনত দালালে যাতে একো সুবিধা কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। মই কৈছো যে যোৱা পাচ বছৰত তেওঁলোকে যি কৰিলে এতিয়া আৰু কৰিব নোৱাৰিব। মই দালাল বিলাকক চিনি পাও। তেওঁলোক অম্বৰীশ হোটেলত আহি থাকে। মই তাৰ কাৰণে এডাল বেট কাতি থৈছো। সিহঁত আহিলে সেইডালেৰে কোবাম।

উপাধ্যক্ষ মহোদয়, আচাৰ্যজনক কথা এই যে পূৰ্বতে যিবিলাক অনিয়মিতভাৱে নিযুক্তি ইত্যাদি দিয়া হৈছিল সেইবিলাক নিয়মীয়া কৰাৰ কাৰণে বা ৰেগুলাৰ কৰাৰ কাৰণে এচাম দালালে অহৰহ চেষ্টা চলাই আছে, আনকি ধেমাজিৰ পৰা টকা-পইচাও সংগ্ৰহ কৰি ইয়াত চেষ্টা চলাই আছে। দিশপুৰতো বহু বিষয়া-কৰ্মচাৰী এইবিলাক কাৰ্যত জড়িত হৈ আছে বুলি আমি জানিব পাৰিছো। উপাধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই অসমৰ জ্বলন্ত সমস্যাবিলাক সমাধান কৰিবৰ কাৰণে চেষ্টা কৰিবলৈ নতুন চৰকাৰক অনুৰোধ জনাইছো। লগতে বিৰোধী পক্ষৰ সদস্যসকলক এই ক্ষেত্ৰত বাস্তৱিক সহায় আগবঢ়াবলৈ অনুৰোধ জনাইছো আৰু অসমৰ সকলো কৰ্মচাৰী আৰু বিষয়াসকলক এইক্ষেত্ৰত প্ৰকৃতাৰ্থত সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনালো। যোৱা ২৬ মে’ তাৰিখে মই গুৱাহাটীৰ পৰা ধেমাজিলৈ গৈ থাকোতে দেখিলো প্ৰথম নেলীৰ ওচৰত চেক গেটত পুলিচে লাইনত থকা ট্ৰাক বিলাকৰ পৰা পইচা তুলিছে। আকৌ তাৰ পাছত দেখিলো ধৰমতলতো তেনেদৰে পইচা তুলিছে, তেতিয়া মই আই চিক মাতি সুধিলো এইবিলাক কি হৈছে তেওঁ কলে এচ পিয়ে পইচা তুলিব দিছে ইতিমধ্যে যোৱাকালি এজন মাননীয় সদস্যই এই বিষয়ে আলোচনা কৰিছে। এজন হোমগাৰ্ডৰ মৃত্যু হৈছে বুলিয়ে জনা গৈছে। এইদৰে পুলিচে ৰাস্তাৰ কাষত বৈ থকা ট্ৰাকবিলাকৰ পৰা পইচা তোলা কথাটো অত্যন্ত গৰ্হিত হৈছে। মই তৎক্ষণাত এইটো বন্ধ কৰিব লাগে বুলি আপত্তি কৰিলো আৰু ট্ৰাক বিলাক এৰি দিবলৈ জনাই দিলো। অৱশ্যে যোৱা ১০ জুন

তাৰিখে যেতিয়া মই ধেমাজিৰ পৰা পুনৰ দিশপুৰলৈ আহো তেতিয়া তেনেধৰণৰ ট্ৰাকৰ লাইন দেখা নাই। অৱশ্যে আমি চেক গেট বন্ধ কৰিব লাগে বুলি কোৱা নাই কিন্তু সেই বুলি চেক গেট ৰাখি তাত দুখীয়া মানুহ বিলাকক আৰু যাত্ৰীক অসুবিধাত পেলাব ড্ৰাইভাৰ বিলাকক নিৰ্যাতন দিব সেইটো হ'ব নোৱাৰে। ক'ৰবাত এক্সট্ৰিমিষ্ট ধৰা পেলোৱাৰ বাবে চেক কৰা ইত্যাদি বিলাক ক্ষেত্ৰত চেক গেট লাগে আমি তাত আপত্তি কৰা নাই। কিন্তু সৰ্বসাধাৰণ ৰাইজক হাৰাশাস্তি দিয়াৰ ক্ষেত্ৰত আমি বাধা দিব লাগিব। আমাৰ কেবাগৰাকী মাননীয় সদস্যই কৈছে যে আজি কি কাৰণত আলফা, বি এছ্ এফ বিদ্ৰোহী হ্ব লগা হৈছে, ইয়াৰে নিশ্চয় কাৰণ আছে, তেওঁলোকৰ মাজত ক্ষোভ আছে, সেই ক্ষোভ বিলাক আমি অনুধাৱন কৰিব লাগিব আৰু তেওঁলোকক মাতি আনি এই সমস্যাটোৰ বিষয়ে বিশদ আলোচনা কৰি সমাধানৰ পথা বিচাৰি উলিয়ালেহে আমি এটা হয়তো ভাল ফল পাব পাৰো। মই এজন মিজো নেশ্যনেল ফ্ৰণ্টৰ এজন সদস্যক লগ পাইছিলো, তেওঁ মিজোৰাম এৰি আমাৰ অসমত এজন শিক্ষক হিছাপে শিক্ষকতা কৰি আছে। মই তেখেতক সুধিছিলো আপুনি কিয় মিজোৰাম এৰি আহি ইয়াত শিক্ষকতা কৰি আছে তেতিয়া তেখেতে উত্তৰ দিলে সমাজ ব্যৱস্থা আৰু চৰকাৰৰ কাৰণেই তেওঁলোক আজি বিদ্ৰোহী হ'বলৈ বাধ্য হৈছে, তেওঁলোক আজি ৰিবেল হ'বলগীয়া হৈছে। গতিকে মই আশা কৰিছো নতুন চৰকাৰ অগপ চৰকাৰে এক সদিচ্ছা আৰু আন্তৰিকতাৰে এই বিদ্ৰোহী সংগঠন আছে তেওঁলোকৰ লগত আলোচনা বিলোচনা কৰি এই সমস্যাবিলাক যাতে সমাধান কৰা হয় তাৰ কাৰণে অনুৰোধ জনাইছো কেৱল বাঃ বাঃ লবৰ কাৰণে আলোচনাত বহিলে একো লাভ নহয়, এই খিনিকে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Deputy Speaker :** Now, I am going to request Hon'ble Member Shri Hiren Das to speak.

* **শ্ৰীহীৰেন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত ইতিমধ্যে সদনৰ যথেষ্ট সংখ্যক মাননীয় সদস্যই আলোচনা বিলোচনা কৰি নিজৰ

* Speech not corrected

নিজৰ বক্তব্য দাঙি ধৰিলে আৰু মাননীয় সদস্য হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই যিটো ধন্যবাদসুচক প্ৰস্তাৱ ৰাজ্যপালৰ ভাষণৰ ওপৰত আনিছে সেই প্ৰস্তাৱটো মই পূৰ্ণ সমৰ্থন জনাইছো আৰু এই সম্পৰ্কত চমুকৈ দুষাৰমান কবলৈ আগবাঢ়িছো। যোৱাকালি ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা কৰি কেবাজনো সদস্যই কৈছিল আৰু আজিও মই কও যে অসম প্ৰশাসনৰ চাৰি জন বিষয়াই আমাৰ ৰাজ্যখনৰ পৰা অনিয়মিতভাৱে পলাই গৈছে কিন্তু তেওঁলোকক ঘুৰাই অনাৰ কোনো ব্যৱস্থা এতিয়ালৈকে হোৱা নাই। এই বিষয়া কেইজনে নিশ্চয় ভয়ানক পাপ অপৰাধ কৰিছে নহলেনো তেওঁলোকে অসম এৰি এতিয়া দিল্লীত গৈ কেন্দ্ৰীয় চৰকাৰৰ ছত্ৰছায়াত কেনেকৈ বিচৰণ কৰিব পাৰে। কিন্তু আজি ইমান দিন পাৰ হোৱাৰ পিছতো চৰকাৰে অনুসন্ধান কৰি তেওঁলোকক কৰায়ত্ত কিয় কৰিব পৰা নাই আমি বুজা নাই। গতিকে আমি আশা ৰাখিছো চৰকাৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা ল'ব। বিগত পাঁচ বছৰত পূৰ্বৰ চৰকাৰে কেনেকৈ অসমৰ দুখীয়া জনসাধাৰণৰ বুকুত বন্দুক থৈ সন্ত্ৰাস আৰু দুগতিৰ ৰাজনীতি চলাইছিল আৰু প্ৰশাসনত অবাধ দুৰ্নীতি চলাইছিল সেই বিষয়ত দুষাৰ মান নকলে ভাল নহ'ব। নিৰ্বাচনৰ সময়ত তেওঁলোকে ধনবল বাহুবল প্ৰয়োগ কৰি সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। কিন্তু তেওঁলোকে প্ৰকৃত যিটো সমস্যা তাৰ ওপৰত কোনো ধৰণৰ বিচাৰ বিবেচনা নকৰিলে। আলফাৰ সমস্যাটো সমাধান কল্পে নকৰিলে বৰং ছালফাৰ সৃষ্টি কৰি ভাতৃঘাটী সংঘৰ্ষৰ সৃষ্টি কৰিলে। আজি যিসকল বিদ্ৰোহী সংগঠন আলফাই হওক বা বি এচ এফেই হওক বা এন এচ চি এনেই হওক তেওঁলোকে কি চখত বিদ্ৰোহী সংগঠন কৰিলে। নে কি, কিহৰ তাড়নাক তেওঁলোকে হাৰিয়ে জংঘলে ঘৰ-বাৰী এৰি ইমান কষ্ট ভোগ কৰিছে। ইয়াৰ প্ৰকৃত কাৰণটো বিচাৰ কৰিব চাবৰ হ'ল।

উপাধ্যক্ষ মহোদয় আপুনি জানে আলফাই আত্মগোপন কৰি বিদ্ৰোহ কৰিছে কিন্তু ছালফাই মুকলিকৈ পুলিচৰ সন্মুখতেই বন্দুকৰ নলী টোৱাই চাৰিওফালে সন্ত্ৰাসৰ বেহাৰ মেলিছে। এটি গুণ্ডা বাহিনী সৃষ্টি কৰিছে। এনেবিলাক দুষ্কাৰ্য্যৰ লগত কিছুমান ৰাজনৈতিক নেতা জড়িত আছে। এই ক্ষেত্ৰত প্ৰধান কাৰণবিলাক আয়ত্ত কৰিবলৈ চেষ্টা কৰিব লাগে। আশাকৰো নতুন চৰকাৰে এই বিষয়ত এটি দৃঢ় আৰু শুদ্ধ পথলৈ এই সমস্যাবিলাক সমাধানকল্পে চিন্তা-চৰ্চা কৰিব। যোৱা পাঁচটা বছৰত

ৰাজ্যখনত উন্নয়মূলক কাম কৰি কি হ'ল আৰু কি নহ'ল সেই বিষয়ে যথেষ্ট আলোচনা হৈছে, উন্নয়নমূলক কাম এটা কুটাও হোৱা নাই। আমাৰ দৰং জিলাতো কেবাজনো বিয়াগোম মন্ত্ৰী আছিল । আমাৰ বিৰোধী দলৰ নেতা কন্দপান ডাঙৰীয়াইও কেবিনেট মন্ত্ৰী আছিল। এই তিনিজন মন্ত্ৰী থকাৰ পিছতো আমাৰ দৰং জিলাৰ কোনো উন্নতি নহ'ল। ৰাস্তা-ঘাট নাই, বানপানী সমস্যাকে ধৰি বিধিন্ন সমস্যা সমস্যা হৈয়ে ৰল, তেখেতসকলে একো নকৰিলে। কিন্তু এটা সৃষ্টি কৰিলে, মঙলদৈত এল, অ, চি কেলেংকাৰীৰ বীৰ-পুৰুষৰ সৃষ্টি হ'ল। এই এল, অ, চিৰ বিষয়ে সদনত বহুত আলোচনা হৈছে। ইয়াৰ এটা বিহিত ব্যৱস্থা কৰিব লাগে।

উপাধ্যক্ষ মহোদয়, ইতিমধ্যে বাজেট আলোচনা হওঁতে বহুতো কথাই আলোচনা হৈছে। এই ক্ষেত্ৰত ৰাজহৰ ওপৰত গুৰুত্ব দিয়া হৈছে। কিন্তু মই ভাবো এই বিষয়ত ফুফাং কৰা হৈছে। আমি শুনিছোহে পূৰ্বৰ বিত্তমন্ত্ৰী ডাঙৰীয়াই বোলে শ্ৰীৰামপুৰ গেটৰ নিচিনা গেট বিলাকৰ কালেকশ্বন চৰকাৰৰ ঘৰত জমা নিদি অবৈধভাৱে নিজৰ ঘৰলৈ আনিছে। এনেকুৱা কামত বৰ্তমান চৰকাৰে চকু দিব লাগে, ইয়াৰ এটা ব্যৱস্থা হ'ব লাগে।

উপাধ্যক্ষ মহোদয়, মই মোৰ চৰকাৰক গুৰুত্ব সহকাৰে কব বিচাৰিছো যে আগতে সৃষ্টি কৰা বেয়া কামৰ বীজ গুছি যোৱা নাই। এটা দুষ্ট চক্ৰই ষড়যন্ত্ৰ কৰি আছে। এই চৰকাৰক কেনেকৈ শলঠেকত পেলাবলৈ অহৰহ চেষ্টা চলাই আছে। ইয়াক প্ৰতিৰোধ কৰাৰ কাৰণে গুৰুত্ব দিব লাগে। এই ষড়যন্ত্ৰৰ প্ৰতি চৰকাৰ কঠোৰ হ'ব লাগিব। যিকোনো ষড়যন্ত্ৰকে মষিমূৰ কৰিবলৈ আমি বিধায়ক সকলে মত বিনিময় কৰিব লাগিব। আমাক ৰাইজে ইয়ালৈ পঠিয়াইছে ভাল কাম কৰিবলৈ, ৰাইজৰ সকলোৰে ওপৰত নজৰ আছে। সেয়ে আমি ভালৰ বিষয়ে, অসমৰ উন্নতিৰ কাৰণে সকলোৰে আলোচনা হ'ব লাগে আৰু সকলোৱে যাতে সহযোগ আগবঢ়ায় তাৰ বাবে আমি নতুন বিধায়ক হিচাপে অনুৰোধ জনাইছো।

উপাধ্যক্ষ মহোদয়, যোৱা কালি মঙ্গলদৈত এটা বোমা বিস্ফোৰণ হ'ল, চহৰৰ মাজমজিয়াতে হৈছে, তিনিজনতকৈও অধিক মানুহ মঙ্গলদৈ আৰু গুৱাহাটীত

চিকিৎসাধীন হ'ব লগা হৈছে আৰু দুজনৰ মৃত্যু হৈছে। তাৰ ডেৰ ঘণ্টা পিছতে বাইহাটা চাৰিআলিত আৰু এটা বোমা বিস্ফোৰণ হৈছে। দুয়োটা বিস্ফোৰণৰ একেই। মঙ্গলদৈৰ পৰা বাইহাটা চাৰিআলিৰ আধা ঘণ্টাত পোৱা হয়, গতিকে এই দুয়োটাৰে সাদৃশ্য আছে, মঙ্গলদৈ আৰু বাইহাটা চাৰিআলিৰ মাজত ডুমুনীচকীত মাৰুতি ভান এখন ৰৈ থকা ৰাইজে দেখা পাইছিল। তাত এজন ৰাজনৈতিক নেতাও আছিল হেনো। এনেকুৰাকৈ এটা চক্রই ষড়যন্ত্রত লিপ্ত হৈ পৰিছে। ইয়াৰ ব্যৱস্থা হ'ব লাগে। চৰকাৰে আইন-শৃখলাত কঠোৰ হব লাগে। ৰাইজে শান্তি বিচাৰিছে, আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত চৰকাৰ কোনোপধ্যে পিছ হুঁহকি থাকিব নেলাগে। যোৱা পাচ বছৰে নিৰপৰাধী কিছুমান মানুহে যাতে দোষতে শাস্তি ভুগিব লগা হৈছে। নিৰপৰাধী মানুহে যাতে শাস্তি নাপায় তাৰ বাবে চৰকাৰে চকু ৰাখিব লাগিব।

উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণত উল্লেখ কৰা হৈছে এচ্ চি, এচ, টি অনুসুচিত জাতি জনজাতিৰ কথা। এই ক্ষেত্ৰত সফলতাৰে কাৰ্যকৰী কৰিবলৈ অনুৰোধ জনালো। সংবিধান ৰচনা হোৱাৰ স্বাধীনতাৰ পিছতো তেওঁলোকৰ উন্নতি হোৱা নাই। আমাৰ ওদালগুৰিৰ বিধায়ক ডাঙৰীয়াই কৈছে, এই ক্ষেত্ৰত ৰোষ্টাৰ মেনটেইন কৰা নাই, বেকলগ আদি পূৰণ কৰা নাই পদোন্নতিৰ ক্ষেত্ৰত বহুতো খেলি-মেলি আছে। এচ, চি / এচ, টি,ৰ টকা যি আছে সেই টকা এই শিতানতে খৰচ কৰিব লাগে, এই শিতানৰ পৰা আন শিতানলৈ ডাইভাৰ্ট কৰিব নালাগে। তেওঁলোকে গুৱাহাটীত এটা ৰেষ্ট হাউচ বিচাৰিছিল। মই চৰকাৰক অনুৰোধ কৰো যাতে গুৱাহাটীৰ মাজ-মজিয়াত এটা ৰেষ্ট হাউচৰ ব্যৱস্থা কৰি দিয়া হয়। আমাৰ অনুসুচিত জাতি আৰু জনজাতিৰ লোক সকলৰ তথা ভাৰতবৰ্ষৰ স্বনামধন্য জাতি আৰু জনজাতিৰ লোক সকলৰ তথা ভাৰতবৰ্ষৰ স্বনামধন্য ব্যক্তি ডঃ আম্বেদকাৰৰ প্ৰতিমূৰ্তি এটা গুৱাহাটীৰ মাজ মজিয়াত স্থাপন কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে আমাৰ চৰকাৰৰ ওচৰত অনুৰোধ জনাইছো। এইখিনিতে মই মোৰ সমষ্টিৰ এটা কথা কব বিচাৰিছো। মোৰ যিটো সমষ্টি তাৰ বেছিভাগ অঞ্চলেই চৰ। মই চৰ অঞ্চলত ঘুৰি ~~ফুৰা মানুহ মাননীয়~~ সদস্য সকলৰ দুই এজনে চৰত ডকাইতৰ সৃষ্টি হোৱা বুলি কৈছে। মঙ্গলদৈ, দলগাওঁ আদি সমষ্টিত যিখিনি চৰ অঞ্চল আছে সেই অঞ্চলৰ মানুহখিনিৰ কাৰণে যোৱা পাচ বছৰে একো কৰা নহ'ল।

চৰ অঞ্চলৰ উন্নয়নৰ নামত যোৱা টকাবিলাক কাম নকৰাকৈয়ে খৰচ কৰা দেখুওৱা হৈছে। যিহেতু উন্নয়নৰ টকাবিলাক একো নকৰাকৈয়ে খাই পেলাইছে গতিকে তাত ডকাইতৰ সৃষ্টি হৈছে। আমাৰ চৰকাৰে এই ক্ষেত্ৰত পুলিচক সক্ৰিয় কৰি তুলি সেই ডকাইতবোৰ নাইকিয়া কৰিব লাগে। চৰ অঞ্চল বিলাকত খাবলৈ পানী নাই। শিক্ষা আৰু অন্যান্য ক্ষেত্ৰতো বহুত পিছপৰা। চৰ অঞ্চলৰ মানুহখিনি যিহেতু কৃষি ভিত্তিক সেয়েহে তাত যদি ডকাইতি হয় বা গৰু আদি চুৰী হয় তেতিয়াহ'লে তেওঁলোকে একে কাম কৰিব নোৱাৰে। মই এজন নতুন সদস্য। মই ইয়ালৈ নতুন সদস্য হিচাপে অহাৰ আগতে বাতৰি কাতত বিধান সভাৰ টিপ্পনী হিচাপে দুই-চাৰিটা কথা প্ৰকাশ পোৱা দেখিবলৈ পাইছিলো। এই টিপ্পনী বিলাকত কোন সদস্যই কি কলে বা কি কৰিলে তাৰ দুই এটা আভাষ দিয়া হৈছিল। আমাৰ এই সদনক বহুতো জ্যেষ্ঠ সদস্য আছে আৰু তেওঁলোকে বহুতো কথা জানে। তেওঁলোকে যাতে আমাক ভাল কথা শিকায় আৰুভাল নিদৰ্শন দাঙি ধৰে ইয়াকেই আশা ৰাখিছো। মই বিৰোধী দলৰ সদস্য সকলৰ ক্ষেত্ৰতো এইকথা কৈছো। পূৰ্বৰ চৰকাৰে যোৱা পাচবছৰে যি দোষ কৰিলে সেইবোৰ আমি এৰিলো। কিন্তু আমি কৰিব খোজা ভাল কামখিনিক যাতে তেওঁলোকেও গুৰুত্ব দিয়ে তাৰ প্ৰতি অনুৰোধ জনাইছো। এইখিনিকে কৈ সকলোকে ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় উপাধ্যক্ষ্য ঃ** মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ১২.২০ মিনিটত ৰাজ্যপালৰ ভাষণৰ ওপৰত ভাষণ দিব। গতিকে মাননীয় সদস্যসকলে তেওঁলোকৰ বাষণ চমুকৈ ৰখাৰ কাৰণে মই অনুৰোধ জনালো। এতিয়া মাননীয় সদস্য শ্ৰীপৃথ্বিবী মাঝিয়ে ভাষণ দিব।

❋ **শ্ৰীপৃথ্বিবী মাঝি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য অসমৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে মই তাৰ বিৰোধিতা কৰি কেইটামান কথা ক'ব বিচাৰিছো। অৱশ্যে এইটো এটা গণতান্ত্ৰিক প্ৰক্ৰিয়া। বিধান সভাৰ আৰম্ভণিতে আৰু বাজেট অধিবেশনৰ প্ৰথম দিনা ৰাজ্যপাল মহোদয়ে ভাষণ দিয়ে। এই ভাষণত চৰকাৰে ভৱিষ্যতে কৰিবলগীয়া কামৰ ছবি প্ৰতিফলিত হয়। কিন্তু বৰ্তমান চৰকাৰে কিবা এটা যে কৰিব পাৰিব ইয়াত তেনেকুৱা ধৰণৰ কোনো ছবি প্ৰতিফলিত হোৱা নাই। এইখিনিতে মই ক'ব বিচাৰিছো পূৰ্বৰ

❋ Speech not corrected

শাসকদলৰ সদস্য সকলে কোনো ভাল কাম কৰা নাই আৰু সকলো কাম বেয়াহে কৰি গৈছে বুলি কৈছে। বাকী সকলোৱে যেন ধৰ্ম যুধিষ্ঠিৰ। আজি সেইটো প্ৰতিপন্ন কৰিবলৈ গৈছে। নতুন চৰকাৰ আহিছে, আপোনালোকে ভালকৈ কাম কৰক। কিন্তু আপোনাকে যদি ভাবি লয় কংগ্ৰেছে এইবাৰ হাৰিছে আৰু ৰাইজে হিয়া উদঙাই দেখুৱাইছে আমাক, সেইটো আমি নাভাবো। আপোনালোকে ১৯৮৫ চনত আহিছিল কিন্তু ১৯৯১ চনত আপোনালোকৰ কি অৱস্থা হৈছিল। ঠিক তেনেকৈ এইবাৰ আমাৰো আপোনালোকৰ আগৰ বাৰৰ অৱস্থাৰ নিচিনা হৈছে। যিহেতু আমাৰো কংগ্ৰেছ টেৰাৰী ইত্যাদি কিবাকিবি হৈছে। আপোনালোকে কাম কৰিবলৈ আৰম্ভ কৰিছেহে। গতিকে এই ক্ষেত্ৰত আমাৰ দোষাৰোপ কৰিবলৈ একো নাথাকে। আজি আইন-শৃখলাৰ অৱনতি এটা দলৰ চৰকাৰে কৰা নাছিল, বাহুত উঠিবলৈ ভয় কৰিছিল কিজানি কোনোবাই গুৰিয়ায় বা মাৰে। আইন-শৃখলাৰ অৱনতি কোনো এটা দলৰ চৰকাৰে কৰি থৈ যোৱা নাই। ১৯৯৫ চনত মই যেতিয়া লোকসভাৰ পৰা বিধান সভাৰ সদস্য হিচাপে থিয় হৈ মই মোৰ যিটো সমষ্টিলৈ গৈছিলো তেতিয়া তাৰ মানুহবিলাকে কৈছিল চাৰ আপুনি ইয়ালৈ নাহিব। কাৰণ পৰিস্থিতি বৰ বেয়া। ১৯৯১ চনৰ নিৰ্বাচনত কংগ্ৰেছে কেম্প কৰিব লগা নাছিল। কিন্তু ৰাইজেতো ভোট দিলে।

**মাননীয় উপাধ্যক্ষ্য ঃ** আমাৰ মাননীয় কোনোবা এজন সদস্যই বাতৰি কাকত পঢ়ি আছে। ৰুল পচিশ মতে এইটো নাপায়।

*** শ্ৰীপৃথ্বিবী মাঝি ঃ** কিন্তু সেইবাৰ অসম গণ পৰিষদ হাৰিল।

মাননীয় উপাধ্যক্ষ মহোদয়, মই কৈছো যে সমাজৰ এইটো এটা ব্যাধি। আজি কোকৰাঝাৰ, গোসাইগাঁও আৰু বঙ্গাইগাঁওত যিটো হৈছে। আজি আমি ২০ শতিকাৰ পৰা ২১ শতিকালৈ আগবাঢ়ি গৈছো। আমি সভ্য পৃথিবীৰ মানুহ হৈ গোষ্ঠীৰ সংঘৰ্ষ লগাটো সঁচাকৈ অতি পৰিতাপৰ বিষয়। আজি হয়তো ভাৰতবৰ্ষতে তেনে সংঘৰ্ষ আছে নে নাই এই অবিদিত। যাৰ কাৰণে নহওক এই সংঘৰ্ষ মষিমূৰ কৰিবলৈ চেষ্টা কৰিব লাগিব। আগেয়ে এনেকুৱা গোষ্ঠী সংঘৰ্ষ বোধহয় অসমত নাছিল।

* Speech not corrected

আজি যদি ইতিহাসত চোৱা যায়, ইন্দিৰা গান্ধী যেতিয়া প্ৰধান মন্ত্ৰী তেতিয়া ভাৰতৰ অৱস্থা কি হৈছিল। আইন-শৃংখলাৰ অৱনতি ঘটিছে। গোষ্ঠী সংঘৰ্ষৰ ঘটনাটো ১৪ মে' তাৰিখে হৈছে নে ১৫ মে' তাৰিখৰ পৰা আজি তাৰিখলৈকে অমানৱীয় অৱস্থাত আছে। এতিয়াও মানুহ মৰি আছে। ২০ মে' তাৰিখেও মানুহ মৰিছে। ইটোৱে-সিটোক সন্দেহ কৰে। মেডিচিনৰ অভাৱত মানুহ মৰিছে। ১৯১৭ চনত ইষ্ট ইণ্ডিয়াৰ ইলকামে ভাগলপুৰলৈ আহোতে বৃটিছৰ লগত সংঘৰ্ষ হয়। তেতিয়া সেই মানুহখিনিক অত্যাচাৰ কৰিব লগা হয় তেতিয়া বহুত মানুহ অসম, নেপাল, বাংলাদেশ, ভুটান আৰু মহিশূৰলৈ গৈছিল। ১৮৫৫ চনত এজন কৃষকে কৈছিল — There were many people who revolted anongst them most of the santalis who revolted in 1855 under the leadership of SIDU KANCH and CHAND BHAIRAB সহজ সৰল বড়ো, চাওতাল মানুহখিনিয়ে ডেৰশ দুশ বছৰ ধৰি একেলগে বাস কৰা সম্প্ৰীতি শেষ হ'বলগীয়া হৈছে। এইটো কোনোবা দলে কৰিছে বুলি নাভাবি তাত কেনেকৈ শান্তি স্থাপন কৰিব পাৰি সেইটোহে চাব লাগে। গোষ্ঠী সংঘৰ্ষ লগা আজি এমাহে হ'ল। পৰহিও ১৩ তাৰিখে তাত ঘৰ জ্বলিছে। মই কেইখনমান গাওঁৰ নাম পঢ়ি দিছো — মাটিয়াপাৰা, চাইগমত ২০ টা মান ঘৰ জ্বলিছে। এনে ঘটনা ঘটি থাকিলে তেওঁলোকে শিবিৰ এৰি নিজৰ ঠাইলৈ কেনেকৈ যাব? আজি এইটো অৱস্থা হৈছে। গতিকে চৰকাৰে এইটো বিষয়ত সোনকালে ব্যৱস্থা ল'ব লাগে। টিন-পাট নোহোৱা মুক্ত আকাশৰ তলত থাকিব নালাগে, তাৰ ব্যৱস্থা কৰিব লাগে। ইয়াত মেৰাপানীৰ ঘটনাও উল্লেখ আছে। মেৰাপানীৰ বিগত চৰকাৰৰ দিনত হৈছো সেইটো নহয়। ১৯৮৫ চনৰ পৰাই যে চলিছে সেইটোও নহয় তাৰ আগতেও হৈছে। কংগ্ৰেছৰ দিনতো হৈছে আৰু এতিয়াও হৈছে। নাগালেণ্ড, অৰুণাচল, মিজোৰাম আদি ষ্টেটকেইখন অসমৰ পৰা ভাগ হৈ গ'ল তেতিয়াৰ পৰাই সীমা বিবাদৰ সৃষ্টি হ'ল। এইবিলাক সীমাবিবাদৰ আলোচনা কৰিব লাগে। বেলেগ বেলেগ ৰাজ্যৰ লগত আন্তৰিকতাৰে আলোচনা কৰিব লাগিব। এইখন চৰকাৰে কি কৰে আমি চাও। এইবিলাক সমস্যা কেনেকৈ নিষ্পত্তি কৰিব পাৰিব? এনে ধৰণৰ বহুত কথা কবলগীয়া আছে। উপাধ্যক্ষ মহোদয়ৰ পৰা কেইটামান কথাৰ কাৰণে মই সময় লৈ কবলৈ ওলাইছো। জনজাতি

মানুহখিনি এচ টি নহয় এচ চি ও নহয়। কিয় হোৱা নাই বুলি চৰকাৰক দোষ দিয়া সময় নহয়। তাৰ কাৰণে যি চৰকাৰে নহওক ব্যৱস্থা ল'ব লাগিব।

১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ পিচৰপৰা ১৯৫০ চনলৈকে, 'গভট্ অব ইণ্ডিয়া এক্ট, ১৯৩৫ মতে চাহ মজদূৰৰ' চাৰিজন প্ৰতিনিধি বিধায়ক হিচাপে মনোনীত কৰিছিল। তেওঁলোকক সেই আইন মতে ট্ৰাইবেল হিচাপে গুৰুত্ব দিয়া হৈছিল। কিন্তু ১৯৫০ চনৰ পিচত তেওঁলোকক টি চিত্তুল কৰা হ'ল। অসমৰ বুদ্ধিজীৱীসকলে এনেকুৱা এটা ইম্প্ৰেচন দিব বিচাৰিলে যে চাহ মজদুৰসকলক। If these people are treated as scheduled these the whole political picture of Assam will be Jeoparadised. উৰিষ্যাটো বহুত চাব মজদূৰ আছে বেংগলতো আছে তাত কিয় মজদুৰসকলে নিজকে অসমীয়া বুলি অসমৰ ভাষা কৃষ্টি সংস্কৃতি গ্ৰহণ কৰি আন্দোলনত জপিয়াই পৰিছিল আৰু বৃহৎ অসমীয়া জাতি গঠন কৰিছিল। এতিয়া এইসকলক এচ, টি কৰি দিলে যে বেলেগ হৈ যাব এনে নহয়। গোটেই অসমত থকা ৫০/৬০ লাখ চাহ মজদুৰ সদায় পিচপৰি থাকিব আৰু বাকী এক কোটি বা ডেৰ কোটি আগবাঢ়ি যাব। চাহ মজদুৰসকল আগবাঢ়ি যাব নোৱাৰে নেকি? যোৱা ১৯৯৫ চনত আমাৰ চৰকাৰে এই বিষয়টো কেন্দ্ৰীয় চৰকাৰলৈ ৰিকমেণ্ডেচন কৰিছে। বৰ্ত্তমান চৰকাৰক এই বিষয়টো কেন্দ্ৰীয় চৰকাৰক হেঁচা দি সোনকালে কৰোৱাৰ বাবে ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো। উপাধ্যক্ষ মহোদয়, বান নিয়ন্ত্ৰণৰ বাবে কোৱা হৈছে যে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা লোৱা হ'ব। কিন্তু এতিয়ালৈকে মেজৰ প্ৰজেক্ট বিলাককে সন্নিবিষ্ট কৰা হোৱা নাই। পলাশবাৰী মুকলমুৱা আদিত যি হাৰত গৰাখহনীয়া হৈছে সেইটো ৰোধ কৰাৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ উজনিৰ নগাঘুলি বান্ধটো ৰক্ষা কৰিব নোৱাৰিলে ডিব্ৰুগড়, শিৱসাগৰ তথা সমগ্ৰ উজনি অসমেই জলমগ্ন হৈ থাকিব। গতিকে এই ক্ষেত্ৰত মই নুতন চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা ধন্যবাদসূচক প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ ঃ মই মাননীয় সদস্যসকলক অনুৰোধ কৰিছো, যিহেতু আমাৰ সময় বৰ কম গতিকে তেখেতসকলৰ বক্তব্য যিমান পাৰে চমু কৰিব। এতিয়া মই মাননীয় সদস্য পদ্ম হাজৰিকাক তেখেতৰ বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো।

* শ্ৰীপদ্ম হাজৰিকা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপন কৰা ধন্যবাদসূচক প্ৰস্তাৱৰ প্ৰতি সমৰ্থক জনাই আৰু আমাৰ দলৰ মুখ্য সচেতক শ্ৰী গোস্বামী ডাঙৰীয়াই যিখিনি বক্তব্য দাঙি ধৰিছে তাৰ প্ৰতিও সমৰ্থন জনাই মই মোৰ বক্তব্যত মোৰ সমষ্টিৰ কেইটামান সমস্যাৰ কথা উল্লেখ কৰিব খুজিছো, যোৱা কালি পি, ডি, এফৰ এজন সদস্যদই কৈছিল যে ধনশিৰি প্ৰকল্পৰ নামত কোটি কোটি টকা খৰচ কৰা হ'ল কিন্তু তাৰ পৰা ৰাইজৰ একো উপকাৰ নহ'ল। ঠিক সেইদৰে বৰডিকৰাই প্ৰকল্পৰ নামত কোটি কোটি টকা খৰচ কৰা হ'ল কিন্তু আজিলৈকে ৰাইজক পানী যোগান ধৰিব পৰা নাই। লগতে মেলেৰিয়া সম্পৰ্কে ক'ব খুজিছো যে, যোৱা পাঁচটা বছৰে আগৰ চৰকাৰে মেলেৰিয়া নিৰ্ম্মূলৰ বাবে একো ব্যৱস্থাই নগ'লে ফলত মোৰ সমষ্টিত মেলেৰিয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। যোৱা বছৰ মেলেৰিয়া ৰোগৰ ঔষধপাতি আদিৰ অভাৱত শতাধিক লোকে মৃত্যুমুখত পৰিছিল। কিন্তু এই বছৰ ঔষধপাতি তথা ডাক্তৰৰ অভাৱত কোনো লোকে মৃত্যবৰণ হোৱা নাই। কৰ্ম্মচাৰীসকলে কেইবামাহো দৰমহা নোপোৱাৰ কাৰণে ডি ডি টি চটিওৱা আদি কাৰ্য্যত প্ৰথমে অসহযোগ কৰিছিল কিন্তু তেওঁলোকৰ লগত আলোচনা কৰি বুজাবুজিত অহাত তেওঁলোক কামত যোগদান কৰিছে। আৰু চাৰিদুৱাৰত যিখন ৩০ খন বিচনাযুক্ত চিকিৎসালয় আছে, তাত কাগজে-পত্ৰই চাৰিজন ডাক্তৰ কিন্তু কামত এজন ডাক্তৰে কাম কৰি আছে। স্বাস্থ্য বিভাগৰ বিষয়াসকলৰ গাফিলতিৰ কাৰণে এইবিলাক হৈ আছে। অৱশ্যে আমাৰ স্বাস্থ্যমন্ত্ৰী মহোদয়ে, মোৰ সমষ্টিৰ মেলেৰিয়া পীড়িত অঞ্চল ভ্ৰমণ কৰি আহিছে আৰু যথাবিহিত পদক্ষেপ হাতত লৈছে। তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। তেখেতে কামত গাফিলতি কৰাৰ বাবে তিনিজন ডাক্তৰৰ ওপৰতো শাস্তিমূলক ব্যৱস্থা হাতত লৈছে। তাৰোপৰি চকীঘাটৰ দলংখনৰ কাম সোনকালে সম্পূৰ্ণ কৰাৰ বাবে মই চৰকাৰক অনুৰোধ জনাইছো। এই দলংখন হ'লে বহুতো লোক উপকৃত হ'ব। ইয়াৰ উপৰিও আৰক্ষী বিষয়াৰ অত্যাচাৰত যিসকল লোকৰ মৃত্যু ঘটিছে এই ঘটনাবিলাকত অনুসন্ধান কৰি তদন্ত কৰি দোষী আৰক্ষী বিষয়াত শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ জিলাতে পুলিচ বিষয়াই হত্যা কৰিবৰ বাবে যিখন তালিকা তৈয়াৰ কৰিছিল সেই তালিকাত মোৰ নামো আছিল। তেজপুৰৰ তেতিয়াৰ আৰক্ষী অধীক্ষক

* Speech not corrected

আৰ,এম,সিঙে বিশ্বজিৎ বৰাক হত্যা কৰি ব্ৰহ্মপুত্ৰত পেলাই দিছিল। তেওঁ মোকো মাতি পঠাইছিল। কিন্তু মই নগ'লো। মোৰ গাড়ীখন আজিও পোৱা নাই। মই আজি দাবী কৰিছো পৰাগ দাসকো আৰ্, এম্ সিঙেই হত্যা কৰিছো। গতিকে মই চৰকাৰৰ ওচৰত দাবী জনাইছো এই হত্যাকাৰী পুলিচ বিষয়াসকলৰ ওপৰত কঠোৰ শাস্তিমূলক ব্যৱস্থা ল'ব লাগে যাতে ভৱিষ্যতে আৰু কোনো পুলিচ বিষয়াই এনে কাম কৰিবলৈ সাহস নকৰে। এইখিনি কথাকে কৈ মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপন কৰা ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থন কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

❋ **শ্ৰী পুলকেশ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ সমৰ্থনত মই এটা বিষয়ত দুটা কথা ক'ব বিচাৰিছো। সেইটো হ'ল বৰ্ত্তমান ৰাজ্যখনৰ আৰ্থিক অৱস্থাৰ বিষয়ত। আন এটা বৰ্ত্তমানৰ উৎকট সমস্যা হৈছে নিবনুৱা সমস্যা। এই নিবনুৱা সমস্যা সমাধান কৰাৰ কাৰণে অথবা এই সমস্যাৰ লগত মোকাবিলা কৰিবলৈ ৰাজ্যপালৰ ভাষণত যিখিনি কথা কোৱা হৈছে তাৰ কাৰণে মই সন্তোষ প্ৰকাশ কৰিছো। আজি দেখিছো প্ৰতিজন যুৱকৰ চকুত একুৰা জুই। হতাশাগ্ৰস্ত হাজাৰ হাজাৰ ডেকা ল'ৰাই যদি বন্দুক হাতত তুলি ওলাই আহে তেন্তে তাক বাধা দিবলৈ কাৰোবাৰ সাহস আছে জানো? এই পৰিস্থিতিত কেইটামান চাকৰি বিচৰাটোই যথেষ্ট নহয়। যোৱা চৰকাৰৰ সময়লৈকে দেখি আহিছো যে এজন ডেকাই এখন দৰ্খাস্ত লৈ আহে বিধায়কলৈ, বিধায়কে লিখে মন্ত্ৰীলৈ, মন্ত্ৰীয়ে লিখে বিষয়ালৈ তাৰ পাচত তাকে সেই ডেকাজন বিধায়কৰ ওচৰলৈ যায় তাৰ পিচত আকৌ মন্ত্ৰী, আকৌ বিষয়া। শেষত সেই ডেকাজনৰ একো নোহোৱা হৈ হতাশাগ্ৰস্ত হৈ ভাঙি পৰে। এতিয়া স্বনিয়োজনৰ যিটো কথা কোৱা হৈছে এইটোত অধিক গুৰুত্ব দিব লাগে। সংশ্লিষ্ট আঁচনি কৰাৰ যিটো কথা কোৱা হৈছে তাত গুৰুত্ব দিব লাগে। আজি মোৰ এটা কথা মোৰ মনত পৰিছে যে ১৯৬৬ চনত যেতিয়া মই কটন কলেজত পঢ়িছিলো তেতিয়া ৰাতি ৰাতি আমি ভাত খোৱা নাছিলো, ৰুটি খাইছিলো। সেই সময়ত পশ্চিমবংগত চাউলৰ আকাল আছিল আৰু আমাৰ ইয়াতো চাউলৰ আকাল হৈছিল। কিন্তু তেতিয়া এটা মজাৰ কথা হৈছিল যে সেই সময়ৰ পশ্চিমবংগৰ প্ৰয়াত মুখ্যমন্ত্ৰী পি, চি, সেনে চাউলৰ আকালৰ কথা সোধাত কৈছিল যে চাউলৰ সলনি কাচকল খাব লাগে। গতিকে পশ্চিমবংগৰ বজাৰত কাচকল দেখিলেই সকলোৱে কৈছিল .... বঙালী....। কিন্তু আজি পশ্চিমবংগত

❋ Speech not corrected

সম্পূর্ণ পৰিবৰ্ত্তন হৈছে। আজি গুৱাহাটীৰ বজাৰৰ তৰিতৰকাৰী পশ্চিমবংগৰ। কিন্তু অসমত এই ব্যৱস্থা আজিও সলনি হোৱা নাই। ১৯৭১ চনত বাংলাদেশ যেতিয়া স্বাধীন হ'ল, তেতিয়া পশ্চিমবংগৰ সকলোৱে মুখে মুখে ক'বলৈ ধৰিছিল যে পদ্মাৰ ইলিচ সস্তাতেই খাব পাৰিব। তাৰ পাচতেই মাছ অহা বন্ধই কৰা হ'ল। আজি পশ্চিমবংগত মৎস্য উৎপাদন উল্লেখযোগ্য। কেইদিনমান আগতে বাতৰি কাকতত দেখিলো যে শুকান মাছৰ বিক্ৰী কৰাৰ কাৰণে যোগানকাৰী বিচাৰি বিজ্ঞাপন দিছে। এতিয়া কথা হ'ল পশ্চিমবংগৰ মাটি আৰু আমাৰ অসমৰ মাটিৰ তাৰতম্য ক'ত? গতিকে কৃষি ভিত্তিক, মীন পালন ভিত্তিক, উদ্যোগৰ ভিত্তিত আঁচনি ল'বলৈ আমাৰ চৰকাৰ আগবাঢ়িব লাগে। এই সকলো বিলাকৰ উৎপাদন আমাৰ অসমতো হ'ব পাৰে। আমাৰ অসমীয়া ডেকাসকলে কাম নকৰে এনে কথাও নাই। মোৰ সমষ্টিত কেইজনমান ডেকা ল'ৰাই সংগঠিত হৈ ক্ষুদ্ৰ কুলহাটী আৰু সোমকানি গাঁৱত খেতি কৰিবলৈ আগবাঢ়ি মোক কৈছিল যে খেতিত পানী দিয়াৰ কাৰণে এটা পাম্প দিবলৈ বিষয়াসকলক ক'ব লাগে। কাৰণ বৰভাগ এনে এটা অঞ্চল য'ত বাৰিষা বানপানী হয় আৰু খৰালি এটোপা পানীও নাথাকে। গতিকে জানৰ পৰা পানী অনাৰ ব্যৱস্থা কৰিব লাগে। নলবাৰীৰ কৃষি বিভাগৰ অভিযন্তাই এই ক্ষেত্ৰত যথেষ্ট সহযোগ কৰিছিল। তাৰ ফলত তেওঁলোকৰ যিখিনি উৎপান হৈছিল চালে চকু ৰোৱা হৈছিল। গতিকে অসমীয়া ডেকাক যদি সা-সজুলিৰ যোগান ঠিকমতে দিব পৰা যায় তেন্তে তেওঁলোকেও কাম কৰিব পাৰে। গতিকে এনেবোৰ আঁচনিৰ আমি চিন্তা কৰিব লাগে। চাইন্স এণ্ড টেকনলজীত অসমীয়া ল'ৰা নিযুক্তি দিব লাগে। মেন পাৱাৰ ডেভেলপমেন্টৰ ক্ষেত্ৰত বিশেষভাৱে চিন্তা কৰিব লাগে। ইন্সিটিউট অৱ এডাভান্সড চাইন্স এণ্ড টেকনলজীত অসমীয়া ল'ৰা নিযুক্তি দিব পৰা যায় কেনেকৈ সেই বিষয়ে অধ্যয়ন কৰি ৰিপোৰ্ট অথবা পেপাৰ প্ৰস্তুত কৰিব লাগে। এই বিভাগৰ মন্ত্ৰী মহোদয়ে যিটো প্ৰকাশ কৰিছে তাৰ বাবে সন্তোষ প্ৰকাশ কৰিছো। কৃষিমন্ত্ৰী আৰু উদ্যোগ মন্ত্ৰীৰ সহাৰি ও সন্তোষজনক। পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি কওঁ যে — মোৰ সমষ্টিৰ বৰক্ষেত্ৰীৰ কুৰিহামাৰীত দুগ্ধপাম কেন্দ্ৰ এটা খোলা হৈছিল। ১০ কোটি টকাৰ এই আঁচনিখন এ জি পি চৰকাৰৰ দিনত খোলা হৈছিল। কিন্তু কংগ্ৰেছ চৰকাৰৰ দিনত এ জে পি চৰকাৰে খোলা বুলিয়েই এইটো প্ৰায় বন্ধ কৰি দিলে। তাত থকা সকলো যন্ত্ৰপাতি ভাপ নাও আদি নষ্ট হৈ গৈছে। যি ৪০০ জন হিতকাৰী চিলেক্ট কৰা হৈছিল তাৰ ভিতৰত যি খিনিয়ে মহ পালন

কৰিছিল তেওঁলোকে মহ কেইটা ৰাখি আছে। বৰতলাত চিলিপ্লেণ্টৰ বাবে যিটো ঘৰ আছিল সেই ঘৰটোত এতিয়া নবোদয় স্কুল খোলা হৈছে। গতিকে চৰকাৰে নিবনুৱা সমস্যা সমাধান কৰিবলৈ কৰাৰ ওপৰত অতি গুৰুত্ব দিব লাগিব। এই বিষয়ত সঠিকভাৱে চিন্তা-চৰ্চা কৰি চৰকাৰে ব্যৱস্থা ল'ব বুলি আশা ৰাখিলো। এতিয়া মাত্ৰ ভোট অৱ একাউণ্ট হৈ হৈছে। যেতিয়া পূৰ্ণাঙ্গ বাজেট প্ৰেছ কৰা হ'ব তেতিয়া মুকলিভাৱে অৰ্থাৎ বিস্তৃতভাৱে আলোচনা কৰিবলৈ আমি আকৌ সুবিধা পাম। কৃষি, মীন, ইৰিগেছন, গ্ৰাম্য, উন্নয়ন, ফ্লাড্, কণ্ট্ৰোল আদি বিভাগে স্বনিয়োজন আঁচনিত গুৰুত্ব দি আঁচনি প্ৰস্তুত কৰিব বুলি আশা ৰাখিছো। এই সকলোবিলাক আঁচনিৰ চিন্তা বাৰিষা ঠিক-ঠাক কৰি লৈ খৰালী কাৰ্য্যকৰি কৰাৰ ব্যৱস্থা কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **Shri Abu Saleh Najmuddin :** Hon'ble Speaker Sir, I have found nothing new approach in the Hon'ble Governor's speech. Sir, though it has been told that Government along cannot come up to reflect their election commitment which has been mentioned in the Governor's speech, the treasury bench should think for the development programmes to be taken by this new Government, rather they have started to criticise the earlier Government. But there are many good programmes which were initiated by the earlier Government, which are to be implemented. Just after taken over by the new Government, they have stopped payment of the Daily labourers in the DRDAs engaged in different programmes and as a result there is already unrest along the labourers. These labourers were engaged during the last general election. Sir, I request the Hon'ble Chief Minister to release the found to DRDAs, so that these poor labourers get relief. I appeal to the Hon'ble Chief Minister to take a positive steps to stop insurgency, but we have found that

* Speech not corrected

the Designated Court has already released a few members of the outlawed organisation and have already left for an unknow destinations. I request the Hon'ble Chief Minister to initiate negotiation for the greater interest of the country. They should be bring back to the negotiation table. I, therefore, request to start dialog immediately because the political stability is urgently necessary for the development of the State. I also request the Hon'ble Chief Minister to pay attention to the growing unemloyment problem and to given proper attention to the international border and necessary funds may be provided to stop unrest in the borders. I also like draw attention of the Hon'ble Chief Minister about the only export and import road. Priority should be give to rebuild the Karimganj-Satarkandi Road as because the road earns good reasources and revenue to the State of Assam.

With these few words, I on behalf of my party express our thanks to the Hon'ble Speaker and I fully agree with the views expressed by Hon'ble by Shri Hitendra Nath Goswami.

**Mr. Speaker** : Now I request Hon'ble Chief Minster to reply.

*** শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালনৰ ভাষণৰ ওপৰত আজি দুদিনে হোৱা বিতৰ্কত সদনৰ মাননীয় সদস্য শ্ৰদ্ধেয় শ্ৰী হেমেন দাস ডাঙৰীয়াকে আৰম্ভ কৰি আবু চালেহ নিজামুদ্দিন ডাঙৰীয়ালৈ যিসকল মাননীয় সদস্যই ভাগ ললে তেখেত সকলৰ প্ৰতি মই পোনতে আন্তৰিক কৃতজ্ঞতা জনাইছো। তেখেতসকলৰ ভাষণৰ জৰিয়তে ৰাজ্যখনৰ বহুতো সমস্যাৰ বিষয়ে ভালেমান দিহা-পৰামৰ্শ আমালৈ আগবঢ়াইছে। সেই সকলোখিনি যথোপযুক্তভাৱে আমি নিশ্চয় বিভিন্ন পৰ্য্যায়ত বিচাৰ বিবেচনা কৰিম। আশা কৰো এই পবিত্ৰ সদনত

---

* Speech not corrected

সকলো পক্ষৰ মাননীয় সদস্য সকলে আগলৈ আমাক এনেদৰে দিহা পৰামৰ্শ দি আমাক বাধিত কৰিব। ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষণত কোৱাৰ দৰে আমি আশা কৰিম যাতে এই পবিত্ৰ সদনত অসমৰ ৰাইজৰ আশা-আকাংক্ষা, অভিলাষ আৰু জ্ঞানৰ প্ৰকৃত প্ৰতিফলন ইয়াত হ'ব পাৰে। অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণত কিছুমান বিষয় উল্লেখ নকৰা বুলি বিৰোধী পক্ষৰ কেইজনমান মাননীয় সদস্যই উল্লেখ কৰিছে। তেখেতসকলে বোধহয় ভালদৰে মন কৰা নাই যে ৰাজ্যপাল ডাঙৰীয়াই তেখেতৰ ভাষণত এটা সামগ্ৰীক দৃষ্টিভঙ্গী, এক সামগ্ৰিক দৰ্শনৰ কথা উল্লেখ কৰিছে। বিৰোধী পক্ষৰ মাননীয় সদস্য ডাঃ দে ডাঙৰীয়া এগৰাকী বিশিষ্ট চিকিৎসাক। তেখেতে নিশ্চয় ৰোগী চিকিৎসা কৰোতে লক্ষণ সমূহ চিকিৎসা নকৰে যিবোৰ লক্ষণৰ ওপৰত নিৰ্ভৰ কৰি ৰোগ ধৰা হয়। গতিকে ৰোগৰ বিভিন্ন লক্ষণসমূহ চিকিৎসা কৰি প্ৰতিকাৰ কৰাৰ ব্যৱস্থা কৰিলেহে ৰোগ নিৰাময় কৰিব পৰা হয়। ঠিক তেনেকৈ তেখেতে হয়তো ৰাজ্যপালৰ ভাষণত দাঙি ধৰা সামগ্ৰিক দৃষ্টিভংগীৰ কথাখিনি ভালদৰে মন কৰা নাই। মাননীয় বিধায়ক দুই এগৰাকীয়ে বিভিন্ন জনগোষ্ঠীৰ বিষয়সমূহ বহলাই নোকোৱা বুলি কৈছে। মাননীয় বিধায়কে দুই এজন জনগোষ্ঠীৰ ক্ষেত্ৰত একো কৰা নাই বুলি ওজৰ-আপত্তি তুলিছে। কোনো সম্প্ৰদায়ৰ বিষয়ে কোনো কথাই বহলাই নোকোৱা বুলি কৈছে। মাননীয় বিধায়ক গৰাকীয়ে মন কৰিলে দেখিব যে ৰাজ্যপালৰ ভাষণত কোনো কথাই বহলাই কোৱা হোৱা নাই। জনজাতি, অজনজাতি, সংখ্যালঘু, সংখ্যাগুৰু সকলোৰেই ক্ষেত্ৰতে ভাগ ভাগ কৰি কোৱা হোৱা নাই। আমি ভাগ ভাগ কৰি কোৱাৰ কাৰণেই আমাৰ ৰাজ্যখনে সমস্যা বা দুৰ্গতিৰ সন্মুখীন হৈ আহিছে। একো নোহোৱাৰ কাৰণেই আমাৰ মাজত জাত-পাত চলি আছে। ইয়াৰ কাৰণেই আমাৰ সমস্যাৰ উদ্ভৱ হৈছে। ইয়াৰ কাৰণেই যত্ন লাগিব। অসমৰ সামগ্ৰিক বিকাশৰ কাৰণে আমি অনুগত থাকিম। ইয়াৰ বাবে আমাক যিখিনি সহায়-সহযোগৰ প্ৰয়োজন হ'ব সেইখিনি আগবঢ়াই যাব লাগিব। কালি বিতৰ্কৰ সময়ত এগৰাকী মাননীয় সদস্যই বৰাক উপত্যকাত ওৱেভ নথকা বুলি আক্ষেপ কৰিছে। আমি কথা কওতে সমগ্ৰ অসমৰ কথাকেই কওঁ। আমি বৰাক বা ব্ৰহ্মপুত্ৰ উপত্যকা ভেদ কৰি কথা নকওঁ। ইয়াত অকল ব্ৰহ্মপুত্ৰ উপত্যকাৰে কথা কোৱা হোৱা নাই। সমগ্ৰ অসমৰ কথাকেই কোৱা হৈছে। বৰাক ব্ৰহ্মপুত্ৰ সকলো মিলি

কাম কৰিব লাগিব আৰু বৰাক ব্ৰহ্মপুত্ৰ উভয়ৰেই বিকাশ সাধন কৰিব লাগিব। ইয়াৰ বাবে মই সকলোৰেই সহযোগ কামনা কৰিছো। ৰাজ্যপালৰ ভাষণত অসমৰ বিভিন্ন জনগোষ্ঠীৰ সমস্যাসমূহৰ কথা আছে। সকলো জনগোষ্ঠীৰ সমস্যাকে ৰাজ্যখনৰ সমস্যা বুলি গণ্য কৰি বিভিন্ন আঁচনিৰ জৰিয়তে এই সমস্যাবোৰ সমাধান কৰি অসমক উন্নতিৰ পথত আগবঢ়াই লৈ যাব লাগিব। কোনো সমস্যা ভাগ ভাগ নকৰি আমি সকলো মিলি সমস্যাবিলাক সমাধান কৰিবলৈ যত্ন কৰিব লাগিব। মই এই মত পোষণ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, সদনত কেইবাগৰাকী বিধায়কে দুৰ্নীতিৰ সম্পৰ্কত উদ্বেগ প্ৰকাশ কৰিছে। তেখেত সকলৰ উদ্বেগৰ কাৰণে মই তেখেতসকলক ধন্যবাদ জনাইছো। আমাৰ কি ৰাজনৈতিক, কি সামাজিক সকলো স্তৰতে দুৰ্নীতি সোমাই পৰিছে। আজি চাৰিওফালে এই সমস্যা বিয়পি পৰিছে। শিক্ষা বিভাগেই হওক বা সাংস্কৃতিক বিভাগেই হওক কোনো এটা বিভাগে এই সমস্যাৰ পৰা আতৰি থাকিব পৰা নাই। শিক্ষা বিভাগৰ দুৰ্নীতি অৱশ্যে বেছিকৈ বিয়পিছে। নিয়োগৰ ক্ষেত্ৰত, অপাৰেছন ব্লেক বোৰ্ডৰ ক্ষেত্ৰত যি দুৰ্নীতিৰ পয়োভৰ হৈছে, কোনো বিবেকবান লোক লজ্জিত নোহোৱাকৈ থাকিব নোৱাৰে। আমি এই দুৰ্নীতিৰ ওৰ পেলাম। আমি এই কথা আখৰে আখৰে পালন কৰিম। দুৰ্নীতি ৰোধ কৰাৰ কাৰণে আমাৰ ফালৰ পৰা যিখিনি কৰণীয়া আছে সেইখিনি পালন কৰিবলৈ আমাৰ ফালৰ পৰা চেষ্টা কৰিম। যোৱা পাঁচটা বছৰত দেখিছো যে দুৰ্নীতি ৰোধ কৰক চাৰি দুৰ্নীতি বেছিকৈহে কৰা হৈছে। দেশৰ সৎ কৰ্মচাৰী সকল হতাশ হৈ পৰিছে। বিষয়া-কৰ্মচাৰীৰ দুৰ্নীতিৰ বিচাৰ কৰিবলৈ দুৰ্নীতি পৰায়ণ লোককে বিচাৰক পতা হৈছে। আমি এইবিলাক কথা কৈ বাহ বাহ ল'ব বিচৰা নাই। আমি প্ৰকৃতাৰ্থত দুৰ্নীতি ৰোধ কৰিব বিচাৰিছো। ইয়াৰ কাৰণে যদি প্ৰয়োজন হয় তাৰ কাৰণে আইন সংশোধন কৰিম। মাননীয় অধ্যক্ষ মহোদয় এই সম্পৰ্কত এখন আইন আছে। কিন্তু বছৰ বছৰ ধৰি এতিয়ালৈকে লোকাযুক্ত এজন নিযুক্তি দিয়া নাই। ইয়াৰ কাৰণে আমাৰ বহুতো ব্যৱস্থা বাধাপ্ৰাপ্ত হৈছে। আমি এই ব্যৱস্থা গ্ৰহণ কৰিছো। বিচাৰ বিভাগটো ভাল কৰিবলৈ আমি যত্ন কৰিছো।

যোৱা কেইবা বছৰ ধৰি উত্থাপিত হৈ অহা বিভিন্ন অভিযোগৰ তদন্ত পৰ্য্যায়ক্ৰমে হাতত লোৱা হ'ব। দুৰ্নীতি প্ৰসংগত স্বাভাৱিকতে অধ্যক্ষ ডাঙৰীয়া,

এল অ' চি বিষয়টো সদনত উত্থাপিত হৈছে। অধ্যক্ষ ডাঙৰীয়া, মই খা-খবৰ কৰি জানিব পাৰিছো যে এই সম্পৰ্কত চি বি আইৰ হাতত ১২ টা নিৰ্দিষ্ট গোচৰ আছে। তাৰে অধ্যক্ষ ডাঙৰীয়া, দুটা গোচৰৰ তেওঁলোকে চাজটিচ দিছে। বাকী থকা গোচসমূহৰ তদন্ত যাতে ক্ষিপ্ৰতৰ হয়, তাৰ কাৰণে অধ্যক্ষ ডাঙৰীয়া, আমি কেন্দ্ৰীয় চৰকাৰৰ লগত এই সম্পৰ্কত যোগাযোগ কৰিম। অধ্যক্ষ ডাঙৰীয়া, আজি সদনত উত্থাপিত কৰা বিষয়সমূহৰ ক্ষেত্ৰত আমি জোৰ দি কৈছো যে এখন সদন কমিটীৰ জৰিয়তে এই বিষয়টো তদন্ত কৰাৰ ক্ষেত্ৰতো আমি এই বিভিন্ন বিষয়ত বাগচীৰ টোকাৰ সম্পৰ্কত বা অন্যান্য বিষয়ত এখন সদন কমিটীৰ জৰিয়তে তদন্ত কৰাৰ কাৰণে আমি জোৰ দি আহিছিলো। মই আশা ৰাখিছিলো। অসম বিধানসভাৰ কাৰ্যপৰিচালনা বিধিৰ ২৬০ এই নিয়মৰ অধীনতেই মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই পবিত্ৰ সদনত মই আশ্বাস দিব খোজো যে দুৰ্নীতিৰ সৈতে কোনো ধৰণৰ, কোনো প্ৰকাৰৰ আমাৰ চৰকাৰে সহযোগ নকৰে, বৰঞ্চ এই দুৰ্নীতি নাশ কৰাৰ কাৰণে সকলো প্ৰকাৰৰ প্ৰচেষ্টা আমাৰ চৰকাৰে হাতত লব আৰু এই ক্ষেত্ৰত আমি স্পষ্টভাৱে কৈছো যে কোনো প্ৰকাৰে আমাৰ চৰকাৰে এই ক্ষেত্ৰত প্ৰয়োজন হ'লে আইন বিভিন্ন দিশ সমূহ সংশোধন কৰি হ'লেও যাতে ৰোধ কৰিব পৰা যায় তাৰ কাৰণে ব্যৱস্থা হাতত লবৰ কাৰণে পৰ্যায়ক্ৰমে আগবাঢ়ি যাব। কিন্তু অধ্যক্ষ ডাঙৰীয়া আমি কৈছো যে এই ক্ষেত্ৰত সকলো শ্ৰেণীৰ লোকৰ বা সকলো ফালৰ পৰা সহায়-সহযোগৰ প্ৰয়োজন হ'ব আৰু আমি আশা কৰো এই ক্ষেত্ৰত শাসক দলৰ, বিৰোধী দলৰ সদস্য সকলেও তেখেত সকলৰ বিভিন্ন পৰামৰ্শ সময়ত আগবঢ়াব।

মাননীয় অধ্যক্ষ মহোদয়, কালি পৰাগ দাসৰ হত্যাৰ সম্পৰ্কত আলোচনা কৰিবৰ বাবে বিৰোধী দলৰ ফালৰ পৰা সভাস্থগিত প্ৰস্তাৱ আনিছিল সেইটোত আপুনি অনুমতি নিদিয়াৰ কাৰণে বিৰোধী দলে সদন ত্যাগ কৰিছিল। সঁচাকৈয়ে এই হত্যাকাণ্ডটো বৰ স্পৰ্শকাতৰ আৰু নিন্দনীয়।

মাননীয় অধ্যক্ষ মহোদয়, কালি বিধানসভাত পৰাগ দাসৰ হত্যাৰ প্ৰসংগ তুলি বিৰোধী কংগ্ৰেছ দলে সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰিছিল। সেই প্ৰস্তাৱ মাননীয় অধ্যক্ষ মহোদয়ে মানি নোলোৱাত মাননীয় কংগ্ৰেছ সদস্য সকলে সদন ত্যাগ

কৰিছিল। পৰাগ দাসৰ হত্যাকাণ্ড এটা অতিশয় শোকাবহ ঘটনা আৰু আন যি কোনো হত্যাৰ দৰেই ই অতিশয় নিন্দনীয়। কিন্তু কংগ্ৰেছ দলৰ মাননীয় বিধায়কসকলে কালি এই প্ৰসংগত সদন ত্যাগ কৰাৰ সময়ত মোৰ ততালিকে মনত পৰিছিল আন এটা কথালৈহে। ১৯৯৪ চনৰ ডিচেম্বৰ মাহত স্থানীয় বাতৰি কাকতত এটা চাঞ্চল্যকৰ বাতৰি প্ৰকাশ হৈছিল। বাতৰিটোত অভিযোগ কৰা হৈছিল যে তেতিয়াৰ কংগ্ৰেছ দলৰ চৰকাৰখনে কেইজনমান সাংবাদিককে ধৰি দহজন লোকক হত্যা কৰাৰ ষড়যন্ত্ৰ এটা কৰিছে। এই সন্দৰ্ভত বাতৰিটোত দহ জন লোকৰ ভিতৰত চাৰিজনৰ নামো উল্লেখ কৰিছিল। এই চাৰিজনৰে দুজন আছিল লাচিত কলিতা আৰু পৰাগ কুমাৰ দাস। মাননীয় সদস্য সকলে জানে যে এই দুয়োজনকে হত্যা কৰা হৈছে। কিন্তু ৰহস্যজনক কথাটো হ'ল বাতৰিটো প্ৰকাশ হোৱাৰ এদিন নে দুদিন পিছতে তেতিয়াৰ চৰকাৰে ঘোষণা কৰিলে যে এই অভিযোগৰ সত্যাসত্য নিৰ্ণয় কৰিবলৈ এটা ন্যায়িক তদন্তৰ সিদ্ধান্ত মন্ত্ৰীসভাই গ্ৰহণ কৰিছে। এই তদন্ত উচ্চ ন্যায়লয়ৰ ন্যায়াধীশৰ দ্বাৰা কৰোৱা হ'ব বুলিও বাতৰি কাকতৰ জৰিয়তে প্ৰকাশ কৰা হ'ল। হয়তো এই ষড়যন্ত্ৰৰ অভিযোগ সন্দৰ্ভত যাতে কোনো ধৰণৰ বা-বাতৰি প্ৰকাশ নহয়, তাৰ বাবে এই সিদ্ধান্তৰ কথা ঘোষণা কৰা হৈছিল। কিয়নো প্ৰস্তাৱিত তদন্ত আয়োগৰ বাবে এবছৰতকৈও অধিক সময় ধৰি কোনো দিহা কৰা নহ'ল। আয়োগ গঠন কৰা হ'ল যোৱা ১৮ এপ্ৰিল তাৰিখে নিৰ্বাচন ঘোষণা কৰাৰ পিছত। আৰু এমাহ পিছতে পৰাগ দাসৰ হত্যাকাণ্ড সংঘটিত হ'ল। মই কাৰো প্ৰতি কোনোধৰণৰ আঙুলি টোৱাব খোজা নাই। কিয়নো পৰাগ দাসৰ হত্যাকাণ্ডৰ তদন্ত ক্ষিপ্ৰগতিত চলি আছে, এই ক্ষেত্ৰত চিবিআইৰ তদন্তৰ বাবেও আমি কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিছো আৰু এইমাত্ৰ কৈ অহা ন্যায়িক তদন্তৰ কাম-কাজো ক্ষিপ্ৰ গতিত চলিব বুলি আমি আশা কৰিছো। এই সকলো প্ৰসংগৰ মই উল্লেখ কৰিছো যোৱা কালি কংগ্ৰেছ দলৰ মাননীয় বিধায়ক সকলে সদন ত্যাগ ঘটনাৰ পৰিপ্ৰেক্ষিততহে। এই পবিত্ৰ সদনত মনৰ সকলো কথা খোলোচা কৰি ল'ব লাগে বুলি ভাবিয়েই মই এই প্ৰসংগবোৰ উল্লেখ কৰিলো। কিন্তু মুখ্যমন্ত্ৰী হিচাপে পবিত্ৰ সদনক মই আশ্বস্ত কৰিব খোজো যে আমাৰ চৰকাৰ সকলো হিংসাশ্ৰীয় ঘটনাৰ বিৰোধী আৰু তেনে সকলো ঘটনাৰ তদন্ত কৰি দোষীক আইনমতে শাস্তি বিহিবলৈ বদ্ধপৰিকৰ।

**মেলেৰিয়া ঃ** সদনৰ কেবাগৰাকীও সদস্যই ৰাজ্যখনৰ কেতবোৰ ঠাইত দেখা দিয়া মেলেৰিয়া ৰোগৰ বিষয়ে উল্লেখ কৰিছে আৰু এই সন্দৰ্ভত ৰাজ্যপাল মহোদয়ৰ ভাষণত একোকে নোকোৱা বুলি আপত্তি দৰ্শাইছে। এই সন্দৰ্ভতো মাননীয় সদস্য সকলৰ উদ্বেগৰ বাবে মই ধন্যবাদ জনাইচো। এই ৰোগৰ প্ৰতিৰোধৰ বাবে সংশ্লিষ্ট বিভাগ সমূহক যথাযথ কাৰ্যব্যৱস্থা ল'বলৈ ইতিমধ্যে কোৱা হৈছে আৰু এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে দিয়া অগ্ৰাধিকাৰৰ বিষয়েও জনাই দিয়া হৈছে। পিছে বিতৰ্কৰ সময়ত বিৰোধী পক্ষৰ কেবাগৰাকীও সদস্যৰ যুক্তি শুনি এনে ধাৰণা হৈছিল যেন আমাৰ নতুন চৰকাৰে কাৰ্যভাৰ লোৱাৰ ফলতহে নিশাটোৰ ভিতৰতে এই ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটিল। মাননীয় বিধায়ক শ্ৰীহেমেন দাস ডাঙৰীয়াই কোৱাৰ দৰে মোৰো কবৰ মন গৈছে — বিৰোধী কংগ্ৰেছ দলৰ চৰকাৰখনে ৰাইজৰ স্বাস্থ্য-পাতি, পৰিষ্কাৰ-পৰিচ্ছন্নতা আদিত লেশমানো গুৰুত্ব দিয়া হ'লে এনেকৈ মেলেৰিয়া বিয়পিবলৈ নাপালেহেঁতেন। বিৰোধী পক্ষৰ মাননীয় সদস্য সকলৰ কথা শুনি মোৰ আন এটা কথাও অকস্মাতে মনত পৰিছিল। তেখেতসকলৰ চৰকাৰৰ দিনত ডেৰবছৰমান আগতে চাহ জনজাতিৰ ভালেমান লোক গেষ্ট্ৰ এণ্টাৰাইটিচ হৈ ঢুকাইছিল। চৰকাৰে মন্ত্ৰী সভাৰ বৈঠক পাতি এই ৰোগ কেনেকৈ বিয়পিবলৈ পালে তাৰ ন্যায়িক তদন্ত ঘোষণা কৰিলে। কিন্তু এই সদনত সম্প্ৰতি চাহ বনুৱা ৰাইজৰ বাবে কুম্ভীৰাশ্ৰু পেলোৱা মাননীয় বিধায়ক সকলে তেতিয়া নিজৰ চৰকাৰ থকা সত্ত্বেও এই তদন্তৰ বিষয়ে পিছলৈ একো নোহোৱা হ'লগৈ। আমাৰ চৰকাৰে মেলেৰিয়া ৰোগৰ প্ৰতিৰোধৰ বাবে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে। এই ব্যৱস্থা সমূহৰ ফলত বেগেৰে অৱস্থাৰ উন্নতিও ঘটিছে। পবিত্ৰ সদনক মই পুনৰ আশ্বস্ত কৰিব খোজো যে স্বাস্থ্য চিকিৎসা আদিৰ দিশত আমাৰ চৰকাৰে বিশেষ ধৰণৰ অগ্ৰাধিকাৰ দিবলৈ থিৰাং কৰিছে। সাম্প্ৰতিক সময়ত হোৱা মেলেৰিয়া ৰোগৰ বেলিকাও আমি প্ৰতিৰোধ প্ৰচেষ্টা গঢ়ি তুলিছো আৰু এই ৰোগ যাতে আৰু বিয়পিব নোৱাৰে, তাৰ বাবে যৎপৰোনাস্তি যত্নও কৰা হৈছে।

**আইন-শৃঙ্খলা আৰু সেনা প্ৰত্যাহাৰ ঃ** বিৰোধী পক্ষৰ মাননীয় সদস্য কেইগৰাকীমানে এই চৰকাৰৰ দিনত ৰাজ্যখনৰ আইন-শৃংখলাৰ পৰিস্থিতি বেয়া হোৱা বুলি অভিযোগ

কৰিছে। মাননীয় ৰাজ্যপাল ডাঙৰীয়াই ভাষণত পৰিষ্কাৰকৈ উল্লেখ কৰিছে যে কেনে এক বিধ্বস্ত আইন-শৃখলাৰ পৰিস্থিতিত পূৰ্বৰ চৰকাৰে ৰাজ্যখনক পেলাই থৈ গৈছে। আগৰ চৰকাৰে আইন-শৃঙ্খলাৰ নামত সমগ্ৰ ৰাজ্যজুৰি জনসাধাৰণৰ ওপৰত যি ব্যাপক দমন-পীড়ন আৰু নিৰ্যাতন চলাইছিল, তাৰ বিভীষিকা ৰাইজৰ মনৰপৰা এতিয়াও আতৰি যোৱা নাই। উগ্ৰপন্থীৰ সমস্যা সমাধানৰ চৰকাৰে কেৱল বিভাজনৰ ৰাজনীতিহে খেলিলে। সমস্যা সমস্যা হৈয়ে থাকিল। জনসাধাৰণৰ জীৱন আৰু সম্পদৰ কানো নিৰাপত্তা নোহোৱা হ'ল। আলফা আত্মসমৰ্পণৰ নামত ব্যাপক ভেকো-ভাওনাৰ সৃষ্টি কৰা হ'ল। অবৈধ অস্ত্ৰ-শস্ত্ৰৰ সৰবৰাহ ৰাজ্যখনত ভয়বহভাৱে বাঢ়ি উঠিল। হত্যা, লুণ্ঠন, লুটপাত আদি অপৰাধমূলক কাৰ্যকলাপে চুড়ান্ত পৰ্য্যায় পালেগৈ। আইন-শৃংখলাৰ পৰিস্থিতি সম্পূৰ্ণৰূপে ভাহি পৰিল।

পৰিস্থিতি এনেকুৱা হ'লগৈ যে জনসাধাৰণক নিৰাপত্তা দিয়াটো দূৰৰ ৰাজ্য চৰকাৰৰ মন্ত্ৰী, বিষয়াসকলেই চৰম নিৰাপত্তাহীনতাত ভুগিবলৈ ধৰিলে। ৰাজ্য চৰকাৰৰ চাৰিগৰাকী শীৰ্ষস্থানীয় বিষয়াৰ জীৱন নিৰাপদ নহয় বুলি বিবেচনা কৰি চৰকাৰে তেওঁলোকৰ কাৰণে বিশেষ নিৰাপত্তাৰ ব্যৱস্থা কৰিলে। নিৰাপত্তাৰ দায়িত্ব থকা শীৰ্ষ বিষয়াৰ নিজৰেই নিৰাপত্তা নোহোৱা হল। নিজেই সৃষ্টি কৰা ভয়াবহ পৰিস্থিতিয়ে নিজৰ জীৱনৰ বাবেই ভাবুকিৰ সৃষ্টি কৰিলে। জনসাধাৰণক নিৰাপত্তা দিয়াৰ দায়িত্ব থকা আই জি পি (ল এণ্ড অৰ্ডাৰ) গৰাকীয়েই নিজৰ জীৱনো নিৰাপদ নহয় বুলিহে ভাবিলে আৰু অৱশেষত তেঁৱো অসম এৰি পলাবলগীয়া হ'ল। গতিকে এইটোৱেই প্ৰমাণ কৰে যে কি পৰ্য্যায়লৈ পূৰ্বৰ চৰকাৰৰ দিনত আইন-শৃংখলাৰ পৰিস্থিতিৰ মাজত ৰাজ্যখনক তেওঁলোকে এৰি থৈ গৈছে।

আমি অসম গণ পৰিষদ চৰকাৰে ৰাজ্যৰ জনসাধাৰণক জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা দিয়াটো প্ৰাথমিক কৰ্তব্য বুলি গণ্য কৰিছো। এই ক্ষেত্ৰত আমি ইতিমধ্যে কামত অগ্ৰসৰ হৈছো। প্ৰসংগতঃ উল্লেখ কৰো যে এই সদনতে মাননীয় সদস্য শ্ৰীহেমেন দাসে তেওঁৰ ভাষণত কৈ গৈছে যে নতুন চৰকাৰখন গঠন হোৱাৰ আগে পিছে ঠিক এসপ্তাহমানৰ ভিতৰতে কোকৰাঝাৰ, বঙাইগাওঁ জিলাত গোষ্ঠীৰ সংঘৰ্ষ, গোৱাৰপাৰাত সাম্প্ৰদায়িক উত্তেজনা সৃষ্টিৰ ষড়যন্ত্ৰ, মেৰাপানীত অসম

নগালেণ্ড সীমান্তত অশান্তিকৰ, পৰিস্থিতি — এই আটাইবিলাক ঘটনা একেলগে কেলেই ঘটিল? নতুন চৰকাৰখন হেয় প্রতিপন্ন কৰিবলৈ ৰচা কৰা ব্যাপক ষড়যন্ত্রৰ অংশ বুলিহে এইবোৰ ঘটনাক আমি ধৰি লৈছো। কালি মঙলদৈ আৰু বাইহাটা চাৰিআলিটো দুটাকৈ বোমা বিস্ফোৰণৰ ঘটনা ঘটিল। এইবোৰে তেনে পৰিকল্পিত ষড়যন্ত্রৰেই অংশ বিশেষ। আমি নতুন চৰকাৰে শাসনভাৰ ল'বৰ এমাহো হোৱা নাই। কিন্তু আমি ব্যৱস্থা লৈছো। কোনো দুষ্কৃতিকাৰীৰেই হিংসাত্মক কার্যকলাপ আমি সহ্য নকৰিম। জনসাধাৰণৰ জীৱন আৰু সম্পত্তিক লৈ খেলা খেলিব বিচৰা সকলো অপশক্তিৰ আমি বিৰোধিতা কৰো আৰু তেনে ধৰণৰ যি কোনো হিংসাত্মক কার্যকলাপ ৰোধ কৰিবলৈ আমি কঠোৰৰ ব্যৱস্থা ল'বলৈ দৃঢ় প্রতিজ্ঞ।

**সেনা প্রত্যাহাৰ :** সামৰিক বাহিনী আমি নতুনকৈ নিয়োগ কৰা নাই। পূর্বৰ চৰকাৰৰ দিনৰে পৰাই নিয়োগ কৰা হৈ আহিছে। আইনমতে সেনাবাহিনীয়ে নিজাববীয়াকৈ অভিযান চলাব পাৰে। সেই ক্ষমতা তেওঁলোকক দি থোৱা হৈছে। কিন্তু সেনা বাহিনীয়েই অভিযান চলাই থাকক সেইটো আমাৰ মুঠেই কাম্য নহয়। আমি সেনাবাহিনী প্রত্যহাৰ কৰাৰহে পক্ষপাতী। যিমান সোনকালে পৰা যায়, ৰাজ্যৰ অৱস্থা স্বাভাৱিক কৰি সেনা বাহিনী প্রত্যাহাৰ কৰিবলৈ আমি অতিশয় ইচ্ছুক। কিন্তু পূর্বৰ চৰকাৰৰ পৰা উত্তৰাধিকাৰী সুত্রে পোৱা বিধ্বস্ত আইন-শৃখলাৰ পৰিস্থিতি থাওকতে উন্নত কৰিব নোৱাৰি তাৰ বাবে কিছুসময় লাগিবও।

**কোকৰাঝাৰ, বঙাইগাৱঁৰ গোষ্ঠী সংঘর্ষ :** কোকৰাঝাৰ আৰু বঙাইগাঁও জিলাৰ কেতবোৰ অঞ্চলত সংঘটিত গোষ্ঠীৰ সংঘর্ষও নতুন চৰকাৰখনৰ স্থিতি দুর্বল কৰিবলৈ চলোৱা অপচেষ্টাৰ অংশ বিশেষহে। আমাৰ চৰকাৰে শাসন ভাৰ হাতত লৈছিল ১৫ মে' তাৰিখে। কিন্তু সংঘর্ষ আৰম্ভ হৈছিল ১৪ মে তাৰিখে। আমাৰ চৰকাৰে তৎপৰতাৰে কার্যকৰী ব্যৱস্থা হাতত লোৱাত পৰিস্থিতি সোনকালে নিয়ন্ত্রণ কৰিব পৰা গ'ল। সাহায্য শিবিৰবোৰৰ পৰা সংঘর্ষ-পীড়িত বড়ো, আদিবাসী উভয় জনগোষ্ঠীৰ লোকসকলেই এতিয়া নিজ নিজ গাঁৱলৈ ঘূৰি যাবলৈ লৈছে। তেওঁবিলাকক পুনৰ সংস্থাপনৰ বাবে আমি ব্যৱস্থা গ্রহণ কৰিছো। নিহত আৰু আহত সকলৰ বাবে এককালীন সাহায্যও দি থকা হৈছে। মাননীয় ৰাজ্যপালৰ ভাষণত

এই বিষয়ে স্পষ্টকৈ বিৱৰণ দিয়া হৈছে। ন্যায়িক তদন্তৰ কামো ইতিমধ্যেই গঠন কৰি দিয়া তদন্ত আয়োগে আৰম্ভ কৰিছে। ৰাজ্যপাল ডাঙৰীয়াই যথাৰ্থভাৱে এই কথা উল্লেখ কৰিছে যে ক্ষতিগ্ৰস্ত লোক সকলক নতুনকৈ ঘৰ-দুৱাৰ সাজি পুনৰ সংস্থাপন দিলেই সমস্যাৰ শেষ নহ'ব। তেওঁলোকক মানসিক ভাৱেও পুনৰ সংস্থাপিত কৰাৰ ব্যৱস্থা কৰিব লাগিব। উভয় জনগোষ্ঠীৰ জনসাধাৰণৰ মাজত সন্দেহ, শংকাৰ ভাৱ গুচাই সম্ভাৱ – সম্প্ৰীতি পুনৰ ঘূৰাই আনিব লাগিব। এই কামত সংশ্লিষ্ট সকলো পক্ষৰে ঐকান্তিক সহযোগিতা দৰকাৰ। আশা কৰো স্থায়ীভাৱে উত্তেজনাৰ অপশম ঘটাই আটাইৰে সহযোগত পৰিস্থিতি সম্পূৰ্ণ স্বাভাৱিক কৰি তুলিব পাৰিমহক।

মাননীয় অধ্যক্ষ মহোদয় ঃ ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কত ভাগ লোৱা সকলো মাননীয় সদস্যলৈ মই পুনৰ কৃতজ্ঞতা জনাইছো। অসমৰ সৰ্বাংগীন বিকাশৰ আৰু ৰাইজৰ কল্যাণৰ বাবে তেখেত সকলৰ উদ্বেগ আৰু আগ্ৰহৰ প্ৰতিফলন হিচাপেই তেখেতসকলৰ আলোচনা সমালোচনাক মই গ্ৰহণ কৰিছো। ৰাজ্যপাল মহোদয়ে কোৱাৰ দৰেই আমি আমাৰ ৰাজ্যখনৰ জীৱনৰ এটা জটিল সময়ৰ মাজেদি আগবাঢ়িছো। জটিল বিত্তীয় অৱস্থা, বানপানীকে ধৰি বিভিন্ন দুৰ্যোগ, মেলেৰিয়া মহামাৰী, গোষ্ঠী-সংঘৰ্ষকে ধৰি বিভিন্ন অঞ্চলত চলি অহা আইন-শৃংখলাৰ জটিলতা ইত্যাদি বিভিন্ন সমস্যাই ৰাজ্যখনক জুমুৰি দি আছে। আমি এই পৰিস্থিতিতেই কাৰ্যভাৰ গ্ৰহণ কৰিছোঁহি। আমি পবিত্ৰ সদনত অংগীকাৰ কৰিব খোজো যে বিভিন্ন সমস্যাৰ ওৰ পেলাই ঐক্যবদ্ধ, শান্তিপূৰ্ণ, প্ৰগতিশীল অসম এখন গঢ়ি তোলাৰ ক্ষেত্ৰত আমি কোনো ধৰণৰ আপোচ নকৰো। এই পৱিত্ৰ উদ্দেশ্যত পৱিত্ৰ সদনৰ সকলো পক্ষই নিজৰ ৰাজনৈতিক মতবাদ পৰিচয় নিৰ্বিশেষে আমাৰ সৈতে সহযোগ কৰি বুলি মই আন্তৰিকতাৰে আশা কৰো। এই আশা আৰু প্ৰত্যেয়েৰে মই আকৌ এবাৰ আপোনাক আৰু সদনৰ সকলো মাননীয় সদস্যক শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

**চাহ শ্ৰমিক আৰু অন্যান্য জনগোষ্ঠীলৈ অনুসূচিত জনজাতিৰ মৰ্য্যদা প্ৰদান ঃ**
মাননীয় সদস্য বিলেশ্বৰ তাঁতীয়ে কৈছে যে চাহ শ্ৰমিক সম্প্ৰদায় আৰু মৰাণ মটক, চুতীয়া আদি সম্প্ৰদায়ক অনুসুচিত জনজাতিৰ মৰ্য্যাদা প্ৰদান কৰিব লাগে। এই

সন্দৰ্ভত সদনক জনাব খোজো যে কোনো এটা সম্প্ৰদায়ক অনুসুচিত জনজাতিৰ মৰ্য্যাদা দিব লাগিলে কেতবোৰ বিবেচ্য বিষয় থাকে। সেইমতে কেন্দ্ৰীয় চৰকাৰে এনে ধৰণৰ প্ৰস্তাৱ বিবেচনা কৰে। চাহ্ শ্ৰমিক সম্প্ৰদায়, মৰাণ, মটক, সকলৰ বেলিকা এনে প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰি থকা বুলিও আমি জানিব পাৰিছো।

**মেলেৰিয়া সংক্ৰান্তত বিতং তথ্য ঃ** ৰাজ্যখনৰ এঘাৰ খন জিলাৰ এক লাখ ২৫ হেজাৰ ৯৮৯ জন লোক মেলেৰিয়াৰ দ্বাৰা আক্ৰান্ত হৈছে। তাৰে ভিতৰত ১১ হেজাৰ ৬০০ জনৰ ক্ষেত্ৰত মেলেৰিয়া 'পজিটিভ' বুলি পোৱা গৈছে। এতিয়ালৈকে ৰাজ্যখনত মেলেৰিয়া ৰোগত ৪৪ জন লোকৰ মৃত্যু হৈছে।

ইতিমধ্যে, মেলেৰিয়া আক্ৰান্ত জিলা সমূহলৈ Chloroquine, Primaquin, Paracetamol আদি মেলেৰিয়া প্ৰতিৰোধক ঔষধ যথেষ্ট পৰিমাণে পঠিওৱা হৈছে। ক্লোৰাকুইন ইনজেকচনৰ বাহিৰে বাকী সকলো ঔষধ যথেষ্ট পৰিমাণে মজুত আছে। এতিয়ালৈকে ৭৭৬ মেট্ৰিকটন ডি ডি টি সোনকালে আমি পামহক। প্ৰথম ৰাউণ্ড স্প্ৰে কৰাৰ বাবে এয়া যথেষ্ট হ'ব।

স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্য্যালয়ত এটা Control Room খোলা হৈছে। মেলেৰিয়া সংক্ৰান্তত জিলা সমূহত চলাই থকা প্ৰতিৰোধমূলক অভিযানৰ বিষয়ে এই Control Room ৰ দ্বাৰা ব্যৱস্থা লোৱা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই ৰাইট অৱ ৰিপ্লাইত কিবা কব নেকি?

* **শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে স্পষ্টভাৱে সকলোখিনি কথাৰে উত্তৰ দিছে। তেখেতে তিনিটা কথাৰ স্পষ্টভাৱে উত্তৰ দিছে যে, দুৰ্নীতি সম্পৰ্কে ভালধৰণে আপোচ মীমাংসা কৰা হ'ব, গোষ্ঠীগত সংঘৰ্ষত ভাঙি যোৱা মন জোৰা লগাবৰ কাৰণে সদনৰ সকলো মাননীয় সদস্যৰ সহযোগিতা বিচাৰিছে আৰু গোটেই ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়নৰ বাবে চেষ্টা কৰিব বুলি প্ৰকাশ কৰাত মই তেখেতলৈ আন্তৰিক ধন্যবাদ দিছো।

---

* Speech not corrected

শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ মাননীয় অধ্যক্ষ মহোদয়, বি এ চি এলেকাৰ উন্নয়ন কৰাৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিব জনালে ভাল পাম।

শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় সদস্যাই যিটো প্ৰশ্ন কৰিছে তাৰ উত্তৰত মই ক'ব বিচাৰিছো যে, আলাপ-আলোচনাৰ জৰিয়তহে সকলো সমস্যা সমাধান কৰাত আগবাঢ়িব পৰা হ'ব।

মোস্তাফা শ্বহিদুল ইছলাম ঃ মাননীয় অধ্যক্ষ মহোদয়,

মাননীয় অধ্যক্ষ ঃ আপুনি পিছত ক'ব এতিয়া দুটা এমেণ্ডমেণ্ট আছে এজন মাননীয় সদস্য অৰ্দ্ধেন্দু দে দেৱৰ আৰু আনটো মাননীয় সদস্য দিলেশ্বৰ তাঁতী দেৱৰ। আপোনালোকে এমেণ্ডমেণ্টটো ওইড্ৰ কৰিব নেকি?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ অধ্যক্ষ মহোদয় মুখ্যমন্ত্ৰী মহোদয় সৰ্বাঙ্গীণ উন্নতি কৰাৰ কথা কৈছে। কিন্তু অসমত দুই লাখৰো অধিক লোক মেলেৰিয়াত আক্ৰান্ত হৈছে আৰু এতিয়া দহ লাখৰো অধিক আক্ৰান্ত হৈছে। এই সম্পৰ্কত উত্তৰত একো কথাই কোৱা নাই। আমি কাকো দোষ দিবলৈ যোৱা নাই। আজি শ শ মানুহ মৰি আছে কিন্তু মুখ্যমন্ত্ৰী মহোদয়ে এটাও মন্তব্য দিয়া নাই। মেলেৰিয়াৰ বাবে কি ব্যৱস্থা লৈছে মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা বিতংভাৱে জানিব বিচাৰিছো।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) ঃ আমাৰ ৰাজ্যখনৰ ১১ খন জিলাত এক লাখ ২৫ হেজাৰ ৯৮৯ জন লোক মেলেৰিয়াত আক্ৰান্ত হৈছে। তাৰ ভিতৰত ১১ হেজাৰ ৬০০ ক্ষেত্ৰত মেলেৰিয়া পজিটিভ বুলি কোৱা হৈছে। মেলেৰিয়াত আক্ৰান্ত লোকৰ বাবে বিভিন্ন ঔষধ পাতি আৰু মেলেৰিয়াত প্ৰতিৰোধৰ ঔষধ আদি ক্লৰোকুইনৰ বাহিৰে সকলোবিলাক প্ৰস্তুত আছে। ৭৭৪ মেট্ৰিক টন ডি ডি টি পোৱা হৈছে আৰু ৫ শ মেট্ৰিক টন সোনকালেই পাম। ইতিমধ্যে ডি ডি টি চটিওৱা হৈছে। তাৰোপৰি স্বাস্থ্য সঞ্চালকালয়ত কণ্ট্ৰল ৰুমৰ ব্যৱস্থা কৰা হৈছে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে যিটো আশ্বাস দিছে তাৰ বাবে ধন্যবাদ দিছো। আৰু মই এমেণ্ডমেণ্টটো প্ৰত্যাহাৰ কৰিছো।

**শ্ৰীদিলেশ্বৰ তাঁতী** ঃ অধ্যক্ষ মহোদয়ঃ চাহ বাগানৰ শ্ৰমিক সকলক জনজাতিৰ তালিকাত অন্তৰ্ভূক্ত কৰাৰ বাবে এই এমেণ্ডমেণ্ট আনিছিলো। এই সম্পৰ্কে বিভিন্ন সংগঠনৰ পৰা দাবী আহিছে। যোৱা চৰকাৰৰ দিনত এই সম্পৰ্কে কেবিনেটত সিদ্ধান্ত কৰি কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱা হৈছিল। আগৰ চৰকাৰৰ ৰিকমেদেনচন আপোনালোকে পাৰচু কৰেনে নকৰে জনালে ভাল পাম।

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)** ঃ মাননীয় সদস্য দিলেশ্বৰ তাঁতীদেৱে যিটো কথা কৈছে সেই সম্পৰ্কত মই ক'ব বিচাৰিছো যে কোনো এটা সম্প্ৰদায়ক জনজাতিৰ মৰ্য্যাদা দিবলৈ হ'লে বিষয়টো বিবেচনা কৰিব লাগিব। আমি খবৰ লৈ জানিব পাৰিছো যে কেন্দ্ৰীয় চৰকাৰে এই সম্পৰ্কে বিবেচনা কৰি আছে বুলি জানিবলৈ দিছে।

**শ্ৰীদিলেশ্বৰ তাঁতী** ঃ অধ্যক্ষ মহোদয়, আমাক স্পেচিফিকেলি ক'ব লাগে যে আপোনালোকে পাৰচু কৰিব নে নাই?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)** ঃ আমি সোধাৰ বাবেহে তেওঁলোকে বিবেচনা কৰি থকা কথাটো কৈছে।

**শ্ৰীচিলভিউছ কন্দপান** ঃ এইখিনি আগৰ চৰকাৰৰ আছিল। এতিয়া জনপ্ৰিয় অগপ চৰকাৰে এইটো পাৰচু কৰি চুড়ান্ত সিদ্ধান্তলৈ আহিবনে?

**শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)** ঃ ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰলৈ খবৰৰ বাবে লিখা হৈছে। কোঁচ ৰাজবংশী সকলৰ ক্ষেত্ৰতো যিহেতু আইন কৰা নহ'ল এতিয়া অৰ্ডিনান্স কৰিব লাগিব। আইন কৰাৰ কাৰণে এই বিষয়ে খবৰ লওঁতেই এইটো পাৰুচু কৰা হ'ল।

**শ্ৰীদিলেশ্বৰ তাঁতী** ঃ এই সম্পৰ্কত আমি আশা ৰাখিছো তেখেত সকলে যথাযথভাৱে পাৰচু কৰিব আৰু এই আশাৰে সংশোধনটো উঠাই লৈছো।

**Mr. Speaker :** I now come to the main Motion of Thanks moved by Shri Hitendra Nath Goswami on the Address of the Governor.

The Motion is that-

"That the Members of the Assam Legislative Assembly assembled in the Session are grateful to the Governor for the address he has been pleased to deliver to the House today, the 13th June, 1996."

Those who are in favour say 'AYES'

Those who are against say 'NOES'

'AYES' have it, 'AYES' have it, 'AYES have it.

The Motion is passed.

The Motion is adopted.

## RESOLUTION

এতিয়া মাননীয় সদন কমিটী গঠন কৰা সম্পৰ্কত মোৰ ফালৰ পৰা ৰায় দিয়াৰ আগতে ভাৰতীয় কংগ্ৰেছ দল আৰু অন্যান্য দলৰ, দলপতি সকলক মই অনুৰোধ কৰো তেখেত সকলে এই সম্পৰ্কত এবাৰমান বাক্যত সম্ভৱ ক্ষেত্ৰত হ'ব লাগে বা নালাগে বুলি মন্তব্য ৰাখিব। প্ৰথমে কংগ্ৰেছ দলৰ পৰা হওক।

**শ্ৰীচিলভিউছ কন্দপান ঃ** এই সম্পৰ্কত আমি জনামতে চি বি আইক পৰীক্ষা কৰিবলৈ দিয়া হৈছে। গতিকে আমি সদন কমিটী দিয়াৰ ক্ষেত্ৰত কোনো কাম নহ'ব বুলি ভাবো। যিহেতু চি বি আই টেকআপ কৰিছে গতিকে কামত ব্যাঘাত জন্মিব কাৰণে আমি পক্ষপাতী নহয়।

**Mr. Speaker :** The House has got no information about by CBI, therefore House Committee should formed.

**শ্ৰীশৰৎ বৰকটকী ঃ** ইতিমধ্যে মুখ্যমন্ত্ৰী মহোদয়ে চি বি আইৰ কথা কৈছে আৰু চৈধটা বিষয়ৰ ভিতৰত দুটা কেচত প্ৰচেচ কৰিছে বুলি কৈছে। এই সদনত বহুবাৰ আলোচনা হৈছিল। গতিকে যিহেতু যি বি আই কেচ লৈছে সেই কাৰণে চি বি আইৰ ওপৰতে ন্যস্ত কৰিব লাগে। হাউচ কমিটি নালাগে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ ইতিমধ্যে কিছুমান একজড় ব্যক্তিৰ সম্পত্তি বাজেয়াপ্ত কৰিছে আৰু কেচ আগবাঢ়ি আছে। যদি সদন কমিটী কৰা হয় বাধাপ্ৰাপ্ত হ'ব। গোটেই ভাৰতবৰ্ষতে চি বি আই তদন্ত আৰু প্ৰপোচ কৰিছে। সেই কাৰণে আস্থা সহকাৰে চি বি আইক দিয়া ভাল।

শ্ৰীহলিৰাম টেৰাং ঃ ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে এল অ' চি স্কেমত বিশেষ দুটা কেচত এফ আই আৰ হৈছে। চাৰ্জচীট হৈছে। সেই কেইটা নকৰিলেও হ'ব। চি বি আই যি কেইটাত আগবাঢ়িছে সেই কেইটাৰ বাহিৰত যিবিলাক চি বি আইক তদন্তৰ কাৰণে দিয়া হোৱা নাই, এল অ' চিৰ ক্ষেত্ৰত আৰু লগতে বাগচি কমিচনৰ ৰিপোৰ্টত কেৱল ভেটেৰিনাৰী বিভাগৰ কথাই নাই, অন্যান্য বিভাগৰো কথা আছে তেনেহলে চি বি আই নকৰা বিলাক কৰিবলৈ সদন কমিটীৰ প্ৰয়োজন আছে। চি বি আইয়ে লোৱাৰ বাহিৰে অন্যান্য বিভাগৰ ক্ষেত্ৰত এটা সদন কমিটী কৰিব লাগে।

শ্ৰীহেমেন দাস ঃ অধ্যক্ষ মহোদয়, মই কালিও কৈছো যে এল অ' চিৰ তদন্তৰ কাৰণে সদন কমিটী গঠন কৰিব লাগে। খবৰ পোৱা হৈছে যে চিবিআইয়ে তদন্ত কৰি আছে। কিন্তু চি বি আইয়ে সকলো তদন্ত কৰা নাই। ভেটেৰিনাৰীৰো সকলো কৰা নাই। ডিমৌ সম্পৰ্কতে কোনো ৰিপোৰ্ট দিয়া নাই। বহু টকা আছে। এইখন আজি দাখিল কৰিছে ৰিপোৰ্ট অৱ দি কম্পট্ৰলাৰ জেনেৰেল অৱ ইণ্ডিয়া। এল অ' চিৰ বাহিৰেও কেনেকৈ টকা ড্ৰ কৰিছে তাৰ হিচাব দিয়া হৈছে। অকল শিৱসাগৰৰ পৰাই হেল্‌থ বিভাগত চাৰি কোটিৰো অধিক এল অ' চিৰ বাহিৰৰ টকা ড্ৰ হৈ গৈছে। সেই কাৰণে ভেটেৰিনাৰীৰে কেৱল নহয় জয়নত বাগচীৰ চিঠিখনৰ ভিত্তিত অন্যান্য বিভাগকো সামৰি ভয়ানক কাৰবাৰ চলিছে বুলি বিভৎস ৰূপ হৈছে বুলি গম পাওঁ। এই সম্পৰ্কত তদন্ত কৰিবলৈ পি এই চি ইৰ দায়িত্ব চি বি আইক দিয়া নাই। মুখ্যমন্ত্ৰীলৈ আমি অনুৰোধ জনাইছো সদন কমিটী কৰাত আমাৰ পূৰ্ণ সমৰ্থন আছে আৰু জনসাৱাণৰ পৰা তেনে দায়িত্ব লৈ আমি আহিছো। গতিকে জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰিব লাগে। গতিকে যিমান সোনকালে পাৰি কমিটী কৰি দিয়াৰ কাৰণে অনুৰোধ কৰিছো।

শ্ৰীশ্বেখ আব্দুল হামিদ ঃ সদন কমিটি সম্পৰ্কত যিটো অল অ' চিৰ কথা বিভিন্ন বিভাগৰ

ক্ষেত্রত আলোচিত হৈছে এই সম্পৰ্কত এটা কাৰ্টুন বাতৰি কাকতত ওলাইছিল। যাড় গৰুৰ ছবি দিছে দিশপুৰলৈ আহিবলৈ ওলাইছে দাবী উত্থাপন কৰিবলৈ। দুনীতি আদি উদ্‌ঘাটন কৰিবলৈ। তেনে এটা ইংগিত ছবিখনত দিছিল। আজি আমাৰ মাননীয় সদস্য ভালেকেইজনে সদন কমিটীৰ কথা কৈছে। মইও আমাৰ ফালৰ পৰা কওঁ তদন্ত কমিটী হওক। চি. বি আইৰ আৰ্হিৰে বাকীখিনি সদন কমিটীয়ে চালিজাৰি চাই দুৰ্নীতি আছে নেকি তদন্ত কৰিব পাৰিব।

**শ্ৰীমুনীন মহন্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, এল অ' চি দুৰ্নীতি সম্পৰ্কে তদন্ত কৰিবৰ কাৰণে সদন কমিটী গঠন কৰিবৰ কাৰণে আগৰ পৰাই বিচাৰিছো। মাননীয় মুখ্যমন্ত্ৰীয়ে এতিয়া সদন কমিটী গঠন কৰাৰ কাৰণে আশা ৰাখিছো। মই আশা ৰাখিছো সদন কমিটী সোনকালে গ্ৰহণ কৰি তদন্তৰ ব্যৱস্থা কৰিব।

**Shri Devanand Konwar** : Sir, there is a difference of opinion with regard to the formation of House Committe. Earlier Hon'ble Member Sri Holiram Terang has suggested certain matters to be reforred to CBI by the Govt. Sir, there many other matter which are yet to be investigated overwhich crores of rupees are suspected to be defaulcated. We suggest that an party House Committee be formed over the matters which are not referred to CBI.

**Shri Kaliranjan Deb** : I fully agree to what Hon'ble Member, Shri Konwar suggested with regard to the matter which are not referred to CBI.

**শ্ৰীদেৱহাগ্ৰা মুছাহাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি বিলাক কেচ চি বি আইৰ হাতত আছে সেইবিলাক চি বি আইৰ হাতত থাকে। যি বিলাক কেচ চি বি আইৰ হাতত নাই সেইবিলাক কেচ সদন কমিটিৰ জৰিয়তে তদন্তৰ ব্যৱস্থা কৰক।

**শ্ৰীপ্ৰমীলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী হলিৰাম টেৰাং ডাঙৰীয়াই যিটো চাজেচন দাঙি ধৰিছে তাৰ লগত মই এক মত। মোৰ ক'বলগীয়া এইখিনিয়ে।

মাননীয় অধ্যক্ষ ঃ সৰহ সংখ্যক মাননীয় সদস্যই সদন কমিটী হোৱাটো বিচাৰিছে। মই এই বিষয়ে আইনগত দিশসমূহ চালি জাৰি চাই চূড়ান্ত ৰায় এটা অতি শীঘ্রে দিয়াৰ ব্যৱস্থা কৰিম।

মই এতিয়া অসমৰ কথাছবি জগতৰ কেইটামান উল্লেখনীয় গৌৰৱ আমাৰ ৰাজ্যখনলৈ কঢ়িয়াই অনাত তিনিটা প্রস্তাৱ আনিম তাত আপোনালোকৰ সন্মতি আছে বুলি ধৰিছো।

১। অসমৰ নলবাৰীৰ জীয়ৰী দিল্লীৰ নেশ্বনেল স্কুল অৱ ড্রামাৰ অভিনয়ৰ স্নাতক শ্রীমতী সীমা বিশ্বাসে শেখৰ কাপুৰ পৰিচালিত 'বেণ্ডিত কুইন'ত কৰা অনবদ্য অভিনয়ৰ বাবে শেহতীয়া ৰাষ্ট্রীয় চলচ্চিত্র মহোৎসৱত শ্রেষ্ঠা অভিনেত্রী পৰিগণিত হৈ 'স্বর্ণকমল বটা' অর্জন কৰা বাবে আজিৰ পৱিত্র সদনে তেওঁলৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে।

২। অসমৰ কোকৰাঝাৰ নিবাসী পুনেৰ এফ টি আইৰ পৰিচালনাৰ স্নাতক শ্রীপ্রদীপ ব্রহ্মাই বড়ো ভাষাত নির্মাণ কৰা দ্বিতীয়খন চলচ্চিত্র 'ৰেপ ইন দ্য ভার্জিন ফৰেষ্ট'ৰ বাবে পৰিবেশ শিতানত শ্রেষ্ঠ চলচ্চিত্র পৰিগণিত হৈ স্বর্ণকমল বঁটা অর্জন কৰা বাবে আজিৰ পবিত্র সদনে তেওঁৰলগতে চলচ্চিত্রখনৰ সমূহ শিল্পী কলা-কুশলীলৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে।

৩। অসমৰ বিশিষ্ট চলচ্চিত্র নির্মাতা ডঃ ভবেন্দ্র নাথ শইকীয়াই তেওঁৰ শেহতীয়া চলচ্চিত্র 'ইতিহাসৰ'ৰ বাবে একেৰাহে সপ্তমবাৰৰ বাবে ৰাষ্ট্রীয় চলচ্চিত্র উৎসৱত 'ৰজন কমল' অর্জন কৰা বাবে তেওঁলৈ আজিৰ পবিত্র সদনে শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছো।

এতিয়া সদন অনির্দ্দিষ্ট কাললৈ স্থগিত কৰিলো।

## ADJOURNMENT

The House rose at 1-21 P.M and stood adjourned sine die.

D. Talukdar,
Secretary,
Assam Legistative Assambly

Dispur
The 15th June, 1996